## তৃতীয় অধ্যায়
# নিৰ্বাচিত উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ এক বিস্তৃত আলোচনা

স্বৰাজোত্তৰ কালছোৱাৰ অসমীয়া উপন্যাসৰ মন্থৰ গতিয়ে নতুন আশা-প্ৰত্যাশাৰে বিকাশৰ গতিত আগবাঢ়ে। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ত পৰিয়াল আৰু সমাজত বসবাস কৰা বৃদ্ধসকলৰ মননশীল আৰু সংবেদনশীল স্বৰূপ প্ৰত্যক্ষ কৰি একাংশ ঔপন্যাসিকে চৰিত্ৰৰ মনৰ বিচিত্ৰতাৰে উপন্যাসৰ কাহিনী ৰচনা কৰে। গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ নিৰ্বাচিত চাৰিগৰাকী ঔপন্যাসিকৰ চাৰিখন বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসক আধাৰ হিচাপে লৈ 'নিৰ্বাচিত উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ এক বিস্তৃত আলোচনা' শীৰ্ষক বিষয়টো বিশ্লেষণ কৰিবলৈ বিচৰা হৈছে। নিৰ্বাচিত ঔপন্যাসিকৰ মূল উপন্যাসকেইখন ক্ৰমে— নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬), অৰুণ শৰ্মাৰ *উভলা শিপা* (১৯৭৯), হোমেন বৰগোহাঞিৰ *অন্তৰাগ* (১৯৮৬) আৰু শীলভদ্ৰৰ *অনুসন্ধান* (১৯৮৭)। কাহিনী আৰু চৰিত্ৰত থকা বৃদ্ধসকলৰ মনৰ জটিলতা আৰু পৰিয়াল তথা সমাজত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত হ'বলৈ বিষয়টো সবিস্তাৰে আলোচনা আৰু বিশ্লেষণৰ প্ৰয়াস কৰা হ'ল। নিৰ্বাচিত ঔপন্যাসিককেইগৰাকীৰ আন কেইবাখনো উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰতিফলন হৈছে। সেইসমূহৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ *অন্তঃস্ৰোতা* (১৯৬৫), *ছায়া আৰু ছবি* (১৯৭১), *অন্য জীৱন* (১৯৮৭), *অভিযাত্ৰী* (১৯৯৩); অৰুণ শৰ্মাৰ *যযাতি আৰু ৰঞ্জনা* (১৯৮০), *আশীৰ্বাদৰ ৰং* (১৯৯৬); হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ* (১৯৭৫); শীলভদ্ৰৰ *তৰংগিনী* (১৯৭১), *অবিচ্ছিন্ন* (১৯৮০) আৰু *গধূলি* (১৯৮১) উল্লেখযোগ্য। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ নিৰ্বাচিত ঔপন্যাসিকৰ উপন্যাসকেইখন আৰু তেওঁলোকৰ অন্যান্য উপন্যাসসমূহত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ কেনেদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে তলত বিস্তৃতভাৱে বিশ্লেষণ কৰা হ'ল।

## ৩.০ নিৰুপমা বৰগোহাঞিৰ উপন্যাস *এজন বুঢ়া মানুহ* ঃ

নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬) উপন্যাসৰ নায়ক যুগ পৰিৱৰ্তিত সমাজৰ এজন সত্তৰবছৰীয়া বৃদ্ধ বিজয় ভৰালী। তেওঁৰ লগত বোৱাৰীয়েক কমলাৰ প্ৰজন্ম, আদৰ্শ আৰু মূল্যবোধৰ সংঘাত উপন্যাসখনত দেখা যায়। উপন্যাসখনৰ মূল চালিকাশক্তি বৃদ্ধ বিজয় ভৰালীৰ মনৰ জটিলতা। জীৱনৰ বিচিত্ৰ মনৰ অনুভূতিৰে প্ৰয়াত পত্নী ইলা আৰু বোৱাৰীয়েক কমলাৰ জীৱনৰীতিৰ তুলনা বৃদ্ধ ভৰালীয়ে কৰিব বিচাৰিছে। একক পৰিয়ালত জীৱন যাপন কৰা এলেহুৱা, নিৰুৎসাহী, বৃদ্ধ ভৰালীৰ নিঃসংগতাৰ বেদনা তেওঁৰ চৰিত্ৰৰে বহিঃপ্ৰকাশ। এগৰাকী আধুনিকা আৰু শিক্ষিতা বোৱাৰী কমলাৰ দৈহিক, আৱাসিক আৰু ধনৰ প্ৰতি থকা স্বাচ্ছন্দ্য মনোভাবেই পৰম্পৰাবিশ্বাসী আৰু উদাসীন স্বভাৱৰ ভৰালীৰ মানসিক অশান্তিৰ মূল কাৰণ। জীৱনত একো বস্তুৰে প্ৰতি হাবিয়াস নথকা ভৰালীয়ে বোৱাৰীয়েক কমলাৰ অভিযোগত অভিযুক্ত হৈ মৌনতা আৰু ভাবুক স্বভাৱকে জীৱনৰ সংগী কৰি লৈছে। পত্নীৰ লগত কটোৱা অতীতৰ সুমধুৰ প্ৰেমৰ স্মৃতি ৰোমন্থন কৰি বিজয় ভৰালীয়ে বাৰ্ধক্যৰ দিনবোৰ অতিবাহিত কৰিব বিচাৰিছে। কিন্তু ভৰালীৰ মনস্তাত্ত্বিক জটিলতাৰ একমাত্ৰ কাৰণ পুত্ৰৰ প্ৰতি থকা গভীৰ স্নেহ। সেইবাবে বোৱাৰীয়েক কমলাৰ ব্যৱহাৰত সন্ত্ৰস্ত বৃদ্ধ ভৰালী পুত্ৰৰ অনাগত জীৱনৰ আশংকাত ভীতিগ্ৰস্ত হৈ পৰিছে। পুত্ৰৰ জীৱনক লৈ শংকিত অসহায় বৃদ্ধ পিতৃয়ে মানসিক আৰু শাৰীৰিক দুয়োবিধ ৰোগকে বাৰ্ধক্যত চিৰলগৰী কৰি লৈছে। অৱশেষত দুৰাৰোগ্য কেন্সাৰত আক্ৰান্ত ভৰালীয়ে মানসিক যন্ত্ৰণাৰে জীৱনৰ অৱসান ঘটাইছে।

বৃদ্ধ বিজয় ভৰালীৰ নিভৃত মনৰ কাৰুণ্য হৃদয়স্পৰ্শী ৰূপত উপন্যাসখনত বৰ্ণনা কৰা হৈছে। সাম্প্ৰতিক সমাজৰ একক পৰিয়ালত থকা বৃদ্ধ লোকৰ একাকিত্ব, শাৰীৰিক আৰু মানসিক ব্যাধিৰ ফলত মন-মগজুৰ সংঘাত উপন্যাসখনত উপস্থাপন কৰা হৈছে। সমাজৰ এগৰাকী সচেতন আৰু দায়বদ্ধ ঔপন্যাসিকা নিৰুপমা বৰগোহাঞিয়ে বৃদ্ধসকলৰ সমস্যা আৰু একাকিত্বক লৈ সত্তৰৰ দশকতে দূৰদৰ্শিতাৰে উপন্যাসখন ৰচনা কৰে। তেওঁৰ *এজন বুঢ়া মানুহ* (১৯৬৬) উপন্যাসখন সত্তৰৰ দশকৰ প্ৰথম বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। বৃদ্ধ লোকৰ মানসিক জটিলতাৰ বহুকেইটা কাৰক বিজয় ভৰালীৰ চৰিত্ৰৰ দ্বাৰা উপন্যাসখনত প্ৰকাশ পাইছে। উপন্যাসখনত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ মূল কাৰকসমূহ বিশ্লেষণ

কৰিবলৈ প্ৰধানকৈ কেইটামান দিশৰ পৰ্যবেক্ষণ কৰা হৈছে। সেইসমূহৰ ভিতৰত নিঃসংগতাৰ বেদনা, আদৰ্শৰ সংঘাত, অতীতৰ স্মৃতি ৰোমন্থন, মূল্যবোধৰ পৰিৱৰ্তন, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, ব্যক্তিকেন্দ্ৰিক অহমিকা, জীৱনপ্ৰীতি, শাৰীৰিক অসুস্থতা, শৈক্ষিক মূল্যবোধৰ অভাৱ, নগৰীয়া জীৱনৰ যন্ত্ৰণা ইত্যাদিয়েই উল্লেখযোগ্য। উপন্যাসখনত বৃদ্ধ বিজয় ভৰালীৰ চৰিত্ৰত উল্লিখিত কাৰকসমূহে কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, সেই বিষয়ে তলত বিশ্লেষণৰ প্ৰয়াস কৰা হ'ল।

**(১) নিঃসংগতাৰ বেদনা ঃ**

ব্যক্তিজীৱনৰ আটাইতকৈ ডাঙৰ সমস্যা নিঃসংগতাৰ বেদনা বা একাকিত্ব। সমাজ অথবা সংগীবিহীন অকলশৰীয়া জীৱন যাপন কৰাটো কোনো ব্যক্তিৰ পক্ষে সম্ভৱ নহয়। সাম্প্ৰতিক সময়ত সমাজত ব্যক্তিৰ নিঃসংগতাৰ বেদনাৰ মূল কাৰণ একক পৰিয়ালত কটাবলগীয়া সংগীহীন জীৱন। বিশেষকৈ কৰ্মব্যস্ততা নথকা অৱসৰকালীন জীৱনত নিঃসংগতাৰ বেদনাই অতি ভয়াৱহ ৰূপ লয়। বাৰ্ধক্যত নিঃসংগতাৰ বেদনাৰ প্ৰধান কাৰণ শাৰীৰিক অক্ষমতা আৰু কৰ্মব্যস্ততাহীন জীৱন। নিঃসংগতাৰ বেদনা, অসহায় আৰু নিঠৰুৱা জীৱনে বৃদ্ধ লোকৰ জীয়াই থকাৰ সাধাৰণ আশাকণো নোহোৱা কৰে। উপন্যাসখনৰ মুখ্য চৰিত্ৰ বৃদ্ধ বিজয় ভৰালীয়ে পো-বোৱাৰীৰ লগত একেলগে জীৱন অতিবাহিত কৰিলেও তেওঁৰ বিচিত্ৰ জীৱনৰ অভিজ্ঞতাৰ পৰা এজন নিঃসংগ বৃদ্ধৰ চৰিত্ৰ ফুটি উঠিছে। তেওঁৰ একাকী স্বভাৱ আৰু কিতাপৰ ৰাগীৰ বাবে পৰিয়াল আৰু সমাজৰ লগত সুসম্পৰ্ক গঢ়িব পৰা নাই। পত্নীৰ মৃত্যুৰ পাছত একমাত্ৰ পো-বোৱাৰীৰ লগত দিন অতিবাহিত কৰিব লগাত ভৰালীয়ে নিজৰ ভাবত অসংখ্য কথা সুমুৱাই নিজকে আৰু বেছি অকলশৰীয়া কৰিছে। চাকৰিৰ পৰা অৱসৰ লোৱাৰ দিন ধৰি তেওঁৰ নিঃসংগতাৰ বেদনা ক্ৰমে বৃদ্ধি পাবলৈ ধৰে। প্ৰয়াত পত্নীৰ প্ৰেমৰ স্মৃতি ৰোমন্থন কৰি নিঃসংগ বিজয় ভৰালীয়ে জীৱনটোক লৈ আক্ষেপ কৰিছে— "তোমাৰ ওচৰলৈ মোক মাতি নিনিয়া কিয় ইলা, মোৰতো পৃথিৱীত আৰু কোনো কাম বাকী নাই, মইতো এতিয়া সংসাৰৰ ভাৰহে মাত্ৰ...।"[১] ইঞ্জিনীয়াৰ পুত্ৰ আৰু শিক্ষয়িত্ৰী বোৱাৰীৰ কৰ্মব্যস্ততাত বিজয় ভৰালীৰ নিঃসংগতাৰ বেদনা দিনকদিনে বাঢ়িবলৈ ধৰে। পুৰণি ঘৰখন এৰি নতুন ঘৰত পো-বোৱাৰীৰ

১। নিৰুপমা বৰগোহাঞি, *এজন বুঢ়া মানুহ*, পৃ. ৭৮

লগত থাকিবলৈ লোৱা ভৰালীৰ নিঃসংগতাৰ বেদনা পূৰ্বতকৈও বৃদ্ধি পাবলৈ ধৰে— “কিন্তু বাটৰ ইমান মানুহ, গাড়ীৰ কোলাহলৰ ইমান ওচৰত থাকিও বিজয় ভৰালীয়ে হঠাৎ তেওঁৰ নিঃসংগতা আৰু বেছি বাঢ়ি যোৱা যেন পালে।”[২] এটা সময়ত কেন্সাৰ ৰোগত আক্ৰান্ত ভৰালীৰ শাৰীৰিক অসুস্থতাই তেওঁৰ একাকিত্ব আৰু নিঃসংগতাৰ বেদনা বৃদ্ধিত অৰিহণা যোগাইছে। মৃত্যুশয্যাত কটোৱা দিনবোৰত নিঃসংগতাৰ বেদনা নাশ কৰিবলৈ অনবৰতে কোনোবা এজন কাষত বহি থকাটো মনে-প্ৰাণে বিচাৰিছে। আনকি খিৰিকীৰ ফাঁকেৰে অকণমান নীলা আকাশ চাবলৈও তেওঁৰ নিঃসংগ আৰু অৱসাদ মনটোৱে অস্থিৰ আৰু হাহাকাৰ কৰি উঠিছে।

> আশা— কিজানিবা অকণি আকাশ দেখা যায়েই— সেই আকাশ, য'ৰ সোণৰ ৰেলিঙত ভেজা দি ইলাই হয়তো ‘ব্লেছেড ডেমোজেল’ৰ দৰেই তেওঁৰ ফালে চাই চকুপানী টুকি আছে... কান্দিব পাৰিলে বোধহয় মনটো পাতল লাগি যায়, কিন্তু তেওঁ হ'লে আজিলৈকে কান্দিব পৰা নাই।[৩]

### (২) আদৰ্শৰ সংঘাত ঃ

বৃদ্ধ বিজয় ভৰালীয়ে পো-বোৱাৰীৰ পৰিয়ালত নিজক খাপ খুৱাব নোৱৰাৰ এটা কাৰণ আদৰ্শৰ সংঘাত। প্ৰজন্মৰ ব্যৱধান, নতুন মূল্যবোধৰ প্ৰতি আস্থাহীনতা, আচাৰ-আচৰণ আৰু দৃষ্টিভংগীৰ পাৰ্থক্যই ভৰালীৰ মনলৈ আদৰ্শৰ সংঘাত আনিছে। বোৱাৰীয়েক কমলাৰ দৈহিক আৰু আৱাসিক সুখ-স্বচ্ছন্দৰ প্ৰতি থকা মোহে বৃদ্ধজনক বেছিকৈ বিতুষ্ট কৰিছে। ভোগবাদী আৰু বস্তুবাদী লালসাৰে জীৱন যাপন কৰিব খোজা কমলাৰ মানসিকতাক বৃদ্ধ বিজয় ভৰালীয়ে মনেৰে স্বীকাৰ কৰিব পৰা নাই। আঁকোৰগোজ স্বভাৱৰ ভৰালীয়ে পুৰণি ভাবধাৰাক খামোচ মাৰি ধৰি ৰাখিব খোজাৰ কাৰণে পো-বোৱাৰীৰ আদৰ্শৰ লগত তেওঁ নিজৰ আদৰ্শৰ অমিল দেখা পাইছে। সাধাৰণতে জটিল মনৰ মানুহে নিজে ভোগ কৰিব নোৱাৰা বস্তু এটা আনে ভোগ কৰাটো সহজে মানি ল'ব নোৱাৰে। পত্নী ইলাই বহু কষ্ট-শ্ৰমৰ সাঁচতীয়া টকাৰে কিনা সপোনৰ মাটিটুকুৰাত বোৱাৰীয়েক কমলাই ঘৰ বন্ধাৰ যো-জা কৰাত ভৰালীৰ সৰল মনে মানি ল'ব পৰা নাই। তদুপৰি বোৱাৰীয়েকে জীৱনত ঘৰ এটাও বান্ধিব নোৱৰাৰ যি অভিযোগ ভৰালীৰ বিৰুদ্ধে আনিছে

২। উল্লিখিত, পৃ. ৯৭

৩। উল্লিখিত, পৃ. ১১০

তাতো তেওঁৰ মনৰ অসন্তুষ্টি স্পষ্টকৈ ধৰা দিছে। সেইবাবে বোৱাৰীয়েকৰ অভিযোগ স্বীকাৰ কৰি ভৰালীয়ে নিজেই স্বীকাৰোক্তি দিছে— “এৰা, ময়ে বৰ ভুল কৰি থ’লোঁ। অত বছৰ এনেয়ে মাটিডোখৰ পৰি থাকিল, ঘৰ এটা বান্ধিব ন’হ’ল আৰু।”[৪]

বিজয় ভৰালী-ইলা আৰু সঞ্জয়-কমলা— দুয়ো দম্পতীৰ মাজত থকা প্ৰজন্মৰ ব্যৱধান আৰু সামাজিক আচাৰ-আচৰণৰ পাৰ্থক্যই ভৰালীৰ জীৱনলৈ আদৰ্শৰ সংঘাত আনিছে। পৰম্পৰাবিশ্বাসী আৰু পুৰণি সংস্কাৰত আস্থা থকা পত্নী ইলাৰ গুণবোৰ বোৱাৰীয়েক কমলাৰ চৰিত্ৰত নেদেখি ভৰালীৰ মানসিক জটিলতাৰ সৃষ্টি হৈছে। কমলাৰ ভোগবাদী চিন্তা আৰু আচাৰ-আচৰণত তেওঁ পত্নীৰ লগত বোৱাৰীয়েকৰ আদৰ্শৰ অমিল দেখা পাইছে। পত্নী ইলাৰ শান্তিপ্ৰিয় স্বভাৱৰ বিপৰীতে কমলাৰ গৰ্ব, অহংকাৰ আৰু ভোগবাদী জীৱনৰ উচ্চাকাংক্ষাই বিজয় ভৰালীৰ মনত আদৰ্শৰ সংঘাত সৃষ্টি কৰিছে।[৫]

**(৩) অতীতৰ স্মৃতি ৰোমন্থন ঃ**

অতীতৰ স্মৃতি ৰোমন্থনে ব্যক্তিৰ মনৰ সজীৱতা বৃদ্ধি কৰে আৰু বাৰ্ধক্যত জীয়াই থকাৰ উৎসাহ-অনুপ্ৰেৰণা যোগায়। বৰ্তমানতকৈ অতীতত বিচৰণ কৰি আত্মতৃপ্তি লাভ কৰা বৃদ্ধ লোকৰ অতীতৰ স্মৃতি ৰোমন্থন এক আপুৰুগীয়া সম্পদ। বিশেষকৈ বাৰ্ধক্যত অতীতৰ স্মৃতি ৰোমন্থনেৰে বিগত যৌৱনক ধৰি ৰখাৰ এক প্ৰয়াস বৃদ্ধসকলৰ মনৰ অন্তঃকোণত লুকাই থাকে। বিজয় ভৰালীয়ে প্ৰয়াত পত্নী ইলাৰ অতীতৰ প্ৰেমৰ স্মৃতি ৰোমন্থন কৰি মনৰ মণিকোঠা সজীৱ কৰি তুলিছে। অতীতৰ স্মৃতি ৰোমন্থনেৰে ভৰালীয়ে পত্নীৰ অনুপস্থিতিত পূৰ্বতকৈও তেওঁৰ প্ৰতি থকা গভীৰ প্ৰেমৰ পৰিচয় দিছে। উপন্যাসখনত বিজয় ভৰালী আৰু ইলাৰ সংসাৰযাত্ৰাৰ বুজন অংশত অতীতৰ স্মৃতি ৰোমন্থন কৰা দেখা যায়।

ভৰালীৰ অতীতৰ স্মৃতি ৰোমন্থনত শহুৰেক ৰোহিণী দাসৰ উল্লেখ পোৱা যায়। ইলাৰ দৰে এগৰাকী

---

৪। উল্লিখিত, পৃ. ২৯

৫। ‘পানী শান্তি আৰু শীতলতাৰ প্ৰতীক ঃ গছৰ ডাল ঔপৰস্থৰ অহমিকা, গৰ্ব আৰু তললৈ চাব নোখোজা ঔদ্ধত্যৰ প্ৰতীক।’

প্ৰফুল্ল কটকী, *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*, পৃ. ১১১

সুগৃহিণীক ভৰালীয়ে জীৱনসংগী হিচাপে পাই শহুৰেকক কৃতজ্ঞতা যাচিছে। পত্নী ইলাৰ স্বামীভক্তি, কৰ্মপ্ৰেৰণা আৰু সুন্দৰ মনৰ বাবে ভৰালীয়ে বাৰ্ধক্যতো পত্নীৰ প্ৰেমৰ ৰোমন্থন কৰিছে। সেইবাবে পৰিয়ালৰ লগত হোৱা বিচ্ছেদত, অতীতৰ কালছোৱাত হতাশ নহৈ পত্নীৰ সৈতে ভৰালীয়ে সুখী জীৱনৰ বাটত আগবাঢ়িছে। পত্নীপ্ৰেমৰ সাফল্যই ভৰালীৰ এলেহুৱা স্বভাৱক পৰিৱৰ্তন কৰি কৰ্মস্পৃহা যোগাইছে। ভৰালীৰ অতীতৰ স্মৃতি ৰোমন্থনৰ আঁৰত আছে পত্নী ইলাৰ প্ৰতি থকা অফুৰন্ত প্ৰেম। আপোনপাহৰা কৰা ইলাৰ হাঁহিয়ে ভৰালীক বাৰ্ধক্যতো সকলো অভাৱ-অভিযোগ আঁতৰাই জীয়াই থকাৰ অনুপ্ৰেৰণা দিছে।

**(৪) মূল্যবোধ পৰিৱৰ্তন ঃ**

*এজন বুঢ়া মানুহ* উপন্যাসত তৰুণ আৰু বৃদ্ধ— দুয়োটা প্ৰজন্মৰ মূল্যবোধৰ পৰিৱৰ্তনৰ সংঘাতত যুগৰ পাৰিপাৰ্শ্বিকতাই ইন্ধন যোগোইছে। বিজয় ভৰালীয়ে পত্নীৰ মৃত্যুৰ পাছত সকলো কৰ্তব্য গৃহীৰ নিষ্ঠাৰে পালন কৰে যদিও তেওঁৰ উদাসীন স্বভাৱৰ কাৰণে পত্নীৰ মৃত্যুৰ পাছত তেওঁলোকৰ স্বপ্নৰ ঘৰখন সজোৱাৰ প্ৰতি ভৰালীয়ে কোনোদিনেই আগ্ৰহ প্ৰকাশ কৰা দেখা নগ'ল। বোৱাৰীয়েক কমলাৰ অভিযোগ— শহুৰেকে নগৰীয়া মাটিটুকুৰা এনেই পেলাই থৈ অকামিলা, অনুপযুক্ত আৰু মূৰ্খতাৰ পৰিচয় দিছে। পাছলৈ কিন্তু বোৱাৰীয়েক কমলাৰ কথাত ভৰালীয়ে হয়ভৰ দিয়াত পুত্ৰ সঞ্জয়ে নগৰীয়া মাটিটুকুৰাত ঘৰ এটা সজোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কমলাই দেখুওৱা নতুন ঘৰখনৰ নক্সাখন চাই প্ৰথম অৱস্থাত বিজয় ভৰালীৰ মনে আৰ্তনাদ কৰি উঠে। জীৱনৰ প্ৰকৃত সুখ-শান্তিৰ বিপৰীতে কমলাৰ দৈহিক আৰু আৱাসিক সুখ-স্বাচ্ছন্দ্যই বোৱাৰীয়েকৰ লগত ভৰালীৰ মূল্যবোধৰ সংঘাত আনিছে। মূল্যবোধৰ পৰিৱৰ্তনৰ সংঘাতে বৃদ্ধক আতংকিত কৰাই নহয়, জীৱন সম্পৰ্কে নতুনকৈ ভাবিবলৈও শিকাইছে। ড্ৰয়িং ৰুমত ভৰালীয়ে কম পোহৰত কিতাপ পঢ়া দেখি 'পাৱাৰফুল বাল্ব' এটা লগোৱাৰ কথা পুত্ৰই চিন্তা কৰাত বোৱাৰীয়েকে আপত্তি দৰ্শায়— "ঘৰৰ আৰাম, ঘৰৰ স্বাচ্ছন্দ্য ঘৰৰ মানুহৰ কাৰণে নহয়, আলহীৰ কাৰণেহে—।"[৬] তদুপৰি ভোগবাদী আকাংক্ষাৰে প্ৰকৃতি বিনষ্ট কৰা মানুহৰ মানসিকতা দেখি বিজয় ভৰালী ভৱিষ্যৎ

৬। উল্লিখিত, পৃ. ৭৭

প্ৰজন্মৰ বাবে চিন্তিত হৈ পৰিছে। মাতৃৰ মানৱীয় প্ৰমূল্যক স্বীকাৰ কৰা সংস্কাৰী পুত্ৰ সঞ্জয়ে পত্নী কমলাৰ বিপক্ষে প্ৰতিবাদ কৰাত ভৰালীয়ে আত্মসন্তুষ্টি লভিছে। গতিকে পুৰণি আৰু নতুন মূল্যবোধৰ পাৰ্থক্যই ভৰালীৰ মনত তীব্ৰ আঘাত কৰা উপন্যাসখনত পৰিদৃষ্ট হৈছে।

**(৫) জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস ঃ**

বাৰ্ধক্য-জীৱনৰ আন এটি জটিল মনস্তাত্ত্বিক সমস্যা জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস। প্ৰত্যেক ব্যক্তিয়ে মনৰ অৱদমিত ভাববোৰ আনৰ আগত ব্যক্ত কৰি মনৰ সমস্যাবোৰ পাতলাবলৈ চেষ্টা কৰে। বিশেষকৈ বাৰ্ধক্যত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস বৃদ্ধি পোৱা দেখা যায়। উপন্যাসখনত বৃদ্ধ বিজয় ভৰালীৰ স্বভাৱৰ প্ৰকৃতি আন বৃদ্ধ লোকতকৈ ব্যতিক্ৰম। পৰিয়ালৰ লগত, সমাজৰ লগত হৃলিগলি নকৰা এটি ব্যক্তিকেন্দ্ৰিক চৰিত্ৰ ভৰালীৰ ৰাগী কেৱল কিতাপ পঢ়াতেই। বোৱাৰীয়েক কমলাৰ ব্যৱহাৰত সন্ত্ৰস্ত বৃদ্ধজন সময়ত অপৰাধীৰ দৰে ভাবপ্ৰৱণ হৈ উঠিছে। ভৰালীয়ে নিজৰ ভাবপ্ৰৱণতাৰ বাবে জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস আনৰ আগত ব্যক্ত কৰিব পৰা নাই। নিজৰ ভাবত বিভোৰ হৈ থকা আন বৃদ্ধ চৰিত্ৰৰ দৰে ভৰালীও আনৰ কথা শুনা বা আনে তেওঁৰ সম্পৰ্কে কি ভাবে সেই বিষয়ে সদাব্যস্ত। নিঃসংগ জীৱনৰ বেদনা কাৰো আগত প্ৰকাশ কৰিব নোৱাৰি ভৰালীয়ে মনৰ মাজত সকলো গুঁজৰি-গুমৰি ফুৰিছে। আনকি কোনো কোনো সময়ত পো-বোৱাৰীয়ে কল্পনাৰাজ্যত ভৱিষ্যতৰ কেনে সপোন আঁকিছে জানিবলৈও তেওঁৰ উৎসুক মনে চেষ্টা কৰিছে। নতুন ঘৰৰ মূৰৰ কোঠালিত পো-বোৱাৰীয়ে থকাৰ ব্যৱস্থা কৰি দিয়া ভৰালীয়ে কিন্তু পো-বোৱাৰীৰ কথা শুনিবলৈ নাপাই কল্পনাতে অতীতৰ কথা-কাণ্ডবোৰ মনত খেপিয়াই ফুৰিবলৈ ধৰিছে। ৰোগাক্ৰান্ত ভৰালীয়ে বাৰ্ধক্যৰ শয্যাশায়ী অৱস্থাত জীৱনৰ অভিজ্ঞতাৰ কেইটামান বাস্তৱ সত্য বুজি উঠিছে। তেওঁক পৰিচৰ্যা কৰা নাৰ্ছগৰাকীৰ তাগিদা কেৱল টকাৰহে, অন্তৰৰ নহয়— সেই কথাও তেওঁ অৱশেষত স্বীকাৰ কৰি ল'বলৈ বাধ্য হৈছে। অন্তৰ্মুখী চৰিত্ৰ ভৰালীয়ে জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসৰ পৰা বিৰত থকাটো উপন্যাসখনত দৃষ্টিগোচৰ হৈছে।

**(৬) ব্যক্তিকেন্দ্ৰিক অহমিকা ঃ**

সমাজচেতনাৰ বিপৰীতে অৱসৰপ্ৰাপ্ত বিজয় ভৰালীৰ চৰিত্ৰত পৰিয়ালকেন্দ্ৰিক আৰু ব্যক্তিকেন্দ্ৰিক চেতনাই প্ৰাধান্য লভিছে। হীন জাতৰ ছোৱালী ইলাক বিয়া কৰোৱাৰ পাছৰে পৰা ঘৰখন আৰু সমাজখনৰ লগত বিচ্ছেদিত হৈও ভৰালী কিন্তু হতাশ হৈ পৰা নাই। ঘৰখন, হিতাকাংক্ষী বন্ধুসকল আৰু ৰক্ষণশীল সমাজৰ বিৰুদ্ধে গৈ ইলাক বিয়া পতাৰ যুক্তিয়ে ভৰালীৰ ব্যক্তিকেন্দ্ৰিক অহমিকাৰ পৰিচয় দিছে। ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বাবে ভৰালীয়ে এসময়ত নিজে, নিজৰ বিয়াৰ অভিভাৱক হৈ পত্নী ইলাক আজীৱন সুখী কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। পত্নীৰ মৃত্যুৰ পাছত একমাত্ৰ পুত্ৰ সঞ্জয়ক লৈ জীৱনৰ গতিত আগবঢ়াত ভৰালীৰ ব্যক্তিকেন্দ্ৰিক ভাব অধিক গাঢ় হ'বলৈ ধৰে। বাৰ্ধক্যত ভৰালীৰ ব্যক্তিকেন্দ্ৰিক চৰিত্ৰই মানসিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আত্মীয়-পৰিজনৰ লগত সম্পৰ্ক নৰখা ব্যক্তিকেন্দ্ৰিক চৰিত্ৰ ভৰালী বাৰ্ধক্যত মানসিকভাৱে অধিক নিঃসংগ আৰু একাকিত্বৰ সন্মুখীন হৈছে।

ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বাবে এলেহুৱা স্বভাৱৰ বৃদ্ধজনে বোৱাৰীয়েকে অসুবিধা পোৱা কোনো কামকে কৰা নাই। খোৱা-বোৱাত আপত্তি নথকা, অলপ-অচৰপ পৰিশ্ৰম কৰি গাটো চলা-ফুৰাৰ উপযুক্ত কৰি ৰখা, অৱসৰ পোৱাৰ পাছত যাতে কোনো বেয়া অভ্যাস গঢ় লৈ নুঠে, তাৰ প্ৰতি বৃদ্ধজন সদাসচেতন। পুত্ৰৰ স্নেহত অন্ধ ভৰালীৰ কিন্তু বোৱাৰীয়েক কমলাৰ প্ৰতি ভাবনা গভীৰ নহয়। পুত্ৰৰ শান্ত-শিষ্ট প্ৰকৃতিক লৈ কৰা অহংকাৰ, নিজৰ পেন্সনৰ টকাৰে স্বাৱলম্বী হৈ থকা, নিজৰ আৰ্জনৰ টকাৰে পুত্ৰক গাড়ী কিনি দিয়া— সকলো কৰ্তব্যকে ভৰালীয়ে নিয়াৰিকৈ পালন কৰিছে। বাৰ্ধক্যত সদাসচেতন হৈ থকা বৃদ্ধজন কিন্তু নিজাকৈ ঘৰ এটা সজাব নোৱাৰাৰ অপৰাধত বোৱাৰীয়েকৰ ওচৰত দোষী হৈ ৰয়। সেই দোষ গাত পাতি লৈ ভৰালীয়ে পো-বোৱাৰীৰ আগত নিজকে অপৰাধী বুলি ভাবিবলৈ লয়। সেইবাবে বোৱাৰীয়েক কমলাই নতুন ঘৰৰ নক্সাখন বিজয় ভৰালীক দেখুওৱাৰ লগে লগে তেওঁৰ ব্যক্তিকেন্দ্ৰিক অহমিকাই নীৰৱে আৰ্তনাদ কৰি উঠে। নিজৰ সপোনৰ মাটিটুকুৰাত পো-বোৱাৰীয়ে সজা ঘৰখনত অপৰাধীৰ দৰে জীৱন যাপন কৰিব লগাত ভৰালীৰ ব্যক্তিকেন্দ্ৰিক অহমিকাত আঘাত লাগে। আনক সন্তুষ্ট কৰিব নজনা, আনৰ বাবে ভাবিব নোৱৰা ব্যক্তিকেন্দ্ৰিক চৰিত্ৰ ভৰালীয়ে নিজৰ আঁকোৰগোজ স্বভাৱৰ বাবে বাৰ্ধক্যত নিজৰ পৰিয়ালটোৰ লগত মিলিব নোৱাৰি অশান্তিৰে জীৱনৰ অৱসান ঘটায়।

**(৭) জীৱনপ্ৰীতি ঃ**

জীৱনৰ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ, ভালপোৱা প্ৰতিজন লোকৰে এক চাৰিত্ৰিক বৈশিষ্ট্য। জীৱন সম্পৰ্কে জ্ঞান নথকাজনেও জীৱনপ্ৰীতিৰে জীৱনক হেৰুৱাব নিবিচাৰে। চেতনা আৰু চিন্তাশীল ব্যক্তিমাত্ৰেই মৃত্যু-সচেতন। জীৱনৰ লগত অংগাংগীভাৱে জড়িত মৃত্যুচেতনাই মানুহৰ মনত নানা আহুকালৰ সৃষ্টি কৰে। গভীৰ চিন্তাত ডুবি থকা বৃদ্ধ ভৰালী কিন্তু মৃত্যু সচেতন নাছিল। মৃত্যুৰ লগত তেওঁৰ পৰিচয় কেৱল কিতাপৰ যোগেদিহে। পত্নীপ্ৰেমে ভৰালীক মৃত্যু সম্পৰ্কেও সচেতন কৰি তোলা উপন্যাসখনত দেখা যায়। পুত্ৰ সঞ্জয়ৰ আঠ বছৰ বয়সত কেইদিনমান জ্বৰত ভোগী মৃত্যুক সাবটি লোৱা পত্নীৰ আকস্মিক মৃত্যুৱেই বৃদ্ধ ভৰালীৰ জীৱনৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডী। পত্নীপ্ৰেমৰ বাবে কোনোদিনে ভূত বিশ্বাস নকৰা, ভূতৰ লগত মুখামুখি হ'ব নিবিচৰা ভৰালীয়ে পত্নী ইলাক ভূতৰ ৰূপত চাবলৈও মনত হেঁপাহ পুহি ৰাখিছে। ভৰালীৰ জীৱনৰ আশা— এই জীৱনত নহ'লেও পৰজনমত পত্নীৰ সৈতে তেওঁৰ সাক্ষাৎ নিশ্চিত। সেই আশা লৈ বৃদ্ধই জীৱনপ্ৰীতিৰে বাৰ্ধক্য অতিবাহিত কৰিছে।

কেন্সাৰ ৰোগত আক্ৰান্ত আৰু শয্যাশায়ী ভৰালীয়ে মনে-প্ৰাণে পৰিয়ালৰ কোনো এজন সদস্য তেওঁৰ ওচৰত অনবৰতে বহি থকাটো বিচাৰে। পুত্ৰ সঞ্জয়ে দেউতাকৰ পৰিচৰ্যা কৰিবলৈ ছুটী লৈ ঘৰতে থাকিব বিচাৰে যদিও ভৰালীয়ে সেই সময়ত 'এতিয়াই দৰকাৰ নাই'[৭] বুলি প্ৰতিবাদ কৰি উঠে। জীৱনপ্ৰীতিৰ বাবে শয্যাশায়ী অৱস্থাতো ভৰালীয়ে নিজৰ মৃত্যু কামনা কৰা নাই। পুত্ৰৰ সুখী জীৱন চোৱাৰ আশা আৰু সেই আশাৰ পৰা বঞ্চিত হোৱাৰ অনুভৱে বৃদ্ধক ভগৱানৰ ওচৰত অভিমানী কৰি তুলিছে— "হে উদাসীন পৃথিৱী, আমাকে সম্পূৰ্ণ ভোলবাৰ আগে, তোমাৰ নিৰ্মম পদপ্ৰান্তে আজ ৰেখে যাই আমাৰ প্ৰণতি।"[৮]এনেদৰেই পুত্ৰস্নেহত আকুল বিজয় ভৰালীৰ জীৱনপ্ৰীতি হতাশাৰে ম্লান পৰিছে।

---

৭। উল্লিখিত, পৃ. ১১১

৮। উল্লিখিত

**(৮) শাৰীৰিক অসুস্থতাৰ সমস্যা ঃ**

শাৰীৰিক অসুস্থতা বাৰ্ধক্যৰ এক জটিল আৰু গুৰুত্বপূৰ্ণ মানসিক সমস্যা। উপন্যাসখনৰ নায়ক বৃদ্ধ বিজয় ভৰালী কেন্সাৰ ৰোগত আক্ৰান্ত এগৰাকী ৰোগী। ব্যক্তিৰ শৰীৰত থকা ৰোগ প্ৰতিৰোধ বা অনাক্ৰমণতন্ত্ৰৰ ক্ষমতাই যৌৱনত যেনেদৰে ৰোগ প্ৰতিৰোধ কৰিব পাৰে, বাৰ্ধক্যত কিন্তু তেনেদৰে নোৱাৰে। বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয়ৰ বাবে দেহৰ প্ৰতিৰোধ ক্ষমতা লাহে লাহে কমি আহিবলৈ ধৰে। শৰীৰত থকা ৰোগ প্ৰতিৰোধ কৰা অনাক্ৰমণতন্ত্ৰ (immunity system)ৰ মুখ্য কাম আণৱিক তথ্য সংগ্ৰহ কৰা, বিশেষকৈ কেন্সাৰ জাতীয় ৰোগ প্ৰতিৰোধ কৰা। প্ৰতিজন মানুহৰ শৰীৰত অবিকশিত অৱস্থাত থকা কেন্সাৰ কোষ, বাৰ্ধক্যত কোষৰ মাত্ৰাধিক বিভাজনৰ বাবে ৰাতিটোৰ ভিতৰতে অস্বাভাৱিক ৰূপত বৃদ্ধি পাবলৈ ধৰে। এনে কেন্সাৰ কোষে প্ৰতিবেশী কোষৰ পৰা খাদ্য সংগ্ৰহ কৰি অধিক সবল ৰূপত দ্ৰুতগতিত শৰীৰৰ আন আন অংশলৈ স্থান পৰিৱৰ্তন কৰে। কলিজাত বাহ লোৱা বিজয় ভৰালীৰ এনে মাৰাত্মক ৰোগবিধে বাৰ্ধক্যত তেওঁক অসহায় কৰি তুলিছে।

> চকু দুটা মুদি অসাৰভাৱে পৰি আছিল বিজয় ভৰালী। সেইফালে চাই সঞ্জয়ে দেখিলে— বহুত দিন নুখুৰোৱা আধা-পকা আধা-কেঁচা ডাঢ়িৰ তলতো দেউতাকৰ সোমাই যোৱা গাল দুখনৰ গাঁত দুটা খুব প্ৰকট হৈ পৰিছে, মুদ খাই যোৱা চকুহালৰ গুৰিত অলপ অলপ ফেচ্‌কুৰি জমা হৈ আছে, মুখখন বৰ অসহায়ভাৱে অলপ মেল খোৱা, কেইটামান মাখি ভন্‌ভন্‌াই উৰি মুখখনৰ অ'ত-ত'ত বাৰে বাৰে পৰি আছে, হাড়-ছালসৰ্বস্ব অতি শীৰ্ণ হাত এখন গাত থকা কম্বলখনৰ তলৰ পৰা বাহিৰ হৈ বিছনাৰ কাষেদি ওলমি আছে—[৯]

কেন্সাৰ ৰোগত আক্ৰান্ত ব্যক্তিৰ মৃত্যু অৱধাৰিত বুলি বৃদ্ধ ভৰালী কিন্তু জ্ঞাত। সেয়ে পুত্ৰ সঞ্জয়ে পিতৃৰ বাৰ্ধক্যজনিত ৰোগৰ যন্ত্ৰণা উপশমৰ বাবে ডাক্তৰৰ পৰামৰ্শ মতে ভেলোৰলৈ নিবলৈ বিচৰাত ভৰালীয়ে পুত্ৰৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে— "যন্ত্ৰণাৰ দিনবোৰ দীৰ্ঘতৰ কৰাৰ দৰকাৰ কি? মোক শান্তিৰে মৰিবলৈ দে পোনা।"[১০] পত্নী ইলাই হেঁপাহেৰে, বহু কষ্টৰে সঁচা ধনেৰে কিনা মাটিটুকুৰাত থকা পুত্ৰৰ ঘৰ

---

৯। উল্লিখিত

১০। উল্লিখিত, পৃ. ১০৮

এৰি, পত্নীৰ অতীতৰ স্মৃতি এৰি আন ঠাইলৈ যাবলৈ ভৰালী কোনোমতেই ৰাজী নহ'ল— "মোক শান্তিত মৰিবলৈ দে পোনা। এই বুঢ়া বেমাৰী দেহাটোক আৰু টনা-আঁজোৰা কৰি কষ্ট নিদিবি।"[১১] এইটুকুৰা মাটিত শেষ নিশ্বাস পেলাব পাৰিলে বৃদ্ধৰ জীৱন সাৰ্থক হ'ব বুলি তেওঁ পুত্ৰক জনায়। পুত্ৰ সঞ্জয়ে পিতৃৰ শেষ ইচ্ছাক শ্ৰদ্ধা জনাই ঘৰতে নাৰ্ছ ৰাখি দেউতাকৰ পৰিচৰ্যা কৰায়। প্ৰথম অৱস্থাত উঠি-লৰি ফুৰা ভৰালী ক্ৰমে বিছনাৰ পৰা উঠিব নোৱাৰা হৈ আহে। অনবৰতে বিছনাত পৰি থাকিব লগা, শুই শুই জীৱন কটাব লগা ভৰালীৰ মনৰ ভাববোৰ ক্ৰমান্বয়ে অস্পষ্ট, ধূসৰ হৈ আহিবলৈ ধৰে। শয্যাশায়ী ভৰালীৰ ৰাতিপুৱা, দুপৰীয়া, সন্ধিয়া— দিন গৈ ৰাতি আৰু ৰাতি গৈ দিন বাগৰে; তেওঁ কেৱল শুয়ে থাকে— কেতিয়াবা চকু মেলি, কেতিয়াবা চকুকেইটা মুদি। বাহিৰৰ জগতখনৰ খবৰ ল'বলৈ, নাতিয়েকৰ থুনুক-থানাক মাত এষাৰ শুনিবলৈ তেওঁৰ মনে হাহাকাৰ কৰি উঠে। খিৰিকীৰ সিফালে থকা প্ৰচণ্ড পকী দুমহলীয়া ঘৰৰ ফাঁকেৰে অকণমান নীলা আকাশ চাবলৈ ভৰালীৰ চকুহাল ব্যগ্ৰ হৈ পৰে। কিন্তু ব্যৰ্থ আশাৰে খিৰিকীখনৰ ওচৰৰ পৰা তেওঁৰ চকু দুটা ঘূৰি আহে। শাৰীৰিক যন্ত্ৰণাৰ লগতে ভৰালীৰ মানসিক যন্ত্ৰণাৰ ছবিখনো উপন্যাসখনত স্পষ্ট হৈ ধৰা দিছে।

> কেতিয়াবা চকু দুটা মেলি, কেতিয়াবা চকু দুটা মুদি। ৰোগৰ যন্ত্ৰণাত কিন্তু বেছিভাগেই টোপনি নাহে, কেৱল কিবা এটা আচ্ছন্ন ভাবে তেওঁক আৱৰি থাকে। মাজে মাজে তেওঁৰ সময়ৰ খবৰ ল'বলৈ মন যায়, আগফালৰ বাৰাণ্ডাত বহি চাই থকা আলিবাটৰ জ্বলন্ত জগতখনৰ খবৰ জানিবলৈ মন যায়... কিমান বা বাজিল এতিয়া...[১২]

শাৰীৰিক যন্ত্ৰণাত চট্‌ফটাই পত্নীৰ অভাৱ অনুভৱ কৰা বৃদ্ধ ভৰালীয়ে মনে-প্ৰাণে বিচাৰে কোনোবা এজন তেওঁৰ কাষত অনবৰতে বহি থকাটো, কিন্তু সেই সঁহাৰি তেওঁ পো-বোৱাৰী কাৰোৰে পৰা নাপায়। মুখত পৰি থকা মাখিবোৰ আঁতৰাবলৈ বৃথা চেষ্টা কৰা বৃদ্ধৰ মনৰ ভাব হ'ল তেওঁক শুশ্ৰূষা কৰিবলৈ ৰখোৱা নাৰ্ছগৰাকীৰ তাগিদা কেৱল অৰ্থৰহে, অন্তৰৰ নহয়। সঞ্জয়ে পিতৃৰ শুশ্ৰূষাৰ বাবে চাকৰিৰ পৰা ছুটী ল'ব বিচাৰে যদিও ভৰালীয়ে নিজেই সেই সুবিধা ল'ব বিচৰা নাই। উপন্যাসখনত ভৰালীৰ শাৰীৰিক

---

১১। উল্লিখিত

১২। উল্লিখিত, পৃ. ১০৯

যন্ত্ৰণাই এটা সময়ত মানসিক যন্ত্ৰণাক তীব্ৰ কৰি তুলিছে।

**(৯) শৈক্ষিক মূল্যবোধৰ অভাৱঃ**

সাম্প্ৰতিক তথাকথিত সমাজৰ শৈক্ষিক মূল্যবোধৰ অভাৱ বৃদ্ধ লোকৰ মনৰ জটিলতা সৃষ্টিৰ আন এক কাৰক। বৃদ্ধ বিজয় ভৰালীয়ে অল্পশিক্ষিত পত্নী ইলাৰ শৈক্ষিক মূল্যবোধৰ লগত গুণী, শিক্ষিতা, সংযত আৰু ব্যৱহাৰিক জীৱনত আস্থা থকা শিক্ষয়িত্ৰী বোৱাৰীৰ শৈক্ষিক মূল্যবোধৰ তুলনা আনিব বিচাৰিছে। ভৰালীয়ে লগ পোৱা অতীতৰ সেই দিনত পত্নী ইলা আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নাছিল। ব্যৱহাৰিক জীৱনত কিতাপৰ শিক্ষাকে ইলাই সাৰথি কৰি চলা বিজয় ভৰালীৰ অতীতৰ স্মৃতিত ধৰা দিছে।

> —কিন্তু অলপ শিক্ষিতা ইলাই ঘৰত বহি বহি কিমান কিতাপ পঢ়িছিল! কেনেকৈ কিতাপৰ কথাবোৰ জীৱনৰ লগত ওতপ্ৰোতভাৱে সুমুৱাই ল'ব পাৰিছিল, তাৰ বাবেই বোধহয় তেওঁৰ জীৱনটো ইলাই ইমান বৰ্ণাঢ্য, ইমান সজীৱ কৰি ৰাখিব পাৰিছিল।[১৩]

কিন্তু ইলাৰ তুলনাত উচ্চশিক্ষিত শিক্ষয়িত্ৰী বোৱাৰী কমলাৰ শিক্ষাক লৈ বৃদ্ধ ভৰালী কিন্তু সন্তুষ্ট হ'ব পৰা নাই। ইলাতকৈ হাজাৰগুণে শিক্ষিতা কমলাই কোনোদিন ভাল কিতাপ এখন পঢ়ি শিক্ষাৰ চৰ্চা কৰা ভৰালীয়ে দেখা নাই। জীৱিকাৰ ঠেক গণ্ডীত শিক্ষাৰ মহত্ত্বক বন্দী কৰি ৰখা কমলাৰ শিক্ষাক লৈ সন্দিহান ভৰালীৰ মনত বহু প্ৰশ্নই হেতা-ওপৰা লগাইছে— "শিক্ষাৰ প্ৰকৃত অৰ্থ বাৰু কি? জীৱনৰ লগত নহয়— অকল জীৱিকাৰ লগত সম্বন্ধ যি শিক্ষাৰ, সেই শিক্ষাই মানুহৰ জীৱনক কিমানখিনি কি দিব পাৰে?"[১৪] নিজক সজাবলৈ কপালৰ সেন্দূৰৰ ফোঁটটোতকৈ 'সস্তা আৰু মূল্যৱান' অলংকাৰ একোৱেই নাই বুলি ভবা পত্নী ইলাৰ কথাষাৰে বৃদ্ধৰ স্মৃতিক জগাই তুলিছে— "ভাবিছিলোঁ— 'শাৰী-গহনা-গাড়ী'ৰ কামনা সকলো মাইকী মানুহৰে কম-বেছি পৰিমাণে আছেই। কিন্তু তুমি যে কিয় ইয়াৰ ব্যতিক্ৰম হ'লা।"[১৫] সঁচাকৈয়ে পত্নীৰ ৰুচিৱান আৰু সাংস্কৃতিক শিক্ষাৰ বাবে ভৰালীয়ে আপোন পৰিয়ালটোক লৈ গৌৰৱ

---

১৩। উল্লিখিত, পৃ. ৫৫

১৪। উল্লিখিত

১৫। উল্লিখিত, পৃ. ৫৭

অনুভৱ কৰিছে। পত্নীৰ আদৰ্শ, মমত্ব আৰু দায়িত্ববোধে পুত্ৰ সঞ্জয়ক দ্বিতীয় এটা বিজয় ভৰালী কৰি তোলাৰ কল্পনাত ভৰালী আত্মগৌৰৱী আৰু মনৰ আনন্দত উৎফুল্লিত হৈ উঠিছে। পত্নীৰ লগত বোৱাৰীয়েকৰ শৈক্ষিক মূল্যবোধৰ পাৰ্থক্য দেখি বৃদ্ধ ভৰালীৰ মনৰ জটিলতা কোনো কোনো সময়ত বৃদ্ধি পোৱাটো উপন্যাসখনত দেখা যায়। স্বপ্নবিলাসী, অকামিলা আৰু অনুপযুক্ত বৃদ্ধৰ প্ৰতি বোৱাৰীয়েকৰ ভাল ভাব নাই বুলি ভৰালীয়ে মনত এক বদ্ধমূল ধাৰণা লৈ ফুৰিছে। আনকি তেওঁক লৈ বোৱাৰীয়েক কমলা যে সম্পূৰ্ণ সন্তুষ্ট নহয়, সেই কথা তেওঁ মনে-প্ৰাণে বিশ্বাস কৰে। সেইবাবে ভৰালীয়ে পত্নী-বোৱাৰী দুয়োৰে মনৰ ধাৰণা তুলনাৰে দৃঢ় কৰি লৈছে। ইলাই জীৱনটোক সৎ-সুন্দৰ আৰু মংগলময় কৰি তুলিবলৈ আন্তৰিক প্ৰচেষ্টা চলোৱাৰ পৰিৱৰ্তে কমলাই 'আচাৰ-অনুষ্ঠানৰ ক্ষেত্ৰত আগৰ অশিক্ষিতা মহিলাসকলৰ দৰেই কুসংস্কাৰাচ্ছন্ন'[১৬] বুলি ভৰালীয়ে মনত এক ভ্ৰান্ত ধাৰণা পুহি ৰাখিছে। বোৱাৰীয়েক কমলাই পুত্ৰ ৰূপুক দ্বিতীয় এটা সঞ্জয় কেতিয়াও হ'বলৈ নিদিয়ে বুলি প্ৰত্যাহ্বান জনোৱা দেখি ভৰালী শংকিত হৈ পৰিছে। নাতিয়েক ৰূপুক কমলাই এনেদৰে ডাঙৰ কৰিব বিচাৰে, য'ত সি 'জীৱনত এলাহ কাক কয় নেজানিব, বেহিচাপ কাক কয় নেজানিব আৰু বাজে ছেণ্টিমেণ্টৰ বাবে কেতিয়াও প্ৰশ্ৰয় নাপাব'।[১৭] বোৱাৰীয়েকৰ এনে চিন্তা-চেতনাত ভৰালীয়ে শৈক্ষিক মূল্যবোধৰ অভাৱ দেখা পাইছে। গতিকে বোৱাৰীয়েক কমলাৰ শৈক্ষিক মূল্যবোধৰ অভাৱ দেখি বৃদ্ধ ভৰালীৰ মনত জটিলতা আৰু অশান্তিৰ সৃষ্টি হৈছে।

**(১০) নগৰীয়া জীৱনৰ যন্ত্ৰণা ঃ**

দৰং জিলাৰ মঙলদৈ অঞ্চলৰ এখন অখ্যাত গাঁৱৰ বাসিন্দা, পঢ়াশুনাত মেধাৱী বিজয় ভৰালীয়ে কলেজীয়া শিক্ষা গুৱাহাটী চহৰত গ্ৰহণ কৰি পাছলৈ ৰোহিণী দাস নামৰ এজন বিষয়াৰ তলত চাকৰি কৰিবলৈ লয়। ভৰালীৰ অমায়িক স্বভাৱৰ বাবে ৰোহিণী দাসে জীয়াৰী ইলাক ভৰালীলৈ বিয়া দিয়ে। ভৰালীৰ ৰক্ষণশীল ঘৰখনে কিন্তু হীন জাতৰ ছোৱালী ইলাক বোৱাৰী হিচাপে গ্ৰহণ নকৰাত ঘৰখনৰ পৰা ভৰালী বিচ্ছেদিত হৈ পৰে। পত্নীৰ কথামতে বিজয় ভৰালীয়ে দুকঠা মাটি গুৱাহাটী চহৰত কিনি থয় যদিও সপোনৰ ঘৰখন হোৱাৰ আগতেই পত্নীৰ মৃত্যু হয়। পত্নীৰ মৃত্যুৰ পাছত ইঞ্জিনীয়াৰ পুত্ৰ সঞ্জয়ৰ

১৬। উল্লিখিত, পৃ. ৯৩

১৭। উল্লিখিত, পৃ. ৯৬, ৯৭

সৈতে বৃদ্ধ ভৰালীয়ে গুৱাহাটী ৰিফাইনেৰীৰ চাৰিটা কোঠালিযুক্ত সৰু কোৱাৰ্টাৰত থাকিবলৈ লয়। প্ৰত্যেকটো কোঠালি ইমানেই ঠেক যে কমলাক বোৱাৰী কৰি অনাৰ পাছৰে পৰা আলহী-অতিথি আহিলে ভৰালীয়ে অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰে। "বিজয় ভৰালী থকা ঠেক কোঠালি আৰু ঠেক হৈ যায়। কিন্তু ঘৰটোতকৈও বেছি যেন সংকুচিত হৈ পৰে বিজয় ভৰালী নিজে।"[১৮] বোৱাৰীয়েক কমলাৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ভৰালীয়ে আগফালৰ বাৰাণ্ডাৰ বেতৰ চকীখনত কিতাপ পঢ়ি টোপনিয়াই দিনটোৰ বেছিভাগ সময় অতিবাহিত কৰে। নগৰীয়া জীৱনৰ আপোন ঘৰখনৰ সুসজ্জিত ড্ৰয়িং ৰুমৰ কোমল-নৰম কুচনবোৰৰ স্বাচ্ছন্দ্যই বৃদ্ধ ভৰালীক আৰামৰ পৰিৱৰ্তে যেন অপৰাধীহে সজাইছে। ইয়াৰ প্ৰমাণ উপন্যাসখনত স্পষ্টকৈ পোৱা যায়।

> সেই কাৰণে কোমল-নৰম কুচনবোৰৰ স্বাচ্ছন্দ্যয়ো তেওঁক কোনো আৰাম দিব নোৱাৰে। তেওঁ বহাৰ ফলত যে কুচনবোৰৰ ঢাকনিবোৰৰ ইস্ত্ৰি ভাগি যাব, লেতেৰা হ'ব, তলত পাৰি থোৱা চাফা কাৰ্পেটত তেওঁৰ ভৰিৰ ধূলি পৰিব, আৰু ফলত কমলা নিশ্চয় তেওঁৰ ওপৰত মনে মনে ৰুষ্ট হ'ব।[১৯]

ভৰালীয়ে পূৰ্বতকৈ নগৰীয়া জীৱনত বেছি অস্বস্তি অনুভৱ কৰিবলৈ ধৰে। নিজৰ জীৱনৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া এজন অপৰাধীৰ দৰে সংকুচিত আৰু সচেতনতাৰে প্ৰতিটো মুহূৰ্ত নগৰীয়া ঘৰখনত কটাবলগীয়া হৈছে। ৰিফাইনেৰীৰ ঘৰটো এৰি এটা সময়ত ভৰালীয়ে তেওঁৰ মাটিটুকুৰাত পো-বোৱাৰীয়ে সজাই লোৱা সাতটা কোঠালিযুক্ত ঘৰটোত থাকিবলৈ লয়। নগৰীয়া ঘৰখনৰ মূৰৰ কোঠালিৰ পৰা বাটৰ জনসমাগম চাই থাকিব পৰাকৈ পো-বোৱাৰীয়েও তেওঁক সুব্যৱস্থাই কৰি দিয়ে। বাটৰ মানুহ, গাড়ীৰ কোলাহল আৰু নগৰীয়া জীৱনত দিন অতিবাহিত কৰা বৃদ্ধ ভৰালীৰ নিঃসংগতাৰ বেদনা কিন্তু পূৰ্বতকৈ বৃদ্ধি পোৱাহে উপন্যাসখনত দেখা গৈছে।

ভৰালীৰ মতে আধুনিক মানুহক নিখুঁত কৰাৰ বাবে নগৰীয়া জীৱনৰ ৰুচিবোধ আৰু কালচাৰ সলনি হৈছে। নগৰীয়া জীৱন সম্পৰ্কে ভৰালীৰ মনৰ ধাৰণা সন্তোষজনক নহয়। "জীৱনবোৰ জটিল হৈ পৰিছে সঁচা— কিন্তু এই জটিলতাই যে প্ৰগতিৰ নিদৰ্শন। কিন্তু লগে লগে জীৱনত কিমান আৰাম, কিমান স্বাচ্ছন্দ্য

১৮। উল্লিখিত, পৃ. ১৬

১৯। উল্লিখিত, পৃ. ৭৪

বাঢ়িছে— সঁচাইতো—।"[২০] নগৰীয়া মানুহে জীৱনক সৰস-বৈচিত্র্যপূর্ণ কৰি, সুন্দৰ নিখুঁত হিচাপে যাপন কৰিব পাৰিছে যদিও কিবা এটা বিচাৰি যেন সকলো হাবাথুৰি খাই ফুৰিছে। মানুহে নগৰীয়া জীৱন-যন্ত্রণাত বিচাৰি ফুৰা আটাইতকৈ মূল্যৱান বস্তুটো হ'ল হৃদয় আৰু হৃদয়হীন অৱস্থাই নগৰীয়া জীৱন-যন্ত্রণাৰ মূল কাৰক বুলি ভৰালীৰ মনৰ এক ধাৰণা। "ইমান বিৰাট অগ্রগতিৰ মাজত কি অভাৱবোধে তেওঁক ইমান পীড়িত কৰি মাৰিছে? বুকু ঠেলি এটা দীর্ঘশ্বাস বাহিৰ হৈ আহে বিজয় ভৰালীৰ। সেই বস্তুটোৰ নাম বোধহয় হৃদয়।"[২১] গতিকে নগৰীয়া জীৱনে ভৰালীৰ মানসিক জগতলৈ যন্ত্রণা কঢ়িয়াই আনিছে।

**(১১) অন্যান্য কাৰণ ঃ**

উপন্যাসখনত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন কেইটামান কাৰক বৃদ্ধ বিজয় ভৰালীৰ চৰিত্রত দেখা যায়। সেই কাৰকসমূহ হ'ল— মনৰ নিৰুৎসাহ আৰু ভাবুক প্রকৃতিয়ে মনলৈ অনা জটিলতা। পুত্রস্নেহৰ বাবে বিজয় ভৰালীয়ে 'লক্ষ্মী-সৰস্বতী' বুলি আনন্দৰে আশীর্বাদ দি নিজে পছন্দ কৰি অনা বোৱাৰীয়েক কমলাৰ প্রতি পৰৱর্তী সময়ত মনৰ ধাৰণা সলনি হৈছে। বোৱাৰীয়েক কমলা তেওঁক লৈ পূৰাপূৰি সন্তুষ্ট নোহোৱাৰ এক বদ্ধমূল ধাৰণা ভৰালীয়ে মনৰ গোপন কোণত পুহি ৰাখিছে। আনকি বোৱাৰীয়েকক লৈ সুখী নোহোৱাৰ এক সঁচা প্রতিচ্ছবি বৃদ্ধজনৰ স্বভাৱত প্রকাশ পাইছে। পুত্রই নিজ পছন্দৰ ছোৱালী বিয়া কৰালে বেছি সুখী হোৱাৰ ধাৰণা ভৰালীৰ মনৰ ভাবত প্রকাশ পাইছে। জীৱনৰ বিয়লি বেলাত আত্ম-অনুশোচনাত দগ্ধ বৃদ্ধ ভৰালীয়ে পুত্রক সুখী জীৱনৰ পৰা বঞ্চিত কৰাৰ কাৰণ হিচাপে নিজকো মনৰ কাঠগৰাত থিয় কৰাইছে। উপন্যাসখনত সময় আৰু পৰিৱেশত মনৰ গুৰুত্ব সলনি হোৱা ভৰালীৰ চাৰিত্রিক দিশৰ প্রতিফলন ঘটিছে। উপন্যাসখনত মন কৰিবলগীয়া আন এটা গুৰুত্বপূর্ণ তথ্য হ'ল— বার্ধক্যৰ যন্ত্রণা তিৰোতাতকৈ পুৰুষৰ জীৱনত ব্যাপক। বৃদ্ধ বিজয় ভৰালীয়ে নিজ মুখে এই কথা স্বীকাৰ কৰিছে—

২০। উল্লিখিত, পৃ. ১০১

২১। উল্লিখিত, পৃ. ১০২, ১০৩

> মাইকী মানুহ হ'লে বাৰ্দ্ধক্যৰ এই ভয়াৱহতা কিন্তু সিমান ব্যাপক নহয়, কাৰণ মাইকী মানুহৰ লগত মৃত্যুৰ প্ৰায় আগলৈকে সংসাৰখন কিবা প্ৰকাৰে নহয় কিবা প্ৰকাৰে এক ৰকম আষ্টে-পৃষ্ঠে বন্ধা থাকে। সংসাৰৰ চাকৰি চিৰদিনীয়া। কিন্তু চৰকাৰৰ চাকৰিৰ সময় ধৰা-বন্ধা। এই বৃদ্ধ পুৰুষসকলৰ বহুতেই তেতিয়া যাকে পায় তাৰে লগত কথা পাতি পাতিয়েই এনে অতৰ্কিতে আহি পৰা অখণ্ড সময়ৰ ভাৰ কিছু লাঘৱ কৰিবলৈ প্ৰয়াস কৰে।[২২]

গতিকে এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ বহুকেইটা কাৰক বৃদ্ধ বিজয় ভৰালীৰ চৰিত্ৰৰ মাজেৰে উপন্যাসখনত প্ৰতিফলিত হৈছে।

**অন্যান্য উপন্যাস ঃ**

নিৰুপমা বৰগোহাঞিৰ অন্যান্য কেইবাখনো উপন্যাসত বৃদ্ধসকলৰ মনস্তত্ত্বৰ জটিলতাৰ কাৰণ প্ৰত্যক্ষ কৰা হৈছে। বৰগোহাঞিৰ *অন্তঃস্ৰোতা* উপন্যাসত বিবাহযোগ্য এগৰাকী যুৱতীৰ বিবাহ প্ৰস্তাৱ দৰাঘৰে নাকচ কৰাক লৈ বৃদ্ধা মাতৃৰ মনৰ দুশ্চিন্তা উপন্যাসখনত উপস্থাপন কৰা হৈছে। জীয়েকৰ বিবাহ প্ৰস্তাৱক লৈ ইতিবাচক সঁহাৰি পাব বুলি মনে মনে ভাবি থকা বৃদ্ধা মাতৃৰ স্বপ্নভংগৰ চিত্ৰ উপন্যাসখনত ফুটাই তোলা হৈছে। পাছলৈ জীয়েকক দ্বিতীয় পত্নী কৰাৰ আশাৰে পূৰ্বৰ দৰাঘৰে অভিভাৱকৰ অনুমতি বিচৰাত বৃদ্ধা মাতৃয়ে ঈৰ্ষা, অপমানবোধত ক্ষুব্ধ হৈ মিছা প্ৰতিবন্ধকেৰে বিয়াখনত বাধা দিছে। জীয়েকৰ সুখৰ সংসাৰৰ কল্পনাৰে এসময়ত আত্মহাৰা বৃদ্ধা মাতৃৰ আত্মাভিমানৰ জটিল স্বৰূপ উপন্যাসখনত দাঙি ধৰা হৈছে। মাতৃগৰাকীৰ কালানুক্ৰমিক বয়সৰ উল্লেখ উপন্যাসখনত পোৱা নাযায়। কালানুক্ৰমিক বয়সৰ হিচাপেৰে মাতৃগৰাকী বয়োবৃদ্ধ নহ'লেও জীৱনৰ অভিজ্ঞতা আৰু দৰিদ্ৰতাই কোঙা কৰা এগৰাকী মানসিক বৃদ্ধা। মনৰ অৱচেতনাত অধ্যাপক জোঁৱায়েকৰ সপোন ৰচা বৃদ্ধা মাতৃয়ে জীয়েকক অধ্যাপক জোঁৱাইলৈ দিব বিচৰাৰ মনৰ জটিল প্ৰকাশ উপন্যাসখনত পৰিলক্ষিত হৈছে। সেইবাবে জীয়েকৰ বিয়া অধ্যাপক জোঁৱায়েকৰ লগত ঠিক হৈ থকা বুলি মিছা কথাৰে মনৰ জটিলতা উপশম কৰিবলৈ খন্তেকীয়া অপচেষ্টা চলাইছে। পৰিস্থিতিৰ তাড়নাত মৰ্মান্তিক বেদনা পোৱা এগৰাকী বৃদ্ধা মাতৃৰ মানসিক যন্ত্ৰণাৰ চিত্ৰ

---

২২। উল্লিখিত, পৃ. ১৪

উপন্যাসখনত পোৱা যায়।

বৃদ্ধ-মনস্তত্ত্বত জটিলতা প্ৰকাশিত বৰগোহাঞিৰ আন এখন উপন্যাস *ছায়া আৰু ছবি*। এগৰাকী বৃদ্ধ পিতৃৰ মানসিক অন্তৰ্দ্বন্দ্ব আৰু দূৰদৰ্শিতাৰ পৰিচয় উপন্যাসখনত পোৱা যায়। কালানুক্ৰমিক বয়সৰ হিচাপত ব্যক্তিগৰাকীৰ যাঠি বছৰ নৌহওঁতেই হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ উল্লেখ উপন্যাসখনত পোৱা যায়। অতীতৰ স্মৃতি ৰোমন্থনৰ বহু অংশ উপন্যাসখনত ধৰা দিছে। অভিজ্ঞতাৰে বৃদ্ধ আৰু পুত্ৰৰ জীৱনক লৈ সচেতন এজন বৃদ্ধ পিতৃয়ে পুত্ৰস্নেহক প্ৰাধান্য দিয়া উপন্যাসখনত দেখা গৈছে। পুত্ৰৰ নামত জীৱন বীমা খোলা, ছোৱালী বিচাৰি বিয়া পাতি দিয়া, ঘৰ চলাবলৈ পুত্ৰক পইচা-পাতি দিয়া, পইচা জমা ৰাখি হাইৱেৰ ওচৰত মাটি কিনাকে আদি কৰি ভৱিষ্যৎ পৰিকল্পনা সিদ্ধি কৰিবলৈ বিচৰা এজন দায়িত্বশীল পিতৃ। পুত্ৰৰ প্ৰতি অফুৰন্ত মৰম থকা বৃদ্ধ পিতৃৰ গহীন স্বভাৱ আৰু অনুশাসনৰ বাবে সন্তানে তেওঁক বুজিব নোৱৰাৰ আক্ষেপ উপন্যাসখনত প্ৰকাশ পাইছে। জ্ঞানবৃদ্ধ পিতৃৰ মনৰ এক বদ্ধমূল ধাৰণা— ধুনীয়া ছোৱালী বিয়া কৰালে পুত্ৰৰ সংসাৰ সুখৰ নহ'ব। বৃদ্ধ পিতৃৰ মনৰ এনে জটিলতাৰ কাৰণ পুত্ৰই পাছতহে মাতৃৰ পৰা জানিব পাৰে— "দেউতাৰাই কৈছিল ইমান ধুনীয়া ছোৱালীয়ে মনে মনে সদায় বিচাৰিব— গোটেই জগতখনেই তাইৰ ৰূপৰ পূজা কৰক।"[২৩] পৰম্পৰাবিশ্বাসী বৃদ্ধ পিতৃয়ে পুত্ৰৰ বাবে 'ৰূপে কি কৰে গুণেহে সংসাৰ তৰে' অসমীয়া প্ৰবাদৰীতিৰ অভিজ্ঞতাৰে ছবিৰ পৰিৱৰ্তে ছায়াৰহে অনুসন্ধান কৰে। কালানুক্ৰমিক বয়সৰ বিপৰীতে অভিজ্ঞতাৰে বৃদ্ধ এজন পিতৃৰ দূৰদৰ্শিতাৰ পৰিচয় উপন্যাসখনত ফুটি উঠিছে। এইক্ষেত্ৰত বয়সেই পৰোক্ষভাৱে পিতৃগৰাকীক প্ৰভাৱান্বিত কৰিছে।

নিৰুপমা বৰগোহাঞিৰ *অন্য জীৱন* উপন্যাসত এগৰাকী বৃদ্ধা মাতৃৰ শাৰীৰিক কঠোৰ পৰিশ্ৰম, পৰিয়ালৰ অমনোযোগিতাই জীৱনলৈ অনা হতাশাৰ চিত্ৰ তুলি ধৰা হৈছে। এগৰাকী গাঁৱলীয়া বৃদ্ধা মাতৃৰ ঘৰুৱা দায়িত্ব, পৰিয়ালটোৰ প্ৰতি আত্মত্যাগ আৰু কঠোৰ শাৰীৰিক পৰিশ্ৰমে কিদৰে বাৰ্ধক্যজনিত শাৰীৰিক অৱনতি ঘটাইছে তাৰেই হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত পোৱা যায়। পুৰুষতান্ত্ৰিক সমাজত পুৰুষে নিজৰ গুৰুত্বৰে নাৰীক ব্যৱহাৰ কৰা, নাৰীজীৱনৰ দুখ আৰু কাৰুণ্য উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। পৰম্পৰাবিশ্বাসী, পুৰণি ধ্যান-ধাৰণা, নিয়ম-নীতিৰ বান্ধোন মানি চলা আৰু পুৰুষতান্ত্ৰিক সমাজত স্বাধীন

২৩। নিৰুপমা বৰগোহাঞি, *উপন্যাসসম্ভাৰ (২)*, পৃ. ১০৩

হ'ব নোৱাৰা বৃদ্ধা নাৰীৰ হৃদয়বিদাৰক যন্ত্ৰণা উপন্যাসখনৰ মাতৃৰ চৰিত্ৰত ফুটি উঠিছে— "আমাৰ সহজে একো নহয় বোৱাৰী, কথাতেই আছে নহয় যে কাৰৈ মাছৰ প্ৰাণ মাইকী মানুহৰ প্ৰাণ একেই— টান বিধৰ এলাপেচা বেমাৰে একোকে কৰিব নোৱাৰে।"[২৪] বাৰ্ধক্যত বিশ্ৰামহীন জীৱন যাপন কৰা বৃদ্ধা মাতৃৰ প্ৰতি সন্তানৰ কোনো সহানুভূতি উপন্যাসখনত দেখা পোৱা নাযায়। সন্তানৰ প্ৰতি থকা অতিৰিক্ত স্নেহত অন্ধ বৃদ্ধা মাতৃয়ে সন্তানৰ আব্‌দাৰ পূৰণ কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছে। অষ্টপ্ৰহৰ গেবাৰী খাটি ক্লান্ত হৈ পৰা গাঁৱলীয়া বৃদ্ধাৰ অভিযোগ শুনিবলৈ পৰিয়ালৰ লোক যে প্ৰস্তুত নহয়, সেই কথা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে। বাৰ্ধক্য পুৰুষ আৰু নাৰী সকলোৰে জীৱনলৈ সমানে আহে; বৰঞ্চ জৈৱিক শৰীৰৰ ক্ষয়-বৃদ্ধিৰ বাবে নাৰীৰ জীৱনলৈ কালানুক্ৰমিক বয়সতকৈ বাৰ্ধক্য সোনকালেহে আহে। স্বাস্থ্য-অসচেতনতা আৰু ঘৰুৱা পৰিশ্ৰমৰ বাবে পুৰুষতকৈ নাৰী আগতীয়াকৈ বৃদ্ধ হোৱাৰ দিশ উপন্যাসখনত প্ৰকাশ পাইছে। এগৰাকী বৃদ্ধা মাতৃয়ে ঘৰখনৰ সকলোৰে পৰিচৰ্যা আৰু তদাৰকৰ দায়িত্বত থাকিও নিজে পৰিয়ালৰ সদস্যসকলৰ পৰা পৰিত্যক্তা হৈ পৰিছে— "বিনাপইচাৰ চাকৰণীবোৰক আকৌ পেন্সন কোনে দিব?"[২৫] উপন্যাসখনত প্ৰকাশ পোৱা এনে স্বীকাৰোক্তিৰ দ্বাৰা অৱসৰহীন বৃদ্ধা নাৰীৰ শাৰীৰিক দুৰ্বলতা, হতাশা আৰু নিৰাপত্তাহীনতাৰ চিত্ৰ প্ৰত্যক্ষ কৰা হৈছে।

বৰগোহাঞিৰ আন এখন উপন্যাস *অভিযাত্ৰীত* আনুষ্ঠানিক শিক্ষাৰ পোহৰ নোপোৱা এগৰাকী বৃদ্ধা মাতৃৰ বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ প্ৰতিফলন দেখা যায়। শিক্ষাৰ প্ৰতি থকা অৱদমিত হেঁপাহৰ বাবে বৃদ্ধা মাতৃয়ে সন্তানৰ শিক্ষাৰ মাজেৰে মনত পুহি ৰখা নিজৰ সপোন সাৰ্থক কৰিব বিচাৰিছে। জীৱনৰ প্ৰতিকূল পৰিস্থিতিত হাৰ নমনা বৃদ্ধা মাতৃয়ে সাংসাৰিক জীৱনত কেৱল শাৰীৰিক কষ্টই নহয়, বহু মানসিক কষ্টৰো মুখামুখি হৈছে। সন্তানৰ সকলো দুখ-কষ্ট সহ্য কৰা এইগৰাকী বৃদ্ধা মাতৃৰ অতিৰিক্ত মানসিক সবলতাই তেওঁৰ মনত জটিলতা সৃষ্টিৰ অন্যতম কাৰণ। সময়ে পৰিৱৰ্তন কৰা সমাজৰ দ্ৰুত সামাজিক পৰিৱৰ্তনত বৃদ্ধা মাতৃয়ে পৰিস্থিতিসাপেক্ষে জীৱনৰ প্ৰত্যাহ্বান স্বীকাৰ কৰি লৈছে। মৰম আৰু দায়িত্ববোধৰ শিক্ষা দিয়া বৃদ্ধা মাতৃয়ে ব্যৱহাৰিক আৰু বাস্তৱ জীৱনত চলিব পৰাকৈ প্ৰকৃত ব্যৱহাৰিক শিক্ষাৰ পাঠ

---

২৪। উল্লিখিত, পৃ. ৭০৩

২৫। উল্লিখিত

সন্তানক দিব বিচাৰিছে। এইক্ষেত্ৰত সামাজিক অনুশাসনৰ বিপৰীতে গৈ বৃদ্ধা মাতৃয়ে জীৱনক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে। বৃদ্ধা মাতৃৰ শাৰীৰিক আৰু মানসিক শক্তিৰ অৱক্ষয়ৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা দেখা যায়।

> ইফালে মাক ক্ৰমে বুঢ়ীও হৈ আহিছে। বিশেষকৈ সংসাৰৰ নানা জ্বালা-যন্ত্ৰণা আৰু ভাগ্য বিপৰ্যয়ত গংগাপ্ৰিয়াৰ বয়স যেন মাজৰ কেইটামান বছৰ জাপ দি পাৰ হৈ গৈ আচল বয়সতকৈ আৰু বাঢ়ি গৈছে।[২৬]

সন্তানৰ স্নেহত আত্মত্যাগ কৰিব বিচৰা বৃদ্ধা মাতৃয়ে অত্যধিক মানসিক চাপ আৰু শাৰীৰিক দুৰ্বলতাৰ বাবে অৱশেষত মৃত্যুক আঁকোৱালি লৈছে। উপন্যাসখনত সত্তৰ বছৰীয়া চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বাৰ্ধক্যৰ বৰ্ণনাও পোৱা যায়। আইতা হোৱাৰ আত্মতৃপ্তিয়ে বাৰ্ধক্যৰ পৰিতৃপ্তিৰ উল্লেখ উপন্যাসখনত দাঙি ধৰিছে। সংসাৰৰ মায়া-মোহ এৰিব নিবিচৰা এগৰাকী সুখী বৃদ্ধাৰ জীৱনৰ প্ৰত্যাহ্বানৰ চিত্ৰ উপন্যাসখনত পোৱা যায় যদিও সেয়া সিমান স্পষ্ট হৈ উঠা নাই। বাৰ্ধক্যৰ বাবে বৃদ্ধা শইকীয়ানীয়ে শৰীৰ আৰু মনৰ সন্তুলন ধৰি ৰাখিবলৈ সময়ত অপাৰগ হৈছে। শাৰীৰিক ৰোগ কেন্সাৰে শইকীয়ানীক জুৰুলা কৰিলেও মানসিক সবলতাৰ বাবে বাৰ্ধক্যৰ শাৰীৰিক আৰু মানসিক যন্ত্ৰণা বহুখিনি উপশম ঘটাবলৈ সক্ষম হৈছে। অতীতৰ সোণোৱালী দিনৰ স্মৃতি ৰোমন্থন কৰা, পুত্ৰৰ ভৱিষ্যতক লৈ সপোন ৰচা এগৰাকী বৃদ্ধা মাতৃৰ মানসিক সবলতা উপন্যাসখনত দেখা যায়। আনকি ৰোগশয্যাত থকা বৃদ্ধা শইকীয়ানীয়ে 'পদ্মশ্ৰী' উপাধি ল'বলৈ দিল্লীলৈ যাব বিচৰা মনটোৰ বৰ্ণনা বৃদ্ধ-মনস্তত্ত্বৰে জটিল বহিঃপ্ৰকাশ।

### ৩.১ অৰুণ শৰ্মাৰ উপন্যাস *উভলা শিপা* ঃ

অৰুণ শৰ্মাৰ প্ৰথম প্ৰকাশিত উপন্যাস *উভলা শিপা* (১৯৭৯)ত এগৰাকী সত্তৰ বছৰীয়া বৃদ্ধৰ পৰিয়ালকেন্দ্ৰিক সংঘাতৰ কাহিনী সন্নিৱিষ্ট হৈছে। যৌথ পৰিয়াল এটাৰ মুৰব্বী তথা নামঘৰৰ পাঠেক আঘোণা গাঁওখনৰ লগতে ঘৰখনৰ এজন বিশিষ্ট মুখিয়াল ব্যক্তি। বৃদ্ধ আঘোণাৰ লগত, ভাই-ভতিজাহঁতৰ মতবিৰোধৰ মূল কাৰণ জীৱন সম্পৰ্কে তৰুণ প্ৰজন্মৰ আধুনিক দৃষ্টিভংগী। তদুপৰি শৈক্ষিক আৰু ভোগবাদী

২৬। উল্লিখিত, পৃ. ২৩৫

মূল্যবোধৰ প্ৰভাৱত অহা প্ৰজন্ম আৰু আদৰ্শৰ সংঘাত। সময়ত বৃদ্ধ আঘোণাক প্ৰত্যাহ্বান জনাই, ভেটিৰ মাটি বিভাজন কৰি ভায়েক নৰামৰ পৰিয়ালটোৱে নতুনকৈ ঘৰ প্ৰতিষ্ঠা কৰি ঘৰ লোৱাৰ সকাম পাতে। এই ঘৰলোৱা সকামলৈ বৃদ্ধ আঘোণাক ভাই-ভতিজাহঁতে নিমন্ত্ৰণ নজনোৱাত তেওঁ অভিমানী হৈ উঠে। কিন্তু যৌথ পৰিয়ালটোৰ মুৰব্বী আঘোণাই ভায়েক নৰাম আৰু ভতিজাহঁতৰ প্ৰতি থকা আন্তৰিক মমত্বৰ বাবে আত্মাভিমান এৰি নমাতা সকামভাগলৈকো যায়। ঘৰখনৰ মুৰব্বী হিচাপে বৃদ্ধ আঘোণাই সকলোৰে মংগলাৰ্থে ভগৱানৰ শ্ৰীচৰণত আঁঠু লৈ প্ৰাৰ্থনা কৰে। পাঠেক যোগাই গায়নে বয়োজ্যেষ্ঠ আঘোণাকে ধৰি ঘৰৰ সকলোকে আশীৰ্বাদ দিয়ে আৰু ৰাইজেও উচ্ছ্বসিত কণ্ঠৰ হৰিধ্বনিৰে আঘোণা পাঠেকৰ চূড়ান্ত বিজয় ঘোষণা কৰে। প্ৰজন্মৰ সংঘাতৰ ফলত ভাই-ভতিজাহঁতৰ পৰা বিচ্ছিন্ন আঘোণাই নিজৰ মনক কিন্তু প্ৰবোধ দিব নোৱাৰিলে। ভাই-ভতিজাহঁতে কৰা অপমান, অৱমাননা, উপেক্ষাক আঘোণাই সহ্য কৰিব নোৱাৰি গাঁৱৰ ঘৰখনত নথকাৰ সিদ্ধান্ত লয়। মাজু পুতেক ৰবিধৰৰ পামঘৰলৈ বুলি পদযাত্ৰা আৰম্ভ কৰা বৃদ্ধ আঘোণাই অৱশেষত পুত্ৰৰ পদূলিতে কৃষ্ণনাম লৈ শেষ নিশ্বাস ত্যাগ কৰে।

আশীৰ দশকত ৰচিত অৰুণ শৰ্মাৰ *উভলা শিপা* উপন্যাসখনত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰকাশ পাইছে। সমাজ আৰু পৰিয়ালৰ এজন বৃদ্ধ ব্যক্তিৰ নিভৃত মনৰ কোণত লুকাই থকা মানসিক জটিলতা আৰু বাৰ্ধক্যক অৱমাননা কৰাৰ হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত পোৱা যায়। পৰিয়ালকেন্দ্ৰিক জীৱনত যৌথ পৰিয়ালৰ ভাঙোনমুখী আৰু অন্তঃসাৰশূন্য ৰূপ দেখিও নীৰৱ দৰ্শক হৈ থকা এজন বৃদ্ধৰ মানসিক অন্তৰ্দ্বন্দ্বৰ চিত্ৰ উপন্যাসখনত ফুটাই তোলা হৈছে। যৌথ পৰিয়ালৰ ভাঙোনত তিল্‌তিল্‌কৈ নিঃশেষ হোৱা এখন ঘৰৰ মুৰব্বীগৰাকীৰ মানসিক অন্তৰ্দ্বন্দ্ব বৃদ্ধ আঘোণাৰ চৰিত্ৰৰে ঔপন্যাসিকে উপস্থাপন কৰিছে। *উভলা শিপা* উপন্যাসত প্ৰতিফলিত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ প্ৰধান কাৰণসমূহ তলত চমুকৈ আলোচনা কৰা হ'ল।

**(১) নিঃসংগতাৰ বেদনা ঃ**

পিতৃৰ মৃত্যুৰ পাছত আঘোণা আৰু পত্নী বকুলী যৌথ ঘৰখনৰ গিৰিহঁত-গিৰিহঁতনী হৈ পৰে। যৌথ পৰিয়ালৰ মুৰব্বী আঘোণাকে ধৰি তিনিজন ভাই-ককাই, ভাই-বোৱাৰী, দহজন পো-ভতিজা আৰু

পো-বোৱাৰী, ভতিজা-বোৱাৰী আৰু নাতিহঁতক লৈ বৃদ্ধ আঘোণাৰ এখন বৃহৎ ঘৰ। বাহ্যিক দৃষ্টিত আঘোণা এজন সুখী ব্যক্তি। কিন্তু স্বৰাজোত্তৰ কালছোৱাত নতুন মূল্যবোধ আৰু প্ৰজন্মৰ ব্যৱধানে সাতামপুৰুষীয়া ঐতিহ্যৰে গৌৰৱান্বিত যৌথ ঘৰখনত ভাঙোনৰ বীজ জীপাল কৰি তোলে। পৈতৃক সূত্ৰে লাভ কৰা আঘোণা আৰু বকুলীৰ অভিভাৱকত্ব লাহে লাহে ঘৰখনত কমি আহিবলৈ ধৰে। আঘোণাৰ ভাই-বোৱাৰী ৰম্ভাৰ আচৰণ আৰু পাছলৈ ভতিজা-বোৱাৰী নীলিমাৰ পৰাই যৌথ ঘৰখনত পূৰ্বৰ সেই বীজে অনুকূল পৰিৱেশ লাভ কৰিবলৈ ধৰে। পো-বোৱাৰী মালতীৰ প্ৰতি থকা বৃদ্ধ আঘোণাৰ গুৰুত্বই ভতিজা-বোৱাৰী নীলিমাৰ ঈৰ্যা আৰু আক্ষেপৰ কাৰণ হৈ উপন্যাসখনত ধৰা দিছে।

ককাক মতিৰাম কানানগোৰ ঘৰত থাকি দুবাৰৰ মূৰত মেট্ৰিক পাছ কৰা আঘোণাৰ ভতিজাক (ভায়েক নৰামৰ সৰু পুতেক) যতীনক গুৱাহাটীত অভাৰচিয়াৰ পঢ়াবলৈ বৰ ভতিজাক নৰেনে দিয়া প্ৰস্তাৱত আঘোণাই আপত্তি দৰ্শায়— “পামৰ খেতি বাদ দি পৰিয়ালটোৰ মাটিৰ ধানেৰে আজিকালি ইমানখন ঘৰৰ বছৰটোৰ খৰচ কোনো ৰকম জোৰেহে।”[২৭] পৰিয়ালকেন্দ্ৰিক সংঘাতে লাহে লাহে আঘোণাৰ যৌথ ঘৰখনত শিপাবলৈ ধৰে। বৰপুত্ৰ পদ্মৰ মুখেৰে ভাই-ভঁতিজাহঁতে পথাৰখন দুভাগ কৰা শুনি বৃদ্ধ আঘোণা বিচলিত আৰু বিহ্বল হৈ পৰে। দূৰৰ পৰা দেখা পথাৰৰ জেওৰাখন আৰু লথামূৰা সৌৰাজোপাই আঘোণাৰ মূৰত জ্বলা জুয়ে তেওঁৰ কলিজাকো চুবলৈ প্ৰয়াস কৰে। পথাৰ, পথাৰৰ মাজত থকা সৌৰাগছৰ ছাঁ আৰু কোমল বনে ঢাকি ৰখা ঢিপটো দুখণ্ডিত হোৱা দেখি আঘোণা থৰ্থৰ্কৈ কঁপিবলৈ ধৰে আৰু বুকুখনো হেঁচা মাৰি ধৰাত অৱশ হৈ পৰে। প্ৰথমতে পথাৰখন দুভাগ হয় আৰু তাৰ কেইদিনমান পাছত নৰামৰ পৰিয়ালৰ ঠালটোৱে এচলীয়া পাকঘৰ কৰি নতুন চৰু জুৰিবলৈ লয়।

> সেইদিনা তিনিকুৰি বছৰৰ ওপৰ কাল লক্ষ্মীৰ অমৃত বুলি খাই থকা পুৰণি চৰুটোৰ ভাত কাঁহীৰ এগঢ়াও ডিঙিৰ সিফালে আঘোণাই ঠেলিব নোৱাৰিলে, ভাতৰ কাঁহীত বহিয়েই তেওঁৰ কাষতে সদায় বহা নৰামৰ পীৰাখনলৈ চালে, ঠাইখিনি খালী, পীৰাখন নাই।[২৮]

নৰামৰ ঘৰৰ ঘৰলোৱা সবাহৰ খবৰ বৃদ্ধ আঘোণাই আনৰ মুখৰ পৰা শুনিবলৈ পাই প্ৰথম অৱস্থাত ঘৰখনৰ সকাম বুলি মানি লৈ মাতিব লগা কথাত কোনো গুৰুত্ব দিয়া নাছিল— “একে ঘৰৰে

২৭। অৰুণ শৰ্মা, *উভলা শিপা* , পৃ. ৫৪

২৮। উল্লিখিত, পৃ. ৫৯-৬০

কথা, আকৌ বেলেগে মাতিব লাগিছে, আমি গ'লেই হ'ল। আৰু পুথি পঢ়িবৰ হ'লে মই থাকিবই লাগিব, নাম দিয়াত মোক লাগিবই। মই নহ'লে কেনেকৈ হ'ব।"[২৯] কিন্তু পৰিয়ালকেন্দ্ৰিক সংঘাতে লাহে লাহে জটিল ৰূপ ধাৰণ কৰে। সৰু পুত্ৰ কণটিয়ে আঘোণাক নৰামৰ ঘৰলোৱা সকামলৈ যাবলৈ বাধা দিয়াত বৃদ্ধ আঘোণাৰ মনোদ্বন্দ্বৰো ওৰ পৰে। নৰামৰ ঘৰলোৱা সকামত পুথিভাগ পঢ়িব বুলি কল্পনা কৰা বৃদ্ধ আঘোণাৰ মনৰ আশা মনতে অৱদমন হৈ ৰয়। নৰামৰ পৰিয়ালৰ ঠালটোৰ পৰা আঘোণাৰ পৰিয়ালটোৰ বিচ্ছেদেই বৃদ্ধ আঘোণাৰ নিঃসংগতাৰ বেদনাৰ অন্যতম কাৰণ। অতীতৰ যৌথ ঘৰখনৰ পৰা পোৱা সুখ আৰু নিজৰ কৰ্তৃত্বক বিসৰ্জন দিব লগাত বৃদ্ধ আঘোণা মানসিকভাৱে ভাগি পৰে। সেইবাবে পো-বোৱাৰী আৰু নাতি-নাতিনীৰে ভৰপূৰ যৌথ ঘৰখনৰ পৰা বৃদ্ধ আঘোণা বিচ্ছিন্ন হৈ পৰিছে। নিঃসংগতাৰ বেদনা আৰু মানসিক অৱসাদৰ হাত সাৰিবলৈ বৃদ্ধ আঘোণাই কুৰৈগুৰি চাপৰিত থকা পুত্ৰ ৰবিধৰৰ পামঘৰলৈ যাবলৈ মানসিকভাৱে সাজু হয়। যৌথ ঘৰখন এৰি, নিজৰ পুৰণি ঘৰৰ ভেটি এৰি পামঘৰলৈ যোৱা বৃদ্ধ আঘোণাৰ চিন্তাক্লিষ্টভাৱে ৰ'দৰ তাপত ক্লান্ত হৈ মূৰ আচন্দ্ৰাই পুত্ৰ ৰবিধৰৰ পদূলিমুখতে ঢলি পৰে। নিঃসংগতাৰ বেদনাই অনা অত্যধিক মানসিক চাপৰ বাবে বৃদ্ধ আঘোণাই অৱশেষত মৃত্যুক সাবটি লয়।

**(২) আদৰ্শৰ সংঘাত ঃ**

পিতৃৰ মৃত্যুৰ পাছত আঘোণাই মহাপুৰুষীয়া ধৰ্ম আৰু সংস্কৃতিৰ ঐতিহ্য আৰু আদৰ্শকে সাৰোগত কৰি জীৱনৰ গতিত আগবাঢ়ে। গাঁৱৰ ৰাইজেও আঘোণাৰ পিতৃ, বৃদ্ধ পাঠেক অবিহনে আঘোণাকে নামঘৰৰ মুখিয়াল হিচাপে মৰ্যাদা দি নামঘৰৰ পাঠেক পাতে।

> আঘোণা গহীনভাৱে সমুখৰ ঠগাখনৰ ওচৰলৈ গ'ল। গামোচাখন ডিঙিত লৈ, আঁঠুকাঢ়ি হাতৰ পুথিখন ঠগাখনত থ'লে। মৌনভাৱে যথেষ্ট সময়লৈ তেওঁ এটা দীঘলীয়া সেৱা কৰিলে। ...তাৰ পিছত আকৌ পুথিখনত সেৱা এটা কৰি সুৰ লগাই পঢ়িবলৈ আৰম্ভ কৰিলে।[৩০]

গাঁৱৰ সমাজত প্ৰতিপত্তি বঢ়া বৃদ্ধ আঘোণাৰ যৌথ ঘৰখনত লাহে লাহে মুৰব্বী আৰু অভিভাৱকত্বৰ

২৯। উল্লিখিত, পৃ. ৭০-৭১
৩০। উল্লিখিত, পৃ. ২৭

মৰ্যাদা বৃদ্ধি পাবলৈ ধৰে। পত্নী বকুলীৰ মৃত্যুৰ পূৰ্বে সৰু পুত্ৰ কণটিৰ বাহিৰে আঘোণাই নিজৰ ঠালটোৰ সকলোৰে বিয়াবাৰু পাতি দি আজৰি হয়। বৰপুত্ৰ পদ্মই পথাৰত হাল বায়, বৰ মাজু ৰবিধৰে কুৰৈগুৰি চাপৰিত আবাদী কৰি লোৱা মাটিত খেতি কৰে, সৰু মাজু ৰমাকান্ত প্ৰাইমেৰী স্কুলৰ শিক্ষক আৰু সৰু পুত্ৰ কণটি চাইকেলৰ দোকানী। আঘোণাৰ দুয়োজনী জীয়েক মাটি-বাৰী থকা ভাল ঘৰৰে বোৱাৰী। গতিকে আঘোণাই নিজৰ পৰিয়ালৰ ঠালটো তেওঁ ভবামতে সুখী আৰু সংস্কাৰী। বৰ বোৱাৰী (পদ্মৰ ঘৈণীয়েক) ভেলেঙী, মোটা বুদ্ধিৰ, বৰ মাজু বোৱাৰী (ৰবিধৰৰ পত্নী) পামতে থাকে আৰু সৰু মাজু বোৱাৰী (মালতী)ৰ আঘোণাৰ প্ৰতি থকা পিতৃসুলভ মৰম আৰু সহানুভূতি সন্মানজনক। আঘোণাই সংস্কাৰী আৰু আদৰ্শৱান কৰি তুলিব নোৱাৰিলে কেৱল সৰু পুত্ৰ কণটিক। পুত্ৰৰ চাৰিত্ৰিক স্খলনত সন্দেহ কৰা বৃদ্ধ পিতৃ আঘোণাই পাছলৈ কণটিৰ সংস্কাৰী মনৰো উমান পায়। মানৱীয় প্ৰমূল্য আৰু বিবেচনাশীল কণটিৰ আচৰণত আঘোণাৰ মনৰ সন্দেহ পাছলৈ দূৰ হয়। সৰলমনা, মৰমিয়াল আৰু সংস্কাৰী মনৰ আঘোণাই নিজ পৰিয়ালৰ ঠালটোত একপ্ৰকাৰ সুখ আৰু শান্তিৰেই জীৱন যাপন কৰিছে। বোৱাৰীয়েক মালতীক দুৱাৰডলিত থিয় দি থকা দেখি পৰম্পৰাবিশ্বাসী বৃদ্ধ আঘোণাই জ্ঞান দিবলৈ চেষ্টা কৰিছে। পৰম্পৰা আৰু সংস্কাৰক যিমানেই আঘোণাই খামোচ মাৰি ধৰিবলৈ চেষ্টা কৰিছে, সিমানেই সেই মুঠি ঢিলা হৈ যাবলৈ ধৰিছে। সংসাৰ-বৈৰাগী আঘোণাৰ ডাঙৰ ভায়েক ভঙুৱা ভূধৰে অকলশৰে থকাৰ অজুহাতত সন্ত্ৰাসবাদী আন্দোলনত যোগ দিছে। থগী মহাজনে ভূধৰৰ এই কথাৰ সম্ভেদ পাই ঘৰখনৰ অভিভাৱকস্বৰূপ বৃদ্ধ আঘোণাক মাতি সেই বিষয়ে সতৰ্ক কৰি দিয়ে। ভায়েকৰ ওপৰত থকা গভীৰ বিশ্বাসৰ বাবেই আঘোণাই ভায়েকৰ নিৰ্দোষিতাৰ প্ৰমাণ দিবলৈ মৌজাদাৰৰ আগত চেষ্টা চলায়। পাছত ভূধৰে সন্ত্ৰাসবাদত সোমোৱাৰ কথা আঁতিগুৰি মাৰি জানিব পাৰি আঘোণাৰ চকু কপালত উঠে। পাছলৈ কিন্তু ভূধৰে দেশৰ বাবে মহৎ কাম কৰাৰ সত্যতা জানিব পাৰি অজান গৰ্বত আঘোণাৰ মন উৎফুল্লিত হৈ পৰে। সময় আৰু পৰিৱেশসাপেক্ষে পুত্ৰ কণটি আৰু ভায়েক ভূধৰৰ লগত আঘোণাৰ আদৰ্শৰ সংঘাত আহিলেও সেয়া সময়ত নিজে নিজে নাইকিয়া হৈ পৰিছে।

আঘোণাৰ আদৰ্শৰ সংঘাত সৃষ্টিৰ প্ৰধান কাৰণ সৰু ভায়েক নৱামৰ পৰিয়ালৰ ঠালটো। নৱামৰ পত্নী ৰম্ভাই জাক বকুলীৰ কৰ্তৃত্বক অস্বীকাৰ কৰিব নোৱাৰিলেও মনে মনে কিন্তু অসন্তুষ্ট হৈ পৰা উপন্যাসখনত দেখা যায়। তদুপৰি কাননগো ককাকৰ ধন-টকা-পইচাৰ গৰ্ব নাতিহঁতৰ ওপৰত পৰাটো

উপন্যাসখনৰ পৰা প্ৰতীয়মান হৈছে। ভতিজা নৰেনৰ বাবে বোৱাৰী কৰি অনা অল্পশিক্ষিতা নীলিমাৰ ভৰিৰ ছেণ্ডেলযোৰে প্ৰথম অৱস্থাত বৃদ্ধ আঘোণাৰ আদৰ্শক ক্ষোভিত কৰিছে। ঘৰখনত তিৰোতাৰ ভৰিত প্ৰথমবাৰৰ কাৰণে ছেণ্ডেলযোৰ দেখি পৰম্পৰাবিশ্বাসী আঘোণা ভতিজা-বোৱাৰী নীলিমাৰ ওপৰত ক্ষুব্ধ হৈ পৰে— "ন-বোৱাৰী এইযোৰ ইয়াত নিপিন্ধিলেই ভাল আছিল!"[৩১] সৰু ভতিজাক যতীনক অভাৰচিয়াৰ পদুৱাবলৈ ধান বেচিবলৈ নৰামৰ পৰিয়ালটোৰ পৰা অহা প্ৰস্তাৱত আঘোণাৰ সংস্কাৰী মনত আঘাত লাগে। এটা সময়ত মাটি আৰু ভঁৰালৰ ধান এফলীয়া কৰি দিবলৈ বৰ ভতিজা নৰেনে ফেপেৰি পাতি আঘোণাক অপদস্থ কৰে। তাতোকৈ অধিক আদৰ্শৰ সংঘাত আঘোণাৰ জীৱনলৈ আহে, যেতিয়া পদূলিৰ নাহৰজোপা কাটি ঘৰৰ ভেটি তুলিবলৈ ভতিজাহঁতে আয়োজন চলায়— "ভেটি তোল, কি তোল, তহঁতৰ মূৰৰ ওপৰত তোলগৈ, এই সাতামপুৰুষীয়া গছজোপা মই কাটিবলৈ নিদিওঁ।"[৩২] বনকৰা নেপালী বেঙা হালোৱাটোৰ পৰা কুঠাৰখন কাঢ়ি আনি পদূলিৰ নাহৰজোপা কটাত আঘোণাই বাধা দিয়ে। ভতিজাক যতীনে কুঠাৰখন লৈ টনা-আঁজোৰা কৰাত বৃদ্ধ আঘোণা হামখুৰি খাই চোতালতে পৰি ৰয়।

ভতিজাক নৰেন, যতীন আৰু নৰেনৰ পত্নী নীলিমাৰ লগত আঘোণাৰ আদৰ্শৰ সংঘাতে এটা সময়ত চূড়ান্ত ৰূপ লয়। ভায়েক নৰামেও পুত্ৰহঁতৰ আদৰ্শক সমৰ্থন কৰি ককায়েক আঘোণাৰ প্ৰতি মৌন বিদ্ৰোহ ঘোষণা কৰে। আনকি ভায়েক নৰামে নতুনকৈ ল'ব খোজা ঘৰটোৰ সকামভাগলৈও আঘোণাক নিমন্ত্ৰণ নকৰাত আঘোণা মানসিকভাৱে ভাগি পৰে। নিজৰ আদৰ্শনিষ্ঠাৰ বাবে আঘোণাই নমতা সকামভাগত সহযোগ কৰি ৰাইজ আৰু ভগৱন্তৰ শ্ৰীচৰণত আঁঠু লৈ ঘৰখনৰ মুৰব্বী হিচাপে সকলোৰে মংগল-আশীৰ্বাদ কামনা কৰে।

**(৩) অতীতৰ স্মৃতি ৰোমন্থন ঃ**

অৰুণ শৰ্মাৰ *উভলা শিপা* উপন্যাসখনৰ কাহিনীৰ বেছি অংশই অতীতৰ স্মৃতি ৰোমন্থন। পত্নী প্ৰীতিৰ আঘোণাৰ অতীতৰ স্মৃতি ৰোমন্থনেই ঘাই সম্বল। পত্নী বকুলীৰ স্মৃতি ৰোমন্থন কৰি বৃদ্ধ আঘোণা উনৈশ-কুৰিবছৰীয়া অতীতৰ জীৱনলৈ ঘূৰি গৈছে। পোন্ধৰ-যোলবছৰীয়া বকুলীৰ লগত যৌৱনৰ প্ৰথম

৩১। উল্লিখিত, পৃ. ৫২

৩২। উল্লিখিত, পৃ. ৬৩

মায়াজালত বান্ধ খোৰা প্ৰেমৰ সুবাসৰ স্মৃতি ৰোমন্থন কৰি সত্তৰ বছৰীয়া আঘোণাৰ মনত শিহৰণ জাগি উঠিছে। পিতৃ ঢুকোৱাৰ পাছৰ পৰাই সেই শূন্যতাখিনি ৰোমন্থন কৰি আঘোণাই অজ্ঞাতসাৰে বৰগীতৰ কলি গুণগুণাই পিতৃৰ স্মৃতি সজীৱ কৰিছে। আঘোণাৰ অতীতৰ স্মৃতিত ভাহি আহে পুত্ৰ কণটি আৰু ভতিজাক যতীনৰ ল'ৰালিৰ মধুৰ স্মৃতি। দুয়োকে কোলাত ফুৰাবলৈ নিয়া, নিজৰ ভাগৰ কল-গাখীৰৰ ভাতখিনি দুভাগ কৰি খাবলৈ দিয়া আৰু পঢ়াশালিৰ প্ৰথম দিনটোত দুয়োৰে অভিভাৱকৰ দায়িত্ব পালন কৰি নাম লগাই দিয়া— অতীতৰ বহু স্মৃতি বৃদ্ধ আঘোণাৰ মানসপটত জিলিকি উঠিছে। গাঁৱৰ নিধিৰামে নামঘৰৰ নামলোৱালৈ নিমন্ত্ৰণ দিয়া, ভকতবৃন্দই আঘোণাক পাঠেকৰ দায়িত্ব দিয়া আদি অতীতৰ বহু স্মৃতি আঘোণাই ৰোমন্থন কৰা উপন্যাসখনত দেখা যায়। আঘোণাৰ স্মৃতিৰ মণিকোঠাত স্পষ্ট হৈ ৰোৱা আন দুটি অতীতৰ ঘটনা হ'ল— বাৰ-চকুৰা বিলত মাছ মাৰিবলৈ গৈ পুত্ৰ ৰমাকান্তৰ বাবে মালতীক ভাবি-বোৱাৰী নিৰ্বাচন কৰা আৰু ভাটিৰ ফালৰ পৰা অহা মুছলমান সম্প্ৰদায়ৰ লোকে অসমীয়া গাঁও দখল কৰা বুলি উৰাবাতৰি শুনি তেওঁলোকক সাহসেৰে বাধা দিবলৈ আগবাঢ়ি যোৱা। এনেদৰে সৰু-বৰ অতীতৰ বহু ঘটনাই অতীতৰ স্মৃতি সতেজ কৰি আঘোণাৰ মনৰ সঞ্জীৱনী বৃদ্ধি কৰা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

**(৪) মূল্যবোধৰ পৰিৱৰ্তন ঃ**

অসমীয়া গ্ৰাম্য সমাজৰ দলিলস্বৰূপ *উভলা শিপা* উপন্যাসত গ্ৰাম্য পৰিৱেশত গা কৰি উঠা মূল্যবোধৰ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। স্বাধীনোত্তৰ কালছোৱাত পুঁজিবাদী সমাজব্যৱস্থাই কঢ়িয়াই অনা ঐতিহ্যবিদ্বেষী মনোভাব আৰু ব্যক্তিস্বাতন্ত্ৰ্যৰ ধাৰণাই তৰুণ প্ৰজন্মক মূল্যবোধৰ ন ন ধাৰণা দিছে। আঘোণাৰ ভতিজা-বোৱাৰী নীলিমা আৰু সৰু ভতিজাক যতীনৰ কাৰ্যকলাপত নতুন মূল্যবোধক আঁকোৱালিব খোজা প্ৰতিচ্ছবি উপন্যাসখনত ধৰা দিছে। সমাজবিজ্ঞানৰ 'সামাজিক মূল্যবোধ তত্ত্ব' (Theory of social value orientation)ত ব্যক্তিৰ ভাব-চিন্তা, আচাৰ-আচৰণ, কৰ্তব্যবোধৰ ভিত্তিত চাৰিবিধ মূল্যবোধৰ উল্লেখ পোৱা যায়। সেইকেইবিধ হ'ল— আত্মকেন্দ্ৰিক, প্ৰতিযোগিতামূলক, সমবায় আৰু পৰোপকাৰ। এই চাৰিবিধ মূল্যবোধ প্ৰথম দুবিধ আৰু পিছৰ দুবিধ মূল্যবোধ পৰস্পৰ পৰিপূৰক আৰু ইয়াৰ প্ৰভাৱ প্ৰায় একেধৰণৰ।[৩৩]

---

৩৩। প্ৰদীপ নেওগ, 'সামাজিক মূল্যবোধৰ ভাৰসাম্যৰ প্ৰয়োজনীয়তা', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা, (সম্পা.), ছেপ্টেম্বৰ, ২০১৫, পৃ. ২১, ২২

আঘোণাৰ চৰিত্ৰত দেখা দিয়া মূল্যবোধ উল্লিখিত দুয়োযোৰ মূল্যবোধৰ সন্তুলিত অৱস্থা। যৌথ পৰিয়ালৰ মুৰব্বী বৃদ্ধ আঘোণাৰ মূল্যবোধৰ ভেটি সমবায়।[৩৪] আঘোণাই সৰু ভতিজাক যতীনৰ বিসদৃশ চাল-চলন, পিন্ধন-উৰণত সন্তুষ্ট হ'ব নোৱাৰি কুৰৈগুৰি পামলৈ গৈ পুত্ৰ ৰবিধৰৰ লগত পামত খেতি কৰাই উত্তম বুলি পৰামৰ্শ আগবঢ়াইছে। যতীনৰ দৰে শিক্ষাৰ প্ৰতি অনাগ্ৰহী ল'ৰাই পঢ়াশুনা কৰি লাভ নহ'ব বুলি ভাবি আঘোণাই ঘৰখনৰ সকলোৰে সহায়-সহযোগিতাৰ অৰ্থে খেতিবাতি কৰিবলৈ উপদেশ দিছে। আনহাতে আত্মকেন্দ্ৰিক আৰু প্ৰতিযোগী মূল্যবোধৰ নাৰী ভতিজা-বোৱাৰী নীলিমাই জাক মালতীৰ ঘৰখনত থকা অতিৰিক্ত প্ৰভাৱ স্বীকাৰ কৰি ল'বলৈ অসন্তুষ্ট। সেইবাবে নীলিমাই ঈৰ্ষা আৰু প্ৰতিহিংসাক মনৰ অৱদমন কোণত সাঁচি ৰাখে। নীলিমাৰ দৰে যতীনৰ চৰিত্ৰত আত্মকেন্দ্ৰিক আৰু প্ৰতিযোগী মূল্যবোধৰ পৰিচয় পোৱা যায়। বৰদেউতাক বৃদ্ধ আঘোণাই অভাৰচিয়াৰ পঢ়ুৱাবলৈ টকা-পইচা নিদিয়াৰ অজুহাতত যতীনে টেক্‌নিকেল স্কুল পাছ কৰি গাৰোপাহাৰত অভাৰচিয়াৰ চাকৰি কৰিবলৈ লয়। প্ৰতিহিংসাৰ উমি উমি জ্বলি থকা দাৱানল আৰু সাম্প্ৰতিক প্ৰজন্মৰ নৈতিক আৰু চাৰিত্ৰিক মূল্যবোধৰ স্খলনত যতীন চৰিত্ৰত মূল্যবোধৰ পৰিৱৰ্তনে দেখা দিছে। কামৰ 'ছুপাৰভাইজ' কৰিবলৈ ৰাজদূত কিনা, অভাৰচিয়াৰৰ টকাৰে নতুন ঘৰ সাজি ঘৰলোৱা পতা, আনৰ টেক্সি-মটৰ চলাই গাঁৱত ঘূৰি ফুৰা, হৰেক কিচিমৰ খাৱন-পিন্ধনে যতীনৰ প্ৰতিযোগী আৰু আত্মকেন্দ্ৰিক মনোভাবৰ পৰিচয় দিছে।[৩৫] যতীনৰ মনত সৃষ্টি হোৱা মাত্ৰাধিক আত্মকেন্দ্ৰিক মূল্যবোধৰ বাবে বৰদেউতাক আঘোণাক অপমান কৰাক লৈ যতীনৰ মনত কোনো শংকা, সংবেদনশীলতা বা সহানুভূতিৰ সৃষ্টি হোৱা নাই। যতীন চৰিত্ৰৰ প্ৰতিযোগী মূল্যবোধৰ কাৰক ঈৰ্ষা, উদ্বিগ্নতা, অসন্তুষ্টি, খং-ৰাগ, প্ৰতিহিংসা, শত্ৰুতা আদি ধ্বংসাত্মক আৱেগৰ চিত্ৰ উপন্যাসখনত দেখা গৈছে। গতিকে উপন্যাসখনত ভতিজা আৰু ভতিজা-বোৱাৰীৰ মূল্যবোধৰ সংঘাতে আঘোণাৰ মনত জটিলতাৰ সৃষ্টি কৰিছে।

৩৪। 'সমবায় মূল্যবোধে ব্যক্তিক যুটীয়া আৰু সমবায় প্ৰচেষ্টাৰ প্ৰতি আৰু আনৰ লগত সহায়-সহযোগিতাৰ আদান-প্ৰদান কৰাৰ প্ৰতি আগ্ৰহশীল কৰে।'
উল্লিখিত, পৃ. ২০৭

৩৫। 'মাত্ৰাধিক আত্মকেন্দ্ৰিক ব্যক্তিৰ আনৰ প্ৰতি সহানুভূতিশীলতা আৰু সংবেদনশীলতা তেনেই কম হয়।'
উল্লিখিত

**(৫) জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস ঃ**

জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস বাৰ্ধক্যৰ জটিল মনৰ আন এটি কাৰক যদিও সকলো বৃদ্ধ লোকৰ চৰিত্ৰত এই লক্ষণ দেখা নাযায়। উপন্যাসখনৰ মূল নায়ক বৃদ্ধ আঘোণাৰ চৰিত্ৰত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস দৃষ্টিগোচৰ হোৱা নাই। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসৰ বৃদ্ধ বিজয় ভৰালীৰ দৰে আঘোণাও মানসিকভাৱে নিঃসংগ এগৰাকী সত্তৰ বছৰীয়া বৃদ্ধ। ভৰালীৰ দৰে বৃদ্ধ আঘোণাই বিভিন্ন পৰিস্থিতিত মনৰ অস্বেচ্ছাকৃত আৰু অনিয়ন্ত্ৰিত পৰিস্থিতিত মানসিক জগতত একাকিত্বৰে নিজৰ আন্তৰিক সময়ৰ (time in mind or inner time) লগত ব্যস্ত হৈ পৰিছে। ফৰাচী দাৰ্শনিক হেন্‌ৰি বাৰ্গছন (Henri Bergson, 1859-1941)এ *টাইম এণ্ড ফ্ৰী উইল্* (*Time and Free Will*, 1889) গ্ৰন্থত সময়ক এক নিৰৱচ্ছিন্ন বা ধাৰাবাহিক স্ৰোত হিচাপে নিৰ্ধাৰণ কৰিছে। বাৰ্গছে সময়ৰ গতিক দুইধৰণে ভাগ কৰিছে আৰু ইয়াৰ প্ৰথমবিধক লা ডিউৰে' (la dure'e) বা আন্তৰিক সময় (time in mind or inner time) বুলি অভিহিত কৰিছে। এই সময় বহিৰ্দৃষ্টিৰে ধৰা নিদিয়া প্ৰতিজন মানুহৰ মনৰ অভ্যন্তৰত ক্ৰিয়া কৰা আন্তৰিক সময়।[৩৬] আনহাতে দ্বিতীয়বিধ সময় ডিউৰে'ৰে'এল্ (dure'e re'ele) বা যান্ত্ৰিক সময় (clock time or mechanical time)। এই সময় ঘড়ীৰ কাঁটাত ধৰা দিয়া প্ৰতিজন লোকৰ দৈনন্দিন জীৱনৰ আধাৰিত সময়। আঘোণাৰ জীৱনৰ অভিজ্ঞতাৰ প্ৰয়াস আনে দেখা নোপোৱা বা আনৰ আগত ব্যক্ত কৰিব নিবিচৰা মনৰ আন্তৰিক সময়। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসৰ সত্তৰ বছৰীয়া অৱসৰী বৃদ্ধ নায়ক বিজয় ভৰালীয়ে অতীতকে বৰ্তমান বুলি ভবাৰ দৰে আঘোণাৰ অতীতৰ স্মৃতি ৰোমন্থনে সত্তৰ বছৰ বয়সতো পত্নীৰ লগত কটোৱা অতীতৰ প্ৰেম স্মৰণ কৰি মনত শিহৰণ জগাই তুলিছে। বাৰ্ধক্যত সৃষ্টি হোৱা মনৰ জটিলতাৰ বাবে কোনো কোনো লোকে আনৰ আগত নিজৰ অভিজ্ঞতা ব্যক্ত কৰি তৃপ্তি পায় আৰু কোনোজনে মনৰ কথা আনৰ আগত প্ৰকাশ কৰাতকৈ অতীতৰ স্মৃতি ৰোমন্থন কৰি আত্মতৃপ্তি লভে। *উভলা শিপা* উপন্যাসৰ নায়ক বৃদ্ধ আঘোণাই আভ্যন্তৰীণ জগতত নিজৰ মনতে অতীতৰ স্মৃতি

---

৩৬। 'যি কেতিয়াবা মনৰ অৱস্থা লৈ বা পৰিস্থিতি অনুসৰি ঘড়ীৰ সময় এক মিনিট হ'লেও এঘণ্টা বুলি বোধ হ'ব পাৰে অথবা ঘড়ীৰ সময় দুঘণ্টা হ'লেও মনতে মাথোন দুই মিনিট যেন লাগিব পাৰে।'

গোবিন্দ প্ৰসাদ শৰ্মা, *উপন্যাস আৰু অসমীয়া উপন্যাস*, পৃ. ৪১

গুঁজৰি-গুমৰি জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস কৰিছে। সেইফালৰ পৰা আঘোণাৰ অতীতৰ স্মৃতি ৰোমন্থনেই জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ এক অন্যতম প্ৰকাশ।

**(৬) ব্যক্তিকেন্দ্ৰিক অহমিকা ঃ**

ব্যক্তিকেন্দ্ৰিক অহমিকা প্ৰত্যেক ব্যক্তিৰে মনৰ এক বৈশিষ্ট্য। আঘোণাৰ ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বিকাশ ঘটে যেতিয়া তেওঁ ঘৰখনৰ লগতে গাঁৱখনৰ অন্যতম মুৰব্বী হৈ পৰে। "...এইদৰে ঘৰখনত, পৰিয়ালত আৰু গাঁৱৰ ৰাইজৰ মাজত আঘোণাৰ এক বিশিষ্ট গুৰুত্বপূৰ্ণ মৰ্যাদা প্ৰতিষ্ঠা আৰম্ভ হয়। ঘৰত তেওঁ হ'ল মুৰব্বী অভিভাৱক আৰু গাঁৱত অন্যতম মুখিয়াল ব্যক্তি।"[৩৭] আঘোণাৰ সৰু পুত্ৰ কণটিয়ে দেশী চেৰাব খাই জহন্নামে যোৱা আৰু মালীজান দলঙৰ কাষৰ ভেদেলী বুঢ়ীৰ জীয়াৰী ৰতনীৰ লগত অবৈধ সম্পৰ্ক স্থাপন কৰাক লৈ আঘোণাৰ ব্যক্তিকেন্দ্ৰিক অহমিকা খৰ্ব হৈছে। পুত্ৰৰ চৰিত্ৰৰ বাবে লাজত সমাজৰ আগত নাক উলিয়াব নোৱাৰা আৰু ব্যক্তিকেন্দ্ৰিক অহমিকা ম্লান হোৱাৰ ভয়ত বৃদ্ধ আঘোণাৰ মনত জটিলতাৰ সৃষ্টি হৈছে।

> তয়েহে তাক বচাব পাৰিবি ৰতনী। তই যদি তাক লগ নিদিয়, তাক তহঁতৰ ঘৰলৈ সোমাব নিদিয়, তেনেহ'লে সি বাচিব। এইবোৰ কেলেংকাৰি কৰি সি মোৰ, আমাৰ বংশৰ বদনাম আনিছে, তয়েহে তাৰ পৰা আমাক ৰক্ষা কৰিব পাৰিবি। ৰসাতললৈ যোৱা ল'ৰাটোক মোক ঘূৰাই দে ৰতনী।[৩৮]

আঘোণাৰ ব্যক্তিকেন্দ্ৰিক অহমিকাত আঘাত হনা দ্বিতীয়টো কাৰণ থগী মহাজনৰ পিয়াদা নুৰ মহম্মদে মৌজাদাৰৰ ঘৰলৈ তেওঁক মতাই নি ভাতৃ ভুধৰৰ বিৰুদ্ধে এটা গোচৰ দিয়ে। পুলিচে বেয়া কাম কৰা বুলি ভূধৰক সন্দেহ কৰা আৰু সেই সম্পৰ্কত অভিভাৱক হিচাপে আঘোণাক অৱগত কৰোৱাত বৃদ্ধ আঘোণা আত্মপ্ৰৱঞ্চনাৰ সন্মুখীন হৈছে।

৩৭। অৰুণ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২৭

৩৮। উল্লিখিত, পৃ. ৩৮

এতিয়া পুলিচ আহি বিচাৰ লৈছে। আৰু কথাবোৰ যদি কেনেবাকৈ সঁচা হয়, দাৰোগা-পুলিচ আহি হয়তো এদিন তেওঁৰ চোতালতে ভৰি দিবহি। কি ভয়ানক অঘটন ঘটিল! কি অমংগলীয়া আৰু অপবাদৰ কথা হ'ব। আঘোণাৰ গাৰ তেজবোৰ মূৰৰ পিনে উঠি যোৱা যেন অনুভৱ কৰিলে।[৩৯]

সহজ-সৰল আঘোণাই ভঙুৱা ভাতৃ ভূধৰক দেশদ্ৰোহী বুলি জনাত তেওঁৰ ব্যক্তিকেন্দ্ৰিক অহমিকা খৰ্ব হয় যদিও পাছলৈ ভূধৰে কিবা এটা মহৎ কাম কৰা বুলি মনত গভীৰ বিশ্বাস জাগে।

আঘোণাৰ ব্যক্তিকেন্দ্ৰিক অহমিকাত আঘাত হনা তৃতীয় ঘটনাৰ সূত্ৰপাত ঘটে তেওঁৰ সৰু ভায়েক নৰামৰ পৰিয়ালৰ ঠালটোৰ পৰা। একোটা বংশ, একেহাল পিতৃ-মাতৃ, একেখন ঘৰ, একেটা পাৰিপাৰ্শ্বিকতাত জন্ম আৰু ডাঙৰ-দীঘল হোৱা, একেখন পথাৰ, একেটা ভঁৰাল, একেখন চোতাল আৰু একেটা চৰুতে একেসুৰীয়া জীৱনগাঁথনি সত্বেও বৃদ্ধ আঘোণাৰ প্ৰতিপত্তি থকা যৌথ ঘৰখনত বৈষম্যৰ সূত্ৰপাত ঘটে। নৰামৰ বৰবোৱাৰী নীলিমা ন-কৈ ঘৰ সোমোৱাৰ দিনা তেওঁৰ ভৰিৰ ছেণ্ডেলযোৰে আঘোণাৰ বয়োজ্যেষ্ঠতাক আঘাত হনা বুলি তেওঁৰ মনত ব্যক্তিকেন্দ্ৰিক অহমিকাৰ সৃষ্টি হয়। আঘোণাৰ অহমিকাত অত্যধিক কুপ্ৰভাৱ পেলোৱা চৰিত্ৰটো হ'ল নৰামৰ সৰু পুত্ৰ যতীন। যতীনক অভাৱচিয়াৰ পঢ়াবলৈ ঘৰৰ ধান বেচি পইচাৰ যোগাৰ কৰিবলৈ আঘোণাক ভায়েক নৰামে প্ৰস্তাৱ দিয়াত আঘোণাই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। বুদ্ধি-বৃত্তিত ভোটা যতীনক পঢ়ুওৱাতকৈ পামত খেতি কৰিবলৈ দিয়া আঘোণাৰ পৰামৰ্শত ভায়েক নৰামৰ পৰিয়ালটো ক্ষুণ্ণ হৈ পৰে। ভতিজাক নৰেন আৰু যতীনেও তাৰ উচিত প্ৰতিবাদ আঘোণাক দিয়ে— "তেনেহ'লে বৰপিতাই, আমাৰ মাটিখিনি আৰু ভঁৰালৰ ধানখিনি এফলীয়া কৰি দে।"[৪০] নৰেনৰ কথাত আঘোণা স্তম্ভিত হৈ পৰে। এসময়ত পৰিয়ালকেন্দ্ৰিক সংঘাতে আঘোণাৰ ঘৰখনৰ পথাৰ, চৰু, আনকি ঘৰৰ ভেটিও দুভাগ কৰে। যৌথ পৰিয়ালটোৰ, গাঁৱৰ সমাজখনত এজন সন্মানীয়, অভিজ্ঞ, বৃদ্ধ ব্যক্তি হিচাপে আঘোণাৰ মৰ্যাদাৰ অৱনতিয়ে তেওঁৰ ব্যক্তিকেন্দ্ৰিক অহমিকাক ম্লান পেলায়। সেইবাবে তেওঁ যৌথ পৰিয়ালটোৰ নিজা ঘৰখন আৰু গাঁৱৰ সমাজখনৰ পৰা পলাই পুত্ৰ ৰবিধৰৰ পামঘৰলৈ ৰাওনা হয়।

৩৯। উল্লিখিত, পৃ. ৪৬

৪০। উল্লিখিত, পৃ. ৫৪

**(৭) জীৱনপ্ৰীতি ঃ**

প্ৰত্যেক ব্যক্তিয়ে আশাৰে জীৱনটো অতিবাহিত কৰে। বাৰ্ধক্যত ব্যক্তিৰ আশা অথবা জীৱনপ্ৰীতিৰ আকাংক্ষা ক্ৰমে বৃদ্ধি পায়। বৃদ্ধ আঘোণাই সত্তৰৰ ডেওনা পাৰ কৰাৰ পাছতহে জীৱনপ্ৰীতি বৃদ্ধি পোৱাটো উপন্যাসখনত পৰিলক্ষিত হৈছে। যৌথ পৰিয়ালটোৰ মুৰব্বী আৰু গাঁৱৰ সমাজৰ নামঘৰৰ পাঠেক হোৱাৰ পাছৰে পৰা বৃদ্ধ আঘোণাৰ জীৱনৰ আশা আৰু ক্ষমতা প্ৰতিপত্তিৰ আলমেৰে বাঢ়িবলৈ ধৰে। সমাজত পদমৰ্যাদা বঢ়াৰ লগে লগে যৌথ ঘৰখনত বৃদ্ধ আঘোণাৰ মৰ্যাদা ক্ৰমে বাঢ়িবলৈ ধৰে যদিও নৰামৰ পৰিয়ালৰ লগত হোৱা সংঘাতে আঘোণাৰ মনৰ জটিলতাত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। যতীনে টাউনৰ পৰা অনা চন্দন কাঠৰ ঠগা আৰু কীৰ্ত্তনপুথিখন দেখিও আঘোণাই নামলোৱা সকামত তেৱেঁই নামলোৱা পাঠেক হৈ পুৰণি কীৰ্ত্তনপুথিখন পঢ়িব বুলি মনত আশা পুহি ৰাখে। "...মই থাকিবই লাগিব, নাম দিয়াত মোক লাগিবই। মই ন'হলে কেনেকৈ হ'ব।"[৪১]

যৌৱনত বকুলীৰ লগত কটোৱা ল'ৰা-ধেমালিবোৰ সময়ত বাস্তৱত ৰূপায়িত হোৱাত আঘোণাই ভবামতে জীৱনটো সুখৰ কৰি তোলে। প্ৰকৃতিৰ অনুপম সৌন্দৰ্যই তেওঁৰ আশাবোৰ জীপাল হোৱাত অৰিহণা যোগায়। পথৰুৱা জীৱনত আঘোণাই বকুলীৰ লগত কটোৱা অতীতৰ বহু ৰোমাঞ্চকৰ মুহূৰ্ত আশাৰে অতিবাহিত কৰে। আনকি পিতৃ ঢুকোৱাৰ পাছত গাঁৱৰ ৰাইজৰ মাজত আঘোণাৰ গুৰুত্ব নকৈ প্ৰতিষ্ঠা হোৱাত আঘোণাৰ আশাই দুগুণে প্ৰাণ পাই উঠে। গাঁৱৰ লগতে ঘৰখনৰ অভিভাৱক হৈ পৰাত আঘোণাৰ জীৱনৰ আশা ক্ৰমে বাঢ়িবলৈ ধৰে। প্ৰকৃতিক ভাল পাব পৰা, প্ৰকৃতিৰ লগত মিলি চলিব জনা বৃদ্ধ আঘোণাৰ জীৱনপ্ৰীতিৰ পৰিচয় উপন্যাসখনত পথৰুৱা জীৱনে প্ৰমাণ দিয়ে। যৌথ পৰিয়ালটোত আঘোণাই নিজৰ লগতে ভাই-ভতিজাহঁতে কৃষিজীৱনৰ লগত লাগি থাকিব পৰাকৈ পামৰ মাটি ভাঙি খেতি কৰিবলৈ আদৰ্শ দেখুৱায়। আপোন-পৰৰ ভেদ নৰখা আঘোণাৰ জীৱনৰ আশা পো-বোৱাৰী, ভাই-ভতিজা, ভতিজা-বোৱাৰীৰ সৈতে মিলাপ্ৰীতিৰে অনাগত জীৱনৰ দিনবোৰ সুন্দৰকৈ অতিবাহিত কৰা। নিজৰ কৰ্তৃত্বৰে যৌথ পৰিয়ালটোৰ পৰিচালনাৰ দয়িত্ব গ্ৰহণ কৰা বৃদ্ধ আঘোণাৰ

৪১। উল্লিখিত, পৃ. ৭০

জীৱনপ্ৰীতিৰ নিদৰ্শন উপন্যাসখনত দাঙি ধৰা হৈছে। আশা অবিহনে জীৱন মূল্যহীন। বৃদ্ধ আঘোণাই পো-বোৱাৰী, নাতি-নাতিনীৰে ভৰা ঘৰখনত আশা আৰু আনন্দৰে জীৱন উপভোগ কৰিব বিচাৰে। পাছলৈ নৰামৰ পৰিয়ালৰ ঠালটোৰ লগত হোৱা পাৰিবাৰিক সংঘাতৰ বাবে আঘোণাই জীৱনৰ আশাবোৰ ভবামতে সুখৰ কৰিব পৰা নাই। ভাই-ভতিজাহঁতৰ অপমানত জৰ্জৰিত আঘোণাৰ বাধক্য-জীৱনলৈ নামি আহিছে কেৱল হতাশা আৰু নিৰাশা। ভাই-ভতিজাহঁতৰ অপমান পাহৰিবলৈ আঘোণাই পুৰণি ঘৰৰ ভেটি এৰিবলৈ মনে মনে সিদ্ধান্ত লৈছে। সেই ঠাই এৰি থাকিলে কিজানি তেওঁৰ মনৰ হতাশা নাশ হৈ আশাৰ সঞ্চাৰ হয়, তাৰ বাবে পামঘৰত থকা পুত্ৰ ৰবিধৰৰ ঘৰলৈ যাবলৈ মানসিক প্ৰস্তুতি চলায়। যোৱাৰ আগমুহূৰ্তত চিলিমযোৰ আৰু ৰঙা কাপোৰেৰে মেৰিওৱা কীৰ্ত্তনপুথিখন আথেবেথে আঘোণাই পেৰাটোত ভৰাই লগত নিবলৈ বিচাৰে। বাৰ্ধক্যৰ ৰাগী হোকা-চিলিমযোৰৰ আশা আঘোণাই কোনোমতে এৰিব পৰা নাই— "মইনো কি সম্পত্তিসোপা লৈ যাবলৈ ওলাইছোঁ অ'। এইযোৰ মোৰ দেহাটোৰ এভাগ। বুঢ়া হৈছোঁ। অকলশৰে থাকোঁ। হোকা-চিলিমযোৰেই লগ।"[৪২] পৈতৃক সম্পত্তি হিচাপে পোৱা সেই চিলিমযোৰেই তেওঁৰ জীৱনৰ শেষ আশাৰ লগৰী। আনকি ৰঙা কাপোৰেৰে মেৰিওৱা কীৰ্ত্তনপুথিভাগ পেৰাটোত সযতনে এৰীচাদৰৰ মাজত ভৰাই পামঘৰলৈ নিবলৈ বিচৰা আঘোণাৰ চৰিত্ৰত জীৱনপ্ৰীতিৰ পৰিচয় পোৱা যায়।

> কেইদিনমান দীঘলীয়াকৈ থাকিম এইবাৰ। পুথিখন ল'লোঁ। মাজে-মধ্যে মেলিম। আৰু কৰৈগুৰিত এতিয়া ভালেখিনি মানুহ নিগাজী হৈছে। সমাজ হৈছে। মই গ'লে কোনোবাই পুথি এআধ্যা গাবলৈ নামাতিব বুলিনো কেনেকৈ কৱ। ল'লোঁ লগত।[৪৩]

মহাপুৰুষীয়া সংস্কৃতিৰ সাধক বৃদ্ধ আঘোণাই ভায়েক নৰামৰ ঘৰলোৱা সকামলৈ নিমন্ত্ৰণ নোপোৱাত জীৱনৰ সকলো আশা নস্যাৎ হৈছে। আনকি সেই সকামভাগত আনে লগাই দিয়া নামভাগ চুৰকৈ গুণগুণাব লগাত আঘোণাৰ মনোদ্বন্দ্ব স্পষ্টকৈ উপন্যাসখনত প্ৰকাশ পাইছে। আশা আৰু হেঁপাহেৰে জীৱন অতিবাহিত কৰিব বিচৰা, প্ৰকৃতিক জীৱনসংগী কৰি লোৱা বৃদ্ধ আঘোণাই জীৱনপ্ৰীতিৰ বাবে

---

৪২। উল্লিখিত, পৃ. ৭৫

৪৩। উল্লিখিত

পিতৃভিঠা এৰি কুবৈৰুৰিৰ পৰা উভতি নহাৰ প্ৰতিশ্ৰুতিৰে পুৰণি ঘৰখনৰ পৰা ওলাই যায়।

**(৮) শাৰীৰিক অসুস্থতাৰ সমস্যা ঃ**

শাৰীৰিক অসুস্থতা বৃদ্ধ লোকৰ এক জটিল সমস্যা। *উভলা শিপা* উপন্যাসত সত্তৰ বছৰীয়া আঘোণাৰ বাৰ্ধক্যজনিত দুৰ্বলতা অহাটো স্বাভাৱিক। বৈষ্ণৱ সংস্কৃতিৰ সাধক বৃদ্ধ আঘোণাই নিত্য-নৈমিত্তিক নাম-প্ৰসংগ কৰা আৰু সাত্বিক জীৱন যাপন কৰাৰ বাবে শাৰীৰিক সমস্যা তেনেকৈ উপন্যাসখনত দেখা নাযায়। কৰদৈচুকৰ সৰ্বাই পণ্ডিতৰ ঘৰৰ নামলোৱাকে আদি কৰি গাঁওখনৰ ইঘৰ-সিঘৰ আৰু নামঘৰত পুথি-পাঁজি পঢ়ি থকা আঘোণাৰ শৰীৰ আৰু মনৰ সন্তুলন স্বাভাৱিক ৰূপত দেখা যায়। বাৰ্ধক্যজনিত শাৰীৰিক দুৰ্বলতাত ভতিজাকৰ লগত হোৱা হতাহতিত আঘোণা আফাল খাই পৰা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। উপন্যাসখনত আঘোণাৰ শাৰীৰিক সমস্যাতকৈ মানসিক সমস্যাই অধিক গা কৰি উঠিছে। ভতিজাহঁতৰ ব্যৱহাৰত অপদস্থ আৰু ইমানদিনে আটোমটোকাৰিকৈ ৰখা ঘৰখনত বিজুতি ঘটাত আঘোণাৰ জীৱনলৈ মানসিক অৱসাদ নামি আহিছে। নৰামৰ অভাৰচিয়াৰ পুত্ৰ যতীনে ঘৰলোৱা সকামলৈ ন-কৈ অনা চন্দন কাঠৰ ঠগা, কীৰ্ত্তনপুথিখন দেখি বৃদ্ধ আঘোণাৰ মানসিক অস্থিৰতা বৃদ্ধি পায়। পুথিখন গাড়ীৰ ভিতৰৰ পৰা উলিয়াই যতীনে গাড়ীৰ দুৱাৰ জপাই দিয়া শব্দত আঘোণাৰ মন আৰু মগজুত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বুকুত বন্দুকৰ গুলীৰ দৰে খুন্দা মৰা গাড়ীৰ বন্ধ দুৱাৰৰ শব্দই আঘোণাৰ শৰীৰত অতিৰিক্ত মানসিক চাপ পেলায়। পৰিয়াল আৰু সমাজৰ এজন বয়োজ্যেষ্ঠ পাঠেক ঘৰখনত থকা সত্ত্বেও আন পাঠেকে পৰিয়ালৰ আনটো ঠালত নামভাগ লগোৱাত আঘোণা মানসিকভাৱে ভাগি পৰে। মানসিক অন্তৰ্দ্বন্দ্বত ৰাতি এপৰলৈকে বাহিৰৰ বাৰাণ্ডাত খাপ পিটি থকা আঘোণাৰ মনৰ স্থিতিয়ে এগৰাকী মহাপুৰুষীয়া বৃদ্ধ সাধকৰ মানসিক অৱসাদক শাৰীৰিক সমস্যা হিচাপে উপন্যাসখনত ধৰা দিয়াইছে। নৰামৰ ঘৰৰ নাম সামৰণিৰ আঁঠুলোৱা পৰ্বটিত উথপ্থপ্ লগা শুনি মানসিক দ্বন্দ্বত অস্থিৰ বৃদ্ধ আঘোণাই ভঁৰালৰ গাধৈৰ তলেৰে জুমি চাই নৰামক সকলোৰে আগত আঁঠু লোৱা দেখি অপ্ৰস্তুত হৈ পৰে। অৱশেষত মনৰ খু-দুৱনি সহিব নোৱাৰি ক'ব নোৱৰাকৈ আঘোণাই ভঁৰালৰ কাষৰ জেওৰাখনৰ ফাঁক এটা কৰি নৰামৰ চোতালত উপস্থিত হয়। সকলোৰে শেষত আঁঠু লৈ ভকত আৰু ভগৱন্তৰ শ্ৰীচৰণত ঘৰখনৰ সকলোকে সুমতি দিবলৈ আশীৰ্বাদ বিচাৰে। নৰামৰ চোতালৰ নামলোৱা ঠাইৰ পৰা ঘূৰি অহা আঘোণাই

বোৱাৰীয়েক মালতীক দেখি নিজকে অপৰাধী বুলি ভাবিবলৈ ধৰে— “এৰা অ’ সৰু মাজু, মনে নামানিলে, নাম থোৱাৰ পিছত সেৰাটোকে কৰি আহিলোঁ।”[৪৪]

মানসিক সংঘাত সহ্য কৰিব নোৱাৰি অৱশেষত নিজা ঘৰখন, যৌথ পৰিয়ালটো আৰু গাঁৱৰ সমাজখন এৰিবলৈ বৃদ্ধ আঘোণাই মানসিকভাৱে প্ৰস্তুতি চলায়। পুৰণি ঘৰখন, যৌথ পৰিয়ালটো, গাঁৱৰ সমাজখন এৰি অভিমানেৰে গুচি যোৱা আঘোণাৰ মানসিক সংঘাতে সময়ত শাৰীৰিক-মানসিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

> আঘোণাৰ মাজে মাজে চাৰিওপিনে আন্ধাৰ যেন লাগিল। তেওঁৰ এনে লাগিল যেন জেওৰাৰ খুঁটিবোৰে তেওঁৰ গোটেই গাত খুঁটিছে। কামিবোৰে যেন তেওঁক মেৰিয়াই ধৰিছে। তেওঁ যেন এৰুৱাব পৰা নাই; তেওঁৰ গাৰ পৰা, চকুৰ পৰা যেন ধাৰাসাৰে তেজ ওলাবলৈ ধৰিছে। তেওঁ গোটেইখন আন্ধাৰ দেখিছে।[৪৫]

মন-মগজুত সৃষ্টি হোৱা প্ৰবল মানসিক চাপৰ ফলত পুত্ৰ ৰবিধৰৰ চোতালত পৰি বৃদ্ধ আঘোণাই মৃত্যুক সাবটি লয়। শৰীৰত সৃষ্টি হোৱা অত্যধিক মানসিক চাপে আঘোণাৰ জীৱনলৈ মৃত্যুৰ দৰে ভয়ংকৰ বিপদ নমাই আনে।

**(৯) শৈক্ষিক মূল্যবোধৰ অভাৱ ঃ**

শৈক্ষিক মূল্যবোধৰ অভাৱত সমাজ-জীৱনলৈ অহা দ্ৰুত পৰিৱৰ্তনত বৃদ্ধ আঘোণাৰ মানসিক জটিলতাৰ সৃষ্টি হোৱাটো উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। সামাজিক পৰম্পৰা আৰু ঐতিহ্য বজাই ৰাখিব নজনা, ভাই-ভতিজাহঁতৰ শৈক্ষিক মূল্যবোধৰ অভাৱৰ বাবে পৰম্পৰাবিশ্বাসী আঘোণাই মানসিক অন্তৰ্দ্বন্দ্বৰ লগতে বাহ্যিকভাৱে অপদস্থ হ’ব লগাত পৰিছে।[৪৬]

স্বৰাজোত্তৰ কালছোৱাত নতুন শিক্ষাৰ পোহৰে শৈক্ষিক ক্ষেত্ৰখনলৈ অনা পৰিৱৰ্তনৰ ফলস্বৰূপে নতুন প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ ধাৰণা সলনি হৈছে। কৃষিজীৱী সমাজখনৰ পৰিৱৰ্তে নতুন প্ৰজন্মৰ বস্তুবাদী মানসিকতা আৰু ‘ধানৰ পৰিৱৰ্তে নগদ ধন, বিশেষকৈ উপৰুৱা ধনে জীৱনযাত্ৰাৰ প্ৰণালী সলনি

৪৪। উল্লিখিত, পৃ. ৭৪

৪৫। উল্লিখিত, পৃ. ৮০

৪৬। নগেন ঠাকুৰ, পূৰ্বোল্লিখিত, পৃ. ৬৮২

কৰা'[৪৭] উপন্যাসখনৰ নৰেন, যতীন আৰু নৰেনৰ পত্নী নীলিমাৰ চৰিত্ৰত থকা ভোগবাদী মানসিকতাৰ পৰা বুজিব পাৰি। আঘোণা পাঠেকৰ অন্তৰ্দ্বন্দ্বৰ মূল কাৰণ ভতিজাক যতীনক অভাৰচিয়াৰ পটুৱাবলৈ ধান বেচাৰ বাবে দিয়া ভাই-ভতিজাৰ প্ৰস্তাৱ। ভতিজা-বোৱাৰী নীলিমাৰ আচাৰ-আচৰণত শিক্ষাৰ প্ৰকৃত মূল্যবোধৰ অভাৱ উপন্যাসখনত দেখা গৈছে। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসত বৃদ্ধ বিজয় ভৰালীয়ে পত্নী ইলাৰ আচৰণ-সংস্কাৰ বোৱাৰীয়েক কমলাৰ চৰিত্ৰত বিচৰাৰ দৰে বৃদ্ধ আঘোণায়ো ভতিজা-বোৱাৰী নীলিমাক পত্নী বকুলী অথবা পো-বোৱাৰী মালতীৰ দৰে সংস্কাৰী হোৱাতো বিচাৰিছে। আঘোণাই মনে বিচৰা সংস্কাৰী ভাব ভতিজা-বোৱাৰী নীলিমাৰ চৰিত্ৰত দেখা নোপোৱাৰ মূল কাৰণ শৈক্ষিক মূল্যবোধৰ অভাৱ।

> ...সেই মূল্যখিনিৰ ওপৰতে খুঁটিনাটি ঘটনা কিছুমানৰ মাজেৰে ক্ৰমে নীলিমা আৰু মালতীৰ মাজত হেতা-ওপৰা লাগিবলৈ ধৰিলে। সেয়ে নহয়, হেতা-ওপৰা ক্ৰমে এদিন নীলিমা আৰু মালতীৰ পৰা গৈ আঘোণা আৰু নৰামৰ দুটা পৰিয়ালৰ মাজতো অলপ অলপকৈ বিয়পি পৰিবলৈ ধৰে।[৪৮]

ককাক মতিৰাম কাননগোৰ টকা-পইচা আৰু আচাৰ-আচৰণ, ভেম-আভিজাত্যৰ প্ৰভাৱ নাতিহঁতৰ ওপৰত পৰাত ভায়েক নৰামৰ পৰিয়ালৰ ঠালটোৰ শৈক্ষিক মূল্যবোধৰ অভাৱ আঘোণাই প্ৰত্যক্ষ কৰিছে। পৰিয়ালটোৰ শৈক্ষিক মূল্যবোধৰ অভাৱেই আঘোণাৰ জীৱনলৈ অভাৱনীয় আৰু অবাঞ্ছিত দুখ নমাই আনিছে। মহাপুৰুষীয়া সংস্কৃতিৰ সাধক আঘোণাৰ আনুষ্ঠানিক শিক্ষা ন'হলেও পৰম্পৰাবিশ্বাসী যৌথ ঘৰখনত লাভ কৰা ঘৰুৱা শিক্ষাই তেওঁৰ সংস্কাৰী মনৰ পৰিচয় দিছে। জীৱনৰ সঞ্চিত সংস্কাৰ, পৰম্পৰা আৰু জীৱনৰ অভিজ্ঞতাৰ সমলেৰে যৌথ ঘৰখনত সকলোকে মিলিজুলি থাকিব পৰাকৈ আঘোণাই পৰামৰ্শৰে বান্ধি ৰাখিবলৈ চেষ্টা কৰিছে। যৌথ ঘৰখনৰ সকলো সন্তানে প্ৰাত্যহিক সান্ধ্যপ্ৰাৰ্থনা কৰা, সৰু সৰু সন্তানকেইটিৰ লগত বহি শিক্ষাৰ প্ৰাথমিক জ্ঞান দিবলৈ যত্ন কৰা, পথৰুৱা জীৱন উপভোগ কৰা, পাকঘৰৰ মজিয়াত একেলগে অন্ন গ্ৰহণ কৰা, কণ কণ সন্তানকেইটিক নিজৰ ভাগৰ কল-গাখীৰৰ ভাত খুওৱা আদি বহু কথাই বৃদ্ধ আঘোণাৰ যৌথ পৰিয়ালটোৰ সংস্কাৰী জীৱনৰ চিত্ৰ উপন্যাসখনত

৪৭। উল্লিখিত, পৃ. ৬৮৩

৪৮। অৰুণ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ৫৩

দাঙি ধৰিছে। আঘোণাৰ পত্নী বকুলীৰ মৃত্যুৱে ঘৰখনৰ সংস্কাৰী মনোভাব কিছু স্তিমিত কৰিছে যদিও পো-বোৱাৰী মালতীৰ সংস্কাৰী মনে বকুলীৰ সেই ঠাইকণ পুনৰ পূৰণ কৰিবলৈ যত্ন কৰিছে। শৈক্ষিক মূল্যবোধৰ অভাৱ, ভতিজাহঁতৰ উপৰুৱা ধনৰ প্ৰতি থকা আকৰ্ষণ আৰু ভোগবাদী মানসিকতা দেখি বৃদ্ধ আঘোণাৰ সংস্কাৰী মনে নীৰৱে আৰ্তনাদ কৰি উঠে। যৌথ পৰিয়ালটোৰ ভেটিৰ মাটি বিভাজিত কৰা, বৃদ্ধ আঘোণাক অপদস্থ কৰা, অভাৰচিয়াৰ চাকৰিৰে খুব কম দিনৰ ভিতৰতে নগৰীয়া জীৱনৰ ভোগবাদী হৰেক-কিচিম বস্তু ঘৰলৈ কঢ়িওৱা— ভতিজাক যতীনৰ চৰিত্ৰই শৈক্ষিক মূল্যৱোধৰ অভাৱ থকা এজন ভোগবাদী যুৱকৰ পৰিচয় দিছে। পৰম্পৰাবিশ্বাসী পুৰণি যৌথ ঘৰখনত নিজৰ কৰ্তৃত্বৰে সকলো সমস্যা সমাধান কৰা সংস্কাৰী ঘৰখনত কুসংস্কাৰ আৰু শৈক্ষিক মূল্যবোধৰ অভাৱে গা কৰি উঠাত আঘোণাৰ মানসিক জটিলতাৰ সৃষ্টি হৈছে। আঘোণাক ভতিজাকে অপমান কৰা, সৰু পুত্ৰই মদ্যপান কৰি অভব্য আচৰণ দেখুওৱা কাৰ্যত শৈক্ষিক মূল্যবোধৰ অভাৱ স্পষ্ট হৈছে।

**(১০) নগৰীয়া জীৱনৰ যন্ত্ৰণা ঃ**

উপন্যাসখনত নগৰীয়া জীৱনৰ যন্ত্ৰণাৰ চিত্ৰ দেখা নাযায় যদিও নগৰীয়া জীৱনৰ বস্তুবাদী মানসিকতাই কিদৰে বৃদ্ধ আঘোণাৰ জীৱন বিপন্ন কৰিছে, সেয়া পৰিলক্ষিত হৈছে। ভায়েক নৰামৰ শহুৰেক মতিৰাম কাননগোৰ লগত সম্বন্ধ কৰাৰে পৰা আঘোণাৰ পাৰিপাৰ্শ্বিকতাত নগৰীয়া জীৱনৰ বা লাগিবলৈ ধৰে। "...য'ৰ পৰা চাইকেলেৰে অফিচ-কাছাৰী কৰিবলৈ কেৰাণী-মহৰি যাব পাৰে, কলেজ কৰিবলৈ, চিনেমা চাবলৈ ডেকা ল'ৰা যাব পাৰে— তেনে এখন গাঁৱৰ পৰা ভতিজাক নৰেনৰ কাৰণে ছোৱালী অনা হ'ল।"[৪৯] স্বৰাজোত্তৰ কালছোৱাত পুঁজিবাদী আৰু নগৰীয়া জীৱনৰ প্ৰভাৱ সকলো ঠাইতে সমানে দেখা যোৱা নগৈছিল যদিও নগৰীয়া জীৱনৰ ব্যক্তিস্বাতন্ত্ৰ্যৰ প্ৰাধান্য গাঁৱলীয়া সমাজত বিয়পি পৰা উপন্যাসখনত দেখা যায়। বৃদ্ধ আঘোণাই গাঁৱৰ সহজ-সৰল পৰিৱেশ-পৰিস্থিতিত জীৱন অতিবাহিত কৰিলেও নগৰীয়া জীৱনৰ ভোগবাদী সমাজৰ পৰা আঁতৰি আহিব পৰা নাই। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসৰ বৃদ্ধ বিজয় ভৰালীৰ দৰে বৃদ্ধ আঘোণা কিন্তু নগৰীয়া জীৱনৰ নিঃসংগতাৰ বলি হোৱা নাই।

৪৯। উল্লিখিত, পৃ. ৫২

গাঁৱলীয়া জীৱনৰ যৌথ পৰিয়ালটো নিজৰ কৰ্তৃত্বৰে পৰিচালনা কৰা বৃদ্ধ আঘোণা পাঠেক মনৰ জোখাৰে সুখী ব্যক্তি। কিন্তু নগৰীয়া জীৱনৰ সংস্পৰ্শলৈ অহা নীলিমা, নৰেন আৰু যতীনহঁতৰ দৰে তৰুণ প্ৰজন্মৰ নতুন মূল্যবোধ আৰু চিন্তা-চেতনাই আঘোণাৰ জীৱনত আউল লগাইছে। সেইবাবে পৰম্পৰাবিদ্বেষী ভাই-ভতিজা আৰু ভতিজা-বোৱাৰীৰ দ্বাৰা অপদস্থ হৈ আঘোণাই জন্মৰ ভেটি এৰিবলৈ বাধ্য হৈছে। এইক্ষেত্ৰত আঘোণাৰ জীৱনত নগৰীয়া জীৱনৰ প্ৰত্যক্ষ প্ৰভাৱ পৰা নাই যদিও পৰোক্ষ প্ৰভাৱ পৰা দৃষ্টিগোচৰ হৈছে। নগৰীয়া জীৱনৰ ভোগ আৰু সুখৰ বস্তু নৰামৰ পৰিয়ালটোলৈ আমদানি হোৱা দেখি বৃদ্ধ আঘোণাৰ মনত জটিলতাৰ সৃষ্টি হৈছে।

**(১১) অন্যান্য কাৰণ ঃ**

*উভলা শিপা* উপন্যাসত উল্লিখিত কাৰণসমূহৰ উপৰি আঘোণাৰ বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন এটি কাৰণ ওপজা ঠাইৰ প্ৰতি থকা গভীৰ আকৰ্ষণ। ভাই-ভতিজাহঁতৰ অপমানৰ বাবে গাঁৱৰ ৰাইজৰ আগত মুখ উলিয়াব নোৱাৰি অভিমানত আঘোণাই পুৰণি পৰম্পৰাবিশ্বাসী যৌথ ঘৰখন এৰি পামঘৰলৈ যোৱাৰ সিদ্ধান্ত লয়। যৌথ ঘৰখনত সকলোৰে লগত মিলিজুলি জীৱন যাপন কৰা আৰু গাঁৱৰ ৰাইজৰ মাজত থাকি পাঠেকৰ দায়িত্ব পালন কৰা আঘোণাই পামঘৰীয়া জীৱন জটিল হৈ পৰাৰ ধাৰণাত মানসিক অস্থিৰতাত ভোগে। তদুপৰি প্ৰজন্মৰ ব্যৱধান, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, বৃদ্ধসকলৰ প্ৰতি কনিষ্ঠ প্ৰজন্মৰ অভব্য আচৰণৰ বাবে সত্তৰ বছৰীয়া আঘোণাৰ মানসিক জটিলতা বৃদ্ধি পোৱাটো উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

**অন্যান্য উপন্যাস ঃ**

বৃদ্ধ-মনস্তত্ত্ব প্ৰকাশিত অৰুণ শৰ্মাৰ আন দুখন উপন্যাস *যযাতি আৰু ৰঞ্জনা* আৰু *আশীৰ্বাদৰ ৰং*। *যযাতি আৰু ৰঞ্জনা* উপন্যাসত মধ্যবিত্ত পৰিয়ালৰ কেৰাণী চাকৰিৰ পৰা অৱসৰ লোৱা সঞ্জয় শইকীয়া নামৰ এজন বৃদ্ধৰ শাৰীৰিক ৰোগ আৰু প্ৰেমজনিত স্খলনৰ চিত্ৰ পোৱা যায়। লিভাৰ কেন্সাৰত আক্ৰান্ত বৃদ্ধগৰাকী নিজৰ ৰোগৰ বিষয়ে অৱগত হৈ প্ৰথম অৱস্থাত হতাশ হৈ পৰে। কিন্তু পিছমুহূৰ্ততে মানসিক সবলতা আৰু জীৱনপ্ৰীতিৰে ভোগবাদী জীৱন কটাবলৈ মানসিকভাৱে স্থিৰ কৰে। সেইবাবে শ্বিলঙলৈ ৰোগ দেখুৱাবলৈ যোৱা বৃদ্ধ শইকীয়াই শ্বিলঙৰ ভোগবাদী সমাজ উপভোগ কৰিবলৈ

মানসিকভাৱে প্ৰস্তুত হয় আৰু ৰঞ্জনা নামৰ এজনী কম বয়সীয়া ছোৱালীৰ প্ৰেমত বিহ্বল হৈ পৰে। বাৰ্ধক্যত শাৰীৰিক অসুস্থতা আৰু মানসিক অন্তৰ্দ্বন্দ্বৰ অৱসান ঘটাবলৈ সাময়িকভাৱে শইকীয়াই জৈৱিক ক্ষুধাৰ আশ্ৰয় ল'ব বিচাৰে। কিন্তু ৰঞ্জনাই বৃদ্ধ শইকীয়াক পিতৃৰ বয়সীয়া এজন বয়োজ্যেষ্ঠ ব্যক্তি বুলি ভবাৰ কথা ব্যক্ত কৰে। সঞ্জয় শইকীয়াৰ মাজত ৰঞ্জনাই বৃদ্ধ পিতৃক বিচাৰি পোৱাৰ কথা স্বীকাৰ কৰাত শইকীয়া মানসিকভাৱে ভাগি পৰে। মনৰ মাজত অৱদমিত শাৰীৰিক ৰোগৰ হতাশা আৰু প্ৰেমজনিত স্খলনত বৃদ্ধ শইকীয়া পুনৰ হতাশাৰে ভৰা জীৱনলৈ উভতি যায়। যযাতিৰ দৰে জৰাগ্ৰস্ত জীৱন বাঞ্ছা নকৰা শইকীয়াই জীৱনৰ আশা মৰহি যোৱাৰ শোকত আত্মহত্যাৰ পথ বাছি লয়। শাৰীৰিক ৰোগক জয় কৰা শইকীয়াই মানসিক ৰোগক পৰাজয় কৰিব নোৱৰাৰ মৰ্মস্পৰ্শী চিত্ৰ উপন্যাসখনত পোৱা যায়। বৃদ্ধ লোকৰ আৱেগিক মন খুৱেই ঠুনুকা। এই ঠুনুকা মনটোৰ পৰা আঁতৰি অহা সকলো বৃদ্ধ লোকৰ বাবে সম্ভৱ নহয়। উপন্যাসখনত বৃদ্ধ সঞ্জয় শইকীয়াই প্ৰেমজনিত স্খলনৰ বাবে আৱেগিক মনৰ ওচৰত হাৰ মানিছে।

*আশীৰ্বাদৰ ৰং* শীৰ্ষক অৰুণ শৰ্মাৰ আন এখন উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপৰ প্ৰতিফলন হোৱা দেখা যায়। মহাপ্ৰতাপী খৰ্গী মহাজনৰ দুৰ্নীতিৰ বিপক্ষে মাত মতা এজন হিন্দু যুৱকে পৰিস্থিতিৰ তাড়নাত অসহায় মুছলমান কন্যা এগৰাকীক বিয়া কৰাবলৈ বাধ্য হয়। ইছলাম ধৰ্ম গ্ৰহণ কৰা যুৱকজনক তেওঁৰ পৰম্পৰাবিশ্বাসী বৃদ্ধা আইতাই মনেৰে স্বীকাৰ কৰি ল'ব পৰা নাই। পৰম্পৰা-সংস্কাৰ নেওচি এগৰাকী মুছলমান কন্যাক নাতি-বোৱাৰী মানি ল'বলৈ বৃদ্ধা আইতাক মানসিকভাৱে প্ৰস্তুত নহয়। মানৱীয়তাৰ প্ৰতীক বৃদ্ধা আইতাই নাতিয়েকৰ মৃত্যুৰ পাছত সেইগৰাকী মুছলমান নাতি-বোৱাৰীয়েকক বুকুত সাবটি চেনেহৰ চুমা যাচিছে। পৰম্পৰাবিশ্বাসী ধৰ্মীয় গোড়ামি থকা আইতাৰ মমত্ব আৰু সৰল মনৰ স্বৰূপ উপন্যাসখনত ফুটি উঠিছে। আইতাৰ জটিল আঁকোৰগোজ মনটোৰ আঁৰৰ মহানুভৱতাৰ পৰিচয় উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

### ৩.২ হোমেন বৰগোহাঞিৰ উপন্যাস *অস্তৰাগ* ঃ

জীৱজগতৰ পৰিচিত আৰু শাশ্বত এক সত্য বাৰ্ধক্য। জীৱন সমাপ্তিৰ পূৰ্বাৱস্থা বাৰ্ধক্যই মানৱ জীৱনক যন্ত্ৰণাদগ্ধ কৰাৰ হৃদয়স্পৰ্শী ৰূপ ফুটাই তোলা হোমেন বৰগোহাঞিৰ *অস্তৰাগ* বিংশ শতিকাৰ নব্বৈৰ দশকৰ এখন অন্যতম বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। ফ্ৰয়েডীয় মনস্তত্ত্বৰ বিজ্ঞান আৰু মনোবিজ্ঞানৰ সত্য-প্ৰকাশিত, পাশ্চাত্য উপন্যাসৰ আৰ্হিত ৰচিত *অস্তৰাগ* উপন্যাসত সমাজ-চেতনা আৰু বৃদ্ধ-মনস্তত্ত্বত থকা জটিলতাৰ বহু দিশ লক্ষ্য কৰা হৈছে। প্ৰকৃতিৰ সৃষ্টি মানুহৰ জীৱন পৰিসমাপ্তিৰ সংবেদনশীল আৰু মননশীল ৰূপ উপন্যাসখনত মৰ্মস্পৰ্শী ৰূপত অংকন কৰা হৈছে। বাৰ্ধক্যজনিত সমস্যাই আধুনিক মানৱ-জীৱনৰ মানৱীয় মূল্যবোধ আৰু ৰুচিবোধলৈ অনা পৰিৱৰ্তনত বৃদ্ধ লোকৰ জীৱনৰ অৱসাদ উপন্যাসখনত দাঙি ধৰিছে। যৌৱনৰ বল-বিক্ৰম আৰু আধিপত্যৰ সতেজ ৰূপ বাৰ্ধক্যই গ্ৰাস কৰাৰ বাস্তৱ সত্য *অস্তৰাগ* উপন্যাসত পোৱা যায়। মানুহ প্ৰকৃতিৰ সৃষ্টি আৰু বাৰ্ধক্যও প্ৰকৃতিয়ে সৃষ্টি কৰা জীৱন পৰিৱৰ্তনৰ এটি স্তৰ। বাৰ্ধক্যৰ শাৰীৰিক অক্ষমতাক বাধা দিব পৰা কোনো শক্তি নাই বা চিকিৎসাবিজ্ঞান এইক্ষেত্ৰত সিমান সফল হ'ব পৰা নাই। নায়ক দিলীপ ফুকনৰ তিৰাশী বছৰীয়া বৃদ্ধ পিতৃৰ বাৰ্ধক্যৰ চিত্ৰ আৰু প্ৰকৃতিবাদৰ অন্তৰালত থকা বাৰ্ধক্যৰ সত্য উপন্যাসখনত ঔপন্যাসিকে তুলি ধৰিছে। গাঁৱলীয়া পৰিৱেশৰ নিঃসংগতাৰ বেদনাৰে পত্নী, সন্তান অবিহনে আনৰ পৰিচৰ্যাত থাকিব লগা বৃদ্ধ পিতৃৰ নিঃসংগতা দূৰ কৰিবলৈ অধ্যাপক পুত্ৰ দিলীপে তেওঁক চহৰলৈ লৈ আনে। একক পৰিয়ালত থকা পুত্ৰৰ ভৰপূৰ সংসাৰেও কিন্তু বৃদ্ধ পিতৃৰ নিঃসংগতাৰ বেদনা দূৰ কৰিব নোৱাৰিলে। চহৰৰ আচহুৱা পৰিৱেশত নিজকে খাপ খুৱাব নোৱাৰি বৃদ্ধ পিতৃৰ মন বাৰে বাৰে গাঁৱৰ প্ৰাকৃতিক পৰিৱেশলৈ উৰা মাৰিছে। ঔপন্যাসিকে বিচিত্ৰ আৰু জটিল মন প্ৰসংগত কোনো সমাধানসূত্ৰ দিব পৰা নাই। প্ৰকৃতি জগতৰ প্ৰকৃত সত্য আৰু ৰহস্যক স্বীকাৰ কৰিবলৈ ঔপন্যাসিক বাধ্য হৈছে। মৃত্যু যেনেকৈ মানুহৰ জীৱনৰ চিৰসত্য, বাৰ্ধক্যও তেনে এটি চিৰসত্য। সুন্দৰ জীৱনত বাৰ্ধক্য যাতে অভিশাপ হৈ নপৰে, বাৰ্ধক্যৰ অক্ষমতাই মানুহক যাতে নৰক যান্ত্ৰণা নিদিয়ে— তাৰ বাবে বাৰ্ধক্যৰ প্ৰতি সচেতন, পূৰ্বপ্ৰস্তুতি, স্বাস্থ্য-সচেতনতা আৰু দূৰদৰ্শী হ'বলৈ উপন্যাসখনত সতৰ্ক কৰি দিছে। তৰুণ প্ৰজন্মক কৰ্তব্যবোধ আৰু দায়বদ্ধতাৰ প্ৰতি

সজাগ কৰাটোৱেই ঔপন্যাসিকৰ জীৱন সম্পৰ্কে বাস্তৱ দৃষ্টিভংগী। বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ প্ৰধান কাৰকসমূহে বৃদ্ধ ফুকনৰ মনত কেনে জটিল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, সেই বিষয়ে *অস্তৰাগ* উপন্যাসৰ আধাৰত চমুকৈ তলত আলোচনা কৰা হ'ল।

**(১) নিঃসংগতাৰ বেদনা ঃ**

চৌৱন্ন বছৰীয়া অধ্যাপক দিলীপ ফুকনে চাকৰিৰ বাবে চহৰত থাকিব লগাত তেওঁৰ তিৰাশী বছৰীয়া বৃদ্ধ পিতৃয়ে গাঁৱৰ ঘৰখনত অকলশৰে দিন অতিবাহিত কৰিছে। বাৰ্ধক্যজনিত ৰোগত শয্যাশায়ী দিলীপৰ পিতৃয়ে সেই সময়চোৱাত সম্বন্ধীয় লোকৰ পৰিচৰ্যাত দিন যাপন কৰিব লগা হৈছে। পিতৃৰ শাৰীৰিক অসুস্থতা বৃদ্ধি পোৱাত পুত্ৰ দিলীপ গাঁৱৰ ঘৰখনত থকা বৃদ্ধ পিতৃৰ কাষ চাপে। জৰাগ্ৰস্ত, শাৰীৰিকভাৱে মুমূৰ্যু পিতৃয়ে পুত্ৰক কাষতে পাই কিছু সুস্থ হৈ উঠে আৰু পুত্ৰ-বিচ্ছেদৰ মানসিক নিঃসংগতাৰ কিছু উপশম অনুভৱ কৰে। অকলশৰীয়া পিতৃৰ মানসিক নিঃসংগতাৰ বেদনা বুজি উঠি পুত্ৰ দিলীপে দেউতাকৰ সুচিকিৎসাৰ বাবে চহৰৰ ঘৰখনলৈ আনে। চহৰত বৃদ্ধ ফুকনৰ শাৰীৰিক অসুস্থতা কিছু লাঘৱ হোৱাত ঘৰে-বাহিৰে ওলাই-সোমাই ফুৰিব পৰা হয়। গাঁৱৰ সমাজত থকা সম্বন্ধীয় আৰু অন্যান্য লোকৰ আন্তৰিকতা চহৰীয়া পৰিৱেশত বিচাৰি নাপাই বৃদ্ধ ফুকন হতাশ হৈ পৰে। মনৰ নিঃসংগতাৰে বাৰে বাৰে গাঁৱৰ ঘৰখনলৈ, গাঁৱৰ প্ৰাকৃতিক পৰিৱেশলৈ আৰু গাঁৱৰ মানুহখিনিক লগ পাবলৈ ফুকনৰ মন ব্যাকুল হৈ পৰে। চহৰীয়া পৰিৱেশত নিজকে খাপ খুৱাব নোৱাৰি মানসিক নিঃসংগতাত এটা সময়ত বৃদ্ধ 'ছেনাইল ডিমেনছিয়া' নামৰ মানসিক ৰোগত আক্ৰান্ত হৈ পৰে।

আলহী-অতিথিৰে ভৰপূৰ অতীতৰ গাঁৱৰ ঘৰখনত বৃদ্ধ ফুকনে কোনোদিনে মানসিক নিঃসংগতাৰ বেদনা অনুভৱ কৰা নাছিল। আনকি পুত্ৰৰ লগত কটোৱা অতীতৰ সময়বোৰত সাহিত্য-ৰাজনীতি-ধৰ্ম আদি গুৰুগম্ভীৰ বিষয়সমূহৰ গুৰুত্বই তেওঁক সদাব্যস্ত কৰি ৰাখিছিল। পত্নীৰ মৃত্যুৰ পাছত পুত্ৰক নগৰলৈ পঢ়িবলৈ পঠিওৱা আৰু পাছলৈ পুত্ৰই চাকৰি সংক্ৰান্তত চহৰতে সংসাৰ কৰি থাকিব লগাত বৃদ্ধ পিতৃয়ে গাঁৱৰ ঘৰখনত অকলশৰে থাকিবলৈ লয়। বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয় আৰু পুত্ৰৰ লগত হোৱা ভৌগোলিক দূৰত্বৰ ব্যৱধানে বৃদ্ধ পিতৃক মানসিকভাৱে নিঃসংগ কৰি তুলিছে। পুত্ৰ-বিচ্ছেদত অধীৰ অপেক্ষাত শয্যাশায়ী এজন বৃদ্ধ পিতৃৰ মানসিক নিঃসংগতাৰ চিত্ৰ উপন্যাসখনত ফুকনৰ চৰিত্ৰত ফুটি উঠিছে।

'দুল'—

শব্দটো উচ্চাৰণ কৰিয়েই স্বস্তিৰ আৱেশত দেউতাকে চকু দুটা আকৌ মুদি দিলে। কাপোৰৰ তলতে তেওঁৰ গাটো হঠাৎ শিথিল হৈ যোৱাও দিলীপে লক্ষ্য কৰিলে। দিলীপে বুজিলে যে তেওঁৰ কাৰণে অপেক্ষা কৰি কৰি দেউতাক বহুদিন ধৰি অস্থিৰ হৈ আছিল।[৫০]

সন্তানৰ শাৰীৰিক উপস্থিতিয়ে বৃদ্ধ পিতৃ-মাতৃৰ শাৰীৰিক আৰু মানসিক নিঃসহায়ৰ উপশম ঘটোৱাৰ চিত্ৰ উপন্যাসখনত প্ৰতিফলিত হৈছে। গাঁৱৰ পৰিৱেশত নিঃসংগ হ'লেও শয্যাশায়ী ফুকনে গাঁওখন, ঘৰখন আৰু গাঁৱৰ মানুহখিনিক এৰি আহিলে আৰু বেছি মানসিক নিঃসংগতাত পৰিব পাৰে বুলি দূৰদৰ্শিতাৰে প্ৰথম অৱস্থাত পুত্ৰৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছে।

উপজিবৰ পৰা আজি তিৰাশী বছৰ বয়সলৈকে যিখন ঠাইত যিবোৰ মানুহ আৰু যিবোৰ পশু-পক্ষী আৰু গছ-লতাৰ মাজতে মই জীৱন কটালো, যিখন ঠাইৰ বেলি ওলোৱা আৰু মাৰ যোৱা চাই চাই মই অভ্যস্ত হ'লো— সেইখন ঠাইতে মোৰ চিনাকি দৃশ্যবোৰ চাই চাই আৰু চিনাকি মাত-কথাবোৰ শুনি শুনিয়েই মই শেষবাৰলৈ চকু মুদিব খোজোঁ। কোনো অচিনাকি ঠাইলৈ গৈ মই পৃথিৱীৰ পৰা শেষ বিদায় ল'ব নোখোজোঁ। বাৰ্ধক্যৰ যন্ত্ৰণা সহ্য কৰিবলৈ মোৰ শক্তি আছে, কিন্তু জীৱনৰ এই গধূলি পৰত তিৰাশী বছৰৰ চিনাকি গাঁওখন আৰু ঘৰখনৰ পৰা বিচ্ছেদ সহ্য কৰিবলৈ মোৰ শক্তি নাই।[৫১]

পুত্ৰৰ ভৌগোলিক দূৰত্বই বৃদ্ধ ফুকনৰ মানসিক নিঃসংগতাৰ কাৰক যদিও গাঁৱৰ লোক, সম্বন্ধীয় পৰিয়াল আৰু প্ৰকৃতিয়ে তেওঁক নিঃসংগ হ'বলৈ দিয়া নাই। সেইবাবে শাৰীৰিক সুচিকিৎসা আৰু পৰিচৰ্যাৰ বাবে পুত্ৰৰ কাষ চপা বৃদ্ধ ফুকনে পুত্ৰৰ চহৰীয়া ঘৰখনত গাঁৱৰ পৰিৱেশ বিচাৰি নাপাই মানসিকভাৱে ভাগি পৰিছে। মানসিক নিঃসংগতাৰ বাবে বাৰাণ্ডাৰ এচুকত আন্ধাৰত জুপুকা মাৰি বহি থকা ফুকনে নাতিহঁতৰ পৰা একাষৰীয়া হৈ পৰাটো উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। "বুঢ়া মানুহৰ ওচৰত বহি সময়বোৰ নষ্ট কৰিব নালাগে আইহঁত, তোমালোক নিজৰ নিজৰ কামত যোৱা।"[৫২] আত্মাভিমানী ফুকনৰ বাৰ্ধক্যজনিত কাৰণত শ্ৰৱণশক্তি হ্ৰাস পোৱাত পুত্ৰৰ পৰাও এটা সময়ত পলাই ফুৰিছে। বৃদ্ধ-মনস্তত্ত্বৰ

৫০। হোমেন বৰগোহাঞি, *অস্তৰাগ*, পৃ. ৪৮

৫১। উল্লিখিত, পৃ. ৪৮

৫২। উল্লিখিত, পৃ. ৬৯

এনে জটিলতাত ফুকন আৰু বেছি মানসিক নিঃসংগতাৰ সন্মুখীন হৈছে।

> এই কথা ঠিক যে পুতেকৰ ঘৰত থাকি তেওঁৰ অকণো ভাল লগা নাই। নিজৰ পো-বোৱাৰী আৰু নাতি-নাতিনীৰ লগত থাকিও তেওঁ এনে এক বিপুল শূন্যতা আৰু নিঃসংগতা অনুভৱ কৰিছে— যি ধৰণৰ শূন্যতা আৰু নিঃসংগতা তেওঁ গাঁৱৰ নিজৰ ঘৰত লগুৱা-লিগিৰীবোৰৰ মাজত থাকিও অনুভৱ কৰা নাছিল।[৫৩]

পো-বোৱাৰীৰ পৰিয়ালত আত্মীয়তা স্থাপন কৰিব নোৱাৰা ফুকন এটা সময়ত বাৰ্ধক্যৰ অপৰাধবোধেৰে মানসিকভাৱে অস্থিৰ হৈ পৰিছে— "কিন্তু এজন মৃত্যু-পথযাত্ৰী অতি-বৃদ্ধ মানুহ যে তেওঁলোকৰ ওপৰত আমৰণ বোজা হ'বলৈ আহিছে সেই কথা জানি বোৱাৰীয়েকে কি ভাবিছে।"[৫৪] বোৱাৰী আৰু নাতিহঁতৰ অভিনয়সুলভ ব্যৱহাৰত অতিষ্ঠ ফুকনৰ মানসিক নিঃসংগতাৰ বেদনা উপন্যাসখনত গভীৰ ৰূপত তুলি ধৰিছে। বৃদ্ধ ফুকনৰ নিঃসংগতাৰ বেদনা ক্ৰমাৎ বাঢ়ি আহি দহ দিনমানৰ ভিতৰতে 'ছেনাইলিটি' অৰ্থাৎ বাৰ্ধক্যজনিত মস্তিষ্ক-বিকৃতি আৰম্ভ হ'বলৈ ধৰে। নিঃসংগতাৰ বেদনা গাঢ় হোৱা তিৰাশী বছৰীয়া ফুকন বাৰ্ধক্যত সৰ্বস্বান্ত হৈ পৰাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়।

নিঃসংগতাৰ বেদনাৰ সন্মুখীন হোৱা আন এহাল বৃদ্ধ দম্পতীক দিলীপৰ প্ৰতিৱেশী হিচাপে উপন্যাসখনত উপস্থাপন কৰিছে। বৃদ্ধ ফুকনে ফুৰিবলৈ গৈ বৃদ্ধ দম্পতীৰ বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা পৰ্যবেক্ষণ কৰিছে। বিবাহ আৰু চাকৰিসূত্ৰে বৃদ্ধ পিতৃ-মাতৃৰ লগত সন্তানৰ ভৌগোলিক দূৰত্বই অনা মানসিক নিঃসংগতাৰ নিদৰ্শন ঔপন্যাসিকে উপন্যাসখনত তুলি ধৰিছে।

নিঃসংগতাৰ বেদনা কেৱল ফুকনৰেই নহয়, দিলীপৰ প্ৰতিৱেশী বৃদ্ধ দম্পতীয়েও সেয়া অনুভৱ কৰিছে। বাৰ্ধক্যত মনৰ নিঃসংগতা কম-বেছি পৰিমাণে সকলোৰে জীৱনলৈকে আহে— সেই কথা ঔপন্যাসিক, বিখ্যাত সাহিত্যিক গ্যেটেই বৃদ্ধ মাতৃৰ প্ৰসংগত উল্লেখ কৰিছে— "...মাক মৃত্যুশয্যাত পৰি থাকোঁতে গ্যেটেই বোলে এবাৰো মাকক চাবলৈ যোৱা নাছিল। আনকি বাৰে বাৰে মতা সত্ত্বেও তেওঁ

৫৩। উল্লিখিত, পৃ. ৭৭

৫৪। উল্লিখিত, পৃ. ৮১

যোৰা নাছিল।"[৫৫] এগৰাকী মৃত্যুমুখী বৃদ্ধা মাতৃৰ পুত্ৰক চোৱাৰ হেঁপাহ আৰু মমত্বৰে ভৰা হৃদয়ৰ চিত্ৰ মৰ্মান্তিক ৰূপত উপন্যাসখনত বৰ্ণিত হৈছে। মৃত্যুশয্যাত থকা নব্বৈবছৰীয়া পিতৃৰ বিধ্বস্ত আৰু পৰাজিত মুখ চাবলৈ অপ্ৰস্তুত পুত্ৰৰ উল্লেখ উপন্যাসখনৰ আন এটা চৰিত্ৰৰ বৰ্ণনাত পোৱা যায়। এটা সময়ত পুত্ৰৰ সকলো অভিযোগ আৰু আব্দাৰ পূৰণ কৰা বৃদ্ধ পিতৃৰ মানসিক নিঃসংগতা দূৰ কৰাত সন্তানৰ অপাৰগতা স্পষ্টকৈ ধৰা দিছে। নিঃসংগতা, পৰিৱেশ আৰু পৰিস্থিতিত পৰি ব্যক্তিয়ে আৰ্জি লোৱা এক মানসিক দুৰৱস্থা। বাৰ্ধক্যৰ অভিমানী আৰু ঠুনুকা মনত ই সহজে স্থান পায়। বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা সকলোৰে জীৱনলৈ আহিব বুলি ভবাটো কিন্তু যুক্তিসংগত নহয়। উপন্যাসখনত সত্তৰ ঊৰ্ধ্বৰ কালিৰাম পণ্ডিতে কিন্তু বাৰ্ধক্যত সুখী জীৱনহে অনুভৱ কৰিছে— "...বুঢ়া হৈ মই দুখ পোৱাতকৈ সুখহে বেছিকৈ পাইছোঁ যেন লাগিছে।"[৫৬] সুখ আৰু দুখৰ দৰে নিঃসংগতাৰ বেদনা এক আপেক্ষিক ধাৰণা আৰু এই ধাৰণা সকলোৰে বাবে একে নহয়। কৰ্মব্যস্ত মানুহৰ বাবে নিঃসংগতাৰ বেদনা কোনোদিন আহিব নোৱৰাৰ বাস্তৱ সত্য উপন্যাসখনত চিত্ৰিত হৈছে।

**(২) আদৰ্শৰ সংঘাত ঃ**

বৃদ্ধ-মনস্তত্ত্বৰ আন এটা জটিলতা আদৰ্শৰ সংঘাত ফুকনৰ বাৰ্ধক্য-জীৱনলৈ অহা উপন্যাসখনত দেখা যায়। ফুকনৰ যৌথ ঘৰখনত ককাক-আইতাকৰ লগত নাতি-নাতিনীৰ সুসম্পৰ্ক, সংস্কাৰৰ বৰ্ণনা পোৱা যায়। কৰ্মব্যস্ততাহীন জীৱনত নাতি-নাতিনীৰ লগত বিমল আনন্দ আৰু স্ফূৰ্তিত কটোৱা অতীতৰ দিনবোৰ উপন্যাসখনত প্ৰতিফলিত হৈছে।

> দিলীপৰ আইতাকে গীত-পদ গাই আৰু ককাদেউতাকে ৰামায়ণ-মহাভাৰতৰ কাহিনী কৈ নাতি-নাতিনীবোৰক যে আনন্দ দিছিল এনে নহয়; তাৰ লগে লগে তেওঁলোকে সিহঁতক নীতিজ্ঞান দিবলৈকো চেষ্টা কৰিছিল। ঠিক এইদৰে নাতি-নাতিনীবোৰে তেওঁলোকৰ বাৰ্ধক্যৰ কৰ্মহীন দিনবোৰ ভৰাই তুলিছিল বিমল আনন্দৰে। সিহঁত আছিল তেওঁলোকৰ খেলাৰ লগৰীয়া, কথাৰ লগৰীয়া; সিহঁতে তেওঁলোকৰ মনত নতুনকৈ জগাই তুলিছিল স্মৃতি ৰোমন্থনৰ আনন্দ আৰু স্বপ্ন দেখাৰ প্ৰেৰণা।[৫৭]

---

৫৫। উল্লিখিত, পৃ. ১৪

৫৬। উল্লিখিত, পৃ. ৫০

৫৭। উল্লিখিত, পৃ. ৫৭

সময় আৰু পৰিৱেশৰ দ্ৰুত সামাজিক পৰিৱৰ্তনত বৃদ্ধ লোকৰ জীৱনলৈ অহা আদৰ্শৰ সংঘাত উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। পুত্ৰ দিলীপ আৰু তেওঁৰ আন আন সন্তানসকলে যিদৰে ককাদেউতাক-আইতাকৰ পৰা মৰম আৰু আন্তৰিকতা পাইছিল, সেই মৰম আৰু আন্তৰিকতা বৃদ্ধ ফুকনে নাতিহঁতক দিব পৰা নাই। বছৰত এবাৰকৈ লগ পোৱা নাতি-নাতিনীৰ লগত ফুকনে আন্তৰিকতা আৰু হৃদয়ৰ সুসম্পৰ্ক স্থাপন কৰাৰ বিপৰীতে কৃত্ৰিমতাহে অৱলম্বন কৰিছে। সেইবাবে ফুকনে নাতিহঁতৰ মৰমক আচহুৱা, কৃত্ৰিম আৰু কৰ্তব্যৰ দায়ৱদ্ধতাৰে সীমাৱদ্ধ বুলি ভাবিবলৈ লৈছে। মৰম-আন্তৰিকতা অবিহনে সংস্কাৰ যে মূল্যহীন, সেই কথা উপলব্ধি কৰি বৃদ্ধ ফুকন আত্মাভিমানী হৈ পৰিছে।

আধুনিক সমাজৰ মানুহৰ আন্তৰিকতাহীন প্ৰাণৰ পৰশৰ অনুপস্থিতিয়ে ফুকনৰ মনলৈ আদৰ্শৰ সংঘাত কঢ়িয়াই আনিছে। ফুকনৰ পিতৃ-মাতৃয়ে পুত্ৰ দিলীপহঁতক গীত-পদ, ৰামায়ণ-মহাভাৰতৰ জৰিয়তে দিয়া জ্ঞানৰ গভীৰতা, নীতিজ্ঞানৰ মূল্য সাম্প্ৰতিক সময়ৰ সমাজত নোপোৱাৰ কথা পদে পদে বৃদ্ধ ফুকনে উপলব্ধি কৰি হতাশ হৈ পৰিছে। সেইবাবে বিদেশী ক্ৰাইম-থ্ৰীলাৰ চিনেমা চাই মনোৰঞ্জন লোৱা বোৱাৰী আৰু নাতিহঁতৰ ৰুচিবোধ দেখি ফুকনৰ মনলৈ আদৰ্শৰ সংঘাত আহিছে। আনকি দিলীপৰ প্ৰতিৱেশী মণিহঁতৰ ঘৰত বনকৰা ছোৱালীজনীৰ মুখত হিন্দুস্থানী গীতৰ কলি শুনি বৃদ্ধ স্তম্ভিত হৈ পৰিছে। সাম্প্ৰতিক সমাজৰ আদৰ্শৰ সংঘাত দেখি তেওঁ নাতিয়েক কুণালৰ আগত আক্ষেপ কৰিছে।

> ...এনেকৈ যুগৰ পিছত যুগ ধৰি আমাৰ দেশৰ মানুহে বাল্যকালতেই নিজৰ দেশৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ লগত পৰিচিত হৈছিল। কিন্তু এতিয়া কি হৈছে দেখিছা নহয়। জানকীৰ নিচিনা গাঁৱলীয়া ছোৱালী এজনীয়েও ভীম-অৰ্জুনৰ নাম শুনা নাই বা শুনিলেও কেৱল নামটোহে শুনিছে। নামটোৰ বাহিৰে আন একো কথাই তাই নাজানে। অৰ্থাৎ গাঁৱৰ মানুহেও ল'ৰা-ছোৱালীক ৰামায়ণ-মহাভাৰতৰ কথা ক'বলৈ এৰি দিছে বা ক'ব খুজিলেও সিহঁতে শুনিব নোখোজে। সিহঁত সকলো মজি আছে ৰেডিঅ' আৰু চিনেমাৰ নিচাত।[৫৮]

বৃদ্ধ ফুকনৰ চৰিত্ৰৰ আদৰ্শই তেওঁৰ ব্যক্তিত্বৰ পৰিচয় দিছে। সূৰ্য ককাইদেউ নামৰ পৰিচিত

---

৫৮। উল্লিখিত, পৃ. ৭১

মানুহজনৰ সমাজৰ প্ৰতি থকা দায়ৰদ্ধতাৰ বাবে ফুকনে তেওঁক অধিক গুৰুত্ব দিছে। নিজৰ স্বাৰ্থসিদ্ধি বা পৰৰ বদনাম নকৰা সূৰ্য ককাইদেউক ফুকনে আদৰ্শৱান বুলি ভাবে আৰু পুত্ৰ দিলীপক এনে নিস্বাৰ্থ লোকক আদৰ্শ আৰু শ্ৰদ্ধা কৰিবলৈ শিকায়। সেইবাবে পৰোপকাৰী সূৰ্য ককাইদেউক ফুকনৰ পত্নীয়ে গৰিহণা দিয়াত ফুকনৰ মনত আঘাত লগা উপন্যাসখনত পৰিলক্ষিত হৈছে।

> সূৰ্য ককাইদেউ মোৰ ওচৰলৈ আহে দুখীয়া ৰাইজৰ খাজনা কেনেকৈ মাফ কৰোৱা যায়, বিপদত পৰা মানুহক সহায় কৰিবলৈ মুষ্টিভিক্ষা কৰি কেনেকৈ এটা ৰাজহুৱা পুঁজি গঠন কৰা যায়, ধনৰ অভাৱত চহৰৰ হাইস্কুলত পঢ়িবলৈ যাব নোৱৰা গাঁৱৰ মেধাৱী ছাত্ৰকেইটাৰ কাৰণে কি ব্যৱস্থা কৰা যায়— সেইবোৰ কথা আলোচনা কৰিবলৈ।[৫৯]

তদুপৰি বৃদ্ধ ফুকনৰ সংস্কাৰী মনে পুত্ৰ দিলীপক কালিৰাম পণ্ডিতৰ দৰে আদৰ্শৱান ব্যক্তিৰ প্ৰতিও চিৰকৃতজ্ঞ হ'বলৈ উপদেশ দিছে। পিতৃয়ে আদৰ্শৱান বুলি ভবা এইজন ব্যক্তিয়ে দিনে-নিশাই দিলীপৰ মাতৃক শুশ্ৰূষা কৰা আৰু গাঁওখনৰ সকলোৰে বিপদ-আপদত পাৰ্যমানে সহায় কৰাৰ চিত্ৰ উপন্যাসখনত ফুটি উঠিছে। ফুকনেও এটা সময়ত এনে গুণী ব্যক্তিৰ প্ৰশংসাৰে দিলীপক আদৰ্শৱান কৰি তুলিব বিচাৰিছে।

> তেওঁ কোনো প্ৰতিদানৰ লোভ নকৰি মানুহৰ সেৱা কৰে; নিজৰ দুখ বিপদৰ কথা কৈ কেতিয়াও কাৰো আগত ওজৰ-আপত্তি নকৰে, সদায় কিবা নহয় কিবা কামত ব্যস্ত থাকে আৰু নীৰৱে নিজৰ কৰ্তব্য পালন কৰে। তেওঁৰ জীৱনটো মোৰ এটা সাধকৰ জীৱন যেন লাগে।[৬০]

কিন্তু এনে সংস্কাৰী আৰু আদৰ্শৱান পিতৃৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হৈ দিলীপৰ মানসিকতাত ব্যক্তিচেতনা গঢ় লৈ উঠা উপন্যাসখনত দেখা যায়। বাৰ্ধক্যৰ বাবে দিলীপে বৃদ্ধ পিতৃক জগৰীয়া কৰা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে— "বুঢ়া হৈ দেউতাকে যেন এটা ডাঙৰ অপৰাধ কৰিছে, এটা ক্ষমাৰ অযোগ্য অপৰাধ।"[৬১] গতিকে দিলীপৰ চৰিত্ৰত আধুনিক মানুহৰ চৰিত্ৰৰ ন ন বৈশিষ্ট্য ফুটি উঠা এজন আদৰ্শভ্ৰষ্ট আৰু বাৰ্ধক্যৰ প্ৰতি সহানুভূতিহীন পলৰীয়া পুত্ৰৰ চিত্ৰ প্ৰকাশ পাইছে।

---

৫৯। উল্লিখিত, পৃ. ৩১

৬০। উল্লিখিত, পৃ. ৪৪

৬১। উল্লিখিত

> কিছুদিনৰ পৰা তেওঁৰ মনত এনে এটা ধাৰণা হ'বলৈ ধৰিছে যে দিলীপেও যেন তেওঁক এৰাই চলিবলৈ চেষ্টা কৰে। দূৰৰ পৰা তেওঁ হয়তো দেউতাকৰ প্ৰত্যেকটো খবৰেই ৰাখে; দেউতাকৰ কাৰণে যথাসম্ভৱ সুপথ্য, টনিক, ভিটামিন টেবলেট, ধৰ্মগ্ৰন্থ ইত্যাদি বুঢ়া মানুহৰ প্ৰয়োজনীয় বস্তুৰ যোগান দিয়াত তেওঁ কেতিয়াও কাৰ্পণ্য বা অৱহেলা নকৰে। কিন্তু কেৱল কৰ্তব্যই কি সকলো? দেউতাকৰ বুঢ়া দেহত প্ৰাণটো বচাই ৰখাৰ বাহিৰে কি পুত্ৰৰ আন কোনো কৰ্তব্য নাই? কেৱল এইখিনি পাবলৈকে তেওঁ তেন্তে কিয় গাঁৱৰ ঘৰ এৰি ইয়ালৈ আহিছে?[৬২]

উপন্যাসখনত ফুকনে পুত্ৰৰ লগত নিজৰ আদৰ্শৰ অমিল দেখা পাই বাৰ্ধক্যত মানসিক উদ্বিগ্নতাৰ সন্মুখীন হৈছে।

**(৩) অতীতৰ স্মৃতি ৰোমন্থন ঃ**

বাৰ্ধক্যত অতীতৰ স্মৃতি ৰোমন্থন কৰি মনৰ সজীৱতা বৃদ্ধি কৰা প্ৰতিজন বৃদ্ধ লোকৰ মনৰ এক সদিচ্ছা। উপন্যাসখনত অতীতৰ স্মৃতি ৰোমন্থন কৰি চহৰীয়া পৰিৱেশত ফুকনে মনক জীপাল কৰি তুলিব বিচাৰিছে। জাৰৰ দিনত জুহালত আৰু গৰমৰ দিনত চোতালত বহি দিলীপহঁতক ৰামায়ণ-মহাভাৰতৰ গল্প কোৱা পিতৃ-মাতৃৰ অতীতৰ স্মৃতি ফুকনে নাতি কুণালৰ আগত ব্যক্ত কৰিছে। পুৰুষানুক্ৰমে বৃদ্ধ ককাক-আইতাকে গল্পৰ চলেৰে নিজৰ দেশৰ প্ৰাচীন কালৰ সভ্যতা-সংস্কৃতিৰ লগত নাতিহঁতক পৰিচয় কৰি দিয়াৰ চিত্ৰ বৃদ্ধ ফুকনে স্মৰণ কৰা উপন্যাসখনত পোৱা যায়।

বৃদ্ধ ফুকনে অতীতত অকণমানি দিলীপে কিদৰে তেওঁৰ মনটো জনপূৰ্ণ কৰি ৰাখিছিল তাৰ বিৱৰণ অতীতৰ স্মৃতি ৰোমন্থনৰ পৰা অনুমান কৰিব পাৰি। দিলীপৰ সৈতে পিৰালি বা চোতালত বহি বিচিত্ৰ কথা-বাৰ্তাত বহু বিষয় সাঙোৰ খাই পৰা অতীতৰ কথাবোৰ ভাবি ফুকনৰ মন ৰোমাঞ্চিত হৈ উঠিছে। ৰামায়ণ-মহাভাৰত-পুৰাণৰ বিবিধ গল্প, পূৰ্বপুৰুষৰ অতীত বুৰঞ্জী, গাঁওখনৰ অতীত ইতিহাস, বাল্যকালৰ বহু স্মৃতিৰ লগতে জীৱনত লগ পোৱা বিচিত্ৰ মানুহৰ সঁচা কাহিনী আৰু জীৱ-জন্তুৰ লগত হোৱা প্ৰত্যক্ষ অভিজ্ঞতাৰ বৰ্ণনা ফুকনৰ মনলৈ জল্‌জল্-পট্‌পট্‌কৈ স্মৃতিৰ মণিকোঠাৰে সোমাই আহিছে। আনকি বৃদ্ধ ফুকনে অতীতৰ স্মৃতিৰে গাঁওখনৰ প্ৰাকৃতিক পৰিৱেশৰ স্মৃতি তেওঁৰ মানসপটত ৰোমন্থন

৬২। উল্লিখিত, পৃ. ৭৩

কৰাৰ বৰ্ণনা উপন্যাসখনত তুলি ধৰিছে।

> ...তেওঁ চাটিফুটি কৰি মৰিছে তেওঁৰ ঘৰৰ আলিবাটৰ সিপাৰৰ এজাৰ গছকেইজোপা চাবলৈ, বোৰাল গছজোপাৰ ডালত বহি নাচি থকা ফেঁচুলুকা চৰাইজনী চাবলৈ, গধূলি পৰত গৰুৰ হেম্বেলনি শুনিবলৈ, তেওঁৰ মৰমৰ মেকুৰীজনীক আদৰ কৰিবলৈ, গাঁৱৰ মানুহৰ হুঁটা মাত-কথাবোৰ শুনিবলৈ, গধূলিৰ স্নিগ্ধ অন্ধকাৰত আকাশৰ তৰাবোৰৰ অনন্ত নীৰৱতাৰ ভাগ ল'বলৈ।[৬৩]

গভীৰ ঈশ্বৰবিশ্বাসী বৃদ্ধ ফুকনৰ ঈশ্বৰৰ ওচৰত আস্থা নথকাৰ এটি অতীতৰ স্মৃতি উপন্যাসখনত উল্লেখ পোৱা যায়। বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতাত অতীতৰ স্মৃতি ৰোমন্থনৰে মনত আশাৰ সঞ্চাৰ কৰিব বিচৰা ফুকনৰ বাৰ্ধক্য সম্পৰ্কে অভিমত এনেদৰে উপন্যাসখনত প্ৰকাশ পাইছে— "...মৃত্যুৰ দুৱাৰডলিত আহি থিয় হোৱা মোৰ দৰে বুঢ়া মানুহৰ অতীতৰ স্মৃতিৰ বাহিৰে আৰু আন এক পাথেয় নাই?"[৬৪] অতীতৰ স্মৃতি ৰোমন্থনৰ দ্বাৰা এজন বৃদ্ধই কেনেদৰে মনৰ সজীৱতা আনিব পাৰে, সেয়া ফুকনৰ চৰিত্ৰৰ দ্বাৰা উপন্যাসখনত দেখুৱাব বিচাৰিছে।

### (৪) মূল্যবোধৰ পৰিৱৰ্তন ঃ

জীৱজগতৰ এক শাশ্বত সত্য বাৰ্ধক্য। আধুনিক তথাকথিত ভদ্ৰ সমাজৰ মানুহৰ মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপ উপন্যাসখনত পৰিদৃষ্ট হৈছে।[৬৫] উপন্যাসখনত অসমীয়া সমাজত বৃদ্ধ লোকক শ্ৰদ্ধা-ভক্তি কৰা পূৰ্বৰ পৰম্পৰা পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণত অৱনমিত হোৱাৰ চিত্ৰ অংকন কৰা হৈছে। বাৰ্ধক্যজনিত অসুস্থতাত কটোৱা বৃদ্ধ পিতৃৰ মৃত্যু কামনা কৰা উচ্চশিক্ষিত অধ্যাপক পুত্ৰ দিলীপৰ

---

৬৩। উল্লিখিত, পৃ. ৮২

৬৪। উল্লিখিত, পৃ. ৮৩

৬৫। "সংস্কৃতিচৰ্চাৰ ফলশ্ৰুতি হৈছে মূল্যবোধ। সংস্কৃতি সৃষ্টিৰ মাজত যুক্তিতৰ্ক, প্ৰমাণ ইত্যাদিৰ স্থান আছে; কিন্তু মূল্যবোধৰ মাজত পদে পদে বিতৰ্কৰ কোনো স্থান নাই। সংস্কৃতি, চৰ্চিত যুক্তিতৰ্কৰ মাধ্যমেদি কেতিয়াবা তৰ্কাতীত বিশ্বাসলৈ ৰূপান্তৰিত হয়, তেতিয়াই সি মূল্যবোধৰ ৰূপ ধাৰণ কৰে। এই মূল্যবোধ অতি গুৰুত্বপূৰ্ণ শক্তি। এই শক্তি চেতনাগত হ'লেও বস্তুৰ ওপৰত তাৰ প্ৰভাৱ ইমানেই ভয়ংকৰ যে অনেক সময়ত দেখা যায়, এই চেতনাৰ শক্তিয়ে বস্তুৰ ধৰ্মকেই পৰিৱৰ্তন কৰি দিয়ে।"

অনন্ত কলিতা, 'সংস্কৃতি আৰু মূল্যবোধ ঃ ভোগবাদী সমাজৰ ভয়াৱহতা', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), জুলাই, ২০১১, পৃ. ২৫

আচৰণে সাম্প্ৰতিক সময়ৰ তৰুণ প্ৰজন্মৰ বাৰ্ধক্যৰ প্ৰতি সহানুভূতিহীন, বাৰ্ধক্যৰ মুখামুখি হ'ব নোখোজা মানসিক আতংকৰ সঁচা প্ৰতিচ্ছবি উপন্যাসখনত ফুটাই তুলিছে ।

> তিৰাশী বছৰত ভৰি দি এতিয়া মৃত্যুলৈ প্ৰতীক্ষা কৰাৰ বাহিৰে দেউতাকৰ কৰিবলৈ আন একো নাই।
>
> কিন্তু সেই প্ৰতীক্ষাও কৰিব লাগিব বিছনাত নিজৰ বিষ্ঠা আৰু প্ৰস্ৰাৱত লেটি লৈ ? জীৱনৰ এয়াই কি শেষ পৰিণতি ?... মৃত্যুৱে যেন ইমানতে বাৰ্ধক্যৰ এই চৰম যন্ত্ৰণা আৰু অৱমাননাৰ পৰা দেউতাকক ৰক্ষা কৰে; অতি সোনকালেই এখন টেলিগ্ৰামে যেন তেওঁলৈ দেউতাকৰ মৃত্যুৰ বাতৰি কঢ়িয়াই আনে।[৬৬]

মানৱ-জীৱনৰ শেষ পৰিণতি বাৰ্ধক্যক বাস্তৱ ৰূপত স্বীকাৰ কৰি ল'ব নোখোজা সাম্প্ৰতিক সময়ৰ তৰুণ প্ৰজন্মৰ মানৱীয় প্ৰমূল্যৰ অৱক্ষয়ৰ স্বৰূপ উপন্যাসখনত ফুটি উঠিছে। দিলীপেও পিতৃৰ বাৰ্ধক্যৰ যন্ত্ৰণা চাবলৈ মানসিকভাৱে অপ্ৰস্তুত হোৱাৰ ঘাই কাৰণ প্ৰকৃতিৰ সত্যক মানি ল'ব নোখোজা জীৱনৰ মূল্যবোধৰ অভাৱ।

কেৱল দিলীপেই নহয়, পাশ্চাত্য কবি গ্যেটে মৃত্যুশয্যাত পৰি থকা মাতৃক চাবলৈ অস্বীকাৰ কৰা, কাৰ্তিক বসুৱে মৃত্যুৰ যন্ত্ৰণাত চটফটাই থকা বৃদ্ধ পিতৃক উপেক্ষা কৰাৰ মূল কাৰণ মানৱীয় মূল্যবোধৰ অৱনতি।

> মোৰ দেউতা আছিল বিৰাট শক্তিমান মানুহ। তেওঁ সকলোকে আশ্ৰয় দিছিল। তেওঁ সকলোকে বল দিছিল। তেওঁ দুৰ্বলতা কাক কয় চিনি নাপাইছিল। এতিয়া যিজন মানুহে কেঁকাই কেঁকাই মৃত্যুৰ ক্ষণ গণিছে তেওঁ মোৰ দেউতা নহয়; তেওঁক মই চিনিয়েই নাপাওঁ।[৬৭]

চৌৰান্নবৈ বছৰীয়া বৃদ্ধ পিতৃৰ পৰনিৰ্ভৰশীল অৱস্থাক লৈ এজন উচ্চপদস্থ চৰকাৰী বিষয়াৰ তীব্ৰ বিৰক্তি আৰু অপৰাধৰ অনুশোচনাত দগ্ধ হোৱাৰ চিত্ৰ উপন্যাসখনত প্ৰকাশ পাইছে। সমাজত মানৱীয় মূল্যবোধৰ অৱক্ষয়িত ৰূপ প্ৰত্যক্ষ কৰি তিৰাশী বছৰীয়া ফুকন হতভম্ব হৈ পৰিছে। চহৰীয়া সমাজত

---

৬৬। হোমেন বৰগোহাঞি, পূৰ্বোল্লিখিত, পৃ. ১০

৬৭। উল্লিখিত, পৃ. ১৫

উচ্চশিক্ষিত পুত্রহঁতৰ চিন্তাধাৰাত বৃদ্ধ পিতৃ-মাতৃৰ জীৱনৰ প্ৰমূল্য কমি অহাত আধুনিক মানুহৰ মনৰ জটিলতা আৰু ন ন বৈচিত্ৰ্য উপন্যাখনত পৰিলক্ষিত হৈছে। দিলীপৰ প্ৰতিৱেশী বৃদ্ধ দম্পতীৰ কথা-বতৰাত সাম্প্ৰতিক প্ৰজন্মৰ বাৰ্ধক্যৰ অপৰাধবোধৰ ধাৰণা পোৱা গৈছে— "আজিকালি আমাৰ দেশখনো বিলাত-আমেৰিকাৰ নিচিনা হ'ল নহয়— বিয়াবাৰু হোৱাৰ পিছত আৰু পো-বোৱাৰীয়ে পৰাপক্ষত বুঢ়া মাক-দেউতাকৰ লগত থাকিবলৈ ইচ্ছা নকৰে।"[৬৮] মূল্যবোধৰ পৰিৱৰ্তনত অসহায় আৰু নিঠৰুৱা হৈ পৰা দিলীপৰ প্ৰতিৱেশী বৃদ্ধ দম্পতীৰ সাম্প্ৰতিক প্ৰজন্মক লৈ সৃষ্টি হোৱা আক্ষেপ আৰু অভিযোগ ভিত্তিহীন নহয়। সাম্প্ৰতিক বিয়াৰ প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ ছোৱালীয়ে ল'ৰাৰ ৰূপ, গুণ, বংশমৰ্যাদাতকৈ বৃদ্ধ পিতৃ-মাতৃ থকা-নথকাৰ ক্ষেত্ৰতহে বেছি গুৰুত্ব দিয়াৰ বাস্তৱ সত্য উপন্যাসখনত প্ৰকাশ পাইছে।

> আজিকালিৰ আধুনিকা ছোৱালীয়ে শাহু-শহুৰ নোহোৱা নিজঞ্জাল ঘৰ এখনহে পছন্দ কৰে। সেই কাৰণে ছোৱালী-মাক-বাপেকেও পৰাপক্ষত বুঢ়া মাক-বাপেক নথকা বা থাকিলেও মাক-বাপেকৰ পৰা আঁতৰি বেলেগে ঘৰ পাতি থকা ল'ৰালৈহে ছোৱালী দিবলৈ ইচ্ছা কৰে।[৬৯]

উপন্যাসখনত বাৰ্ধক্যই বৃদ্ধ লোকৰ জীৱনৰ মূল্য হ্ৰাস কৰিছে বুলি উল্লেখ পোৱা যায় যদিও সকলো ক্ষেত্ৰতে এই অভিযোগ মানি ল'ব পৰা নাযায়। সত্তৰ ঊৰ্ধ্বৰ কালিৰাম পণ্ডিত চৰিত্ৰটোৱে বাৰ্ধক্যত তেওঁৰ জীৱনৰ মূল্য বৃদ্ধি হোৱা বুলি উপন্যাসখনত উল্লেখ কৰিছে। নামঘৰৰ পৰ্বত আগভাগ লোৱা, নৰিয়া মানুহৰ ঘৰত পুথি-পাঁজি পঢ়া, গাঁওখনৰ সকলোৱে পিতৃতুল্য গণ্য কৰি উপদেশ-পৰামৰ্শ বিচৰা, আনকি বৃদ্ধ কালিৰাম পণ্ডিতৰ হাক-বচন মানি চলা গাঁওখনৰ, পৰিয়ালৰ লোকসকলৰ আন্তৰিকতাই তেওঁৰ প্ৰমূল্য বাৰ্ধক্যত বৃদ্ধি কৰিছে।

---

৬৮। উল্লিখিত, পৃ. ৭৯

৬৯। উল্লিখিত, পৃ. ৮০

ডেকা বয়সত কেৱল নিজৰ ল'ৰা-তিৰোতা আৰু নিজৰ বংশ-পৰিয়ালকেই খুব ডাঙৰ কৰি দেখিছিলো; এতিয়া বুঢ়া হৈ অহাৰ লগে লগে দেখিছোঁ যে গোটেই গাঁওখনৰ মানুহেই মোৰ নিজৰ ল'ৰা-ছোৱালীৰ নিচিনা হৈ পৰিছে। সিহঁত সকলোৱেই মোক পিতৃতুল্য বুলি মানি আপদে-বিপদে মোৰ দিহা-পৰামৰ্শ বিচাৰি আহে, মোৰ হাক-বচন মানি চলে। গতিকে বুঢ়া হৈ মই দুখ পোৱাতকৈ সুখহে বেছিকৈ পাইছোঁ যেন লাগিছে।[৭০]

উপন্যাসখনৰ বৃদ্ধ চৰিত্ৰ কালিৰাম পণ্ডিত এজন নিঃস্বাৰ্থ আৰু সকলোৰে সুখ-দুখত সমভাগী হ'ব পৰা, পৰিৱেশ-পৰিস্থিতিত নিজকে আপোচ কৰি চলিব জনা কৰ্মোদ্যমী আৰু মানৰদৰদী লোক। আত্মসন্তুষ্টি আৰু বাৰ্ধক্যক গ্ৰহণীয় ৰূপত মানি লোৱাৰ বাবে বৃদ্ধজনে জীৱনত সুখ অনুভৱ কৰিছে। তাৰ বিপৰীতে বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতা, কৰ্মবিমুখ বৃদ্ধ ফুকনৰ জীৱনৰ মূল্যবোধৰ অৱক্ষয়ৰ এক বাস্তৱ আৰু বিকৃত ৰূপ উপন্যাসখনত ধৰা দিছে। তথাকথিত আধুনিক চহৰীয়া মানুহৰ বাৰ্ধক্যৰ প্ৰতি থকা নৈতিক মূল্যবোধৰ অভাৱ দেখি ফুকন বাৰ্ধক্যত অতিকে হতাশ হৈ পৰিছে।

**(৫) জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস ঃ**

বাৰ্ধক্যত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস প্ৰতিজন বৃদ্ধ ব্যক্তিৰ মনত অৱদমন হৈ থাকে। *অস্তৰাগ* উপন্যাসখনতো সত্তৰ বছৰীয়া বৃদ্ধ কালিৰাম পণ্ডিতৰ চৰিত্ৰত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস দেখা যায়। কালিৰাম পণ্ডিতে বৃদ্ধসকলৰ নিঃসংগতাৰ বেদনা আৰু মৃত্যুভয়ৰ স্বৰূপ জীৱনৰ অভিজ্ঞতাৰে উপলব্ধি কৰিছে।

আগৰ দিনৰ বুঢ়াকাল এনেকুৱা নাছিল। মানুহে মৰিবলৈ ভয় কৰিছিল, কিন্তু বুঢ়া হ'বলৈ কৰা নাছিল। কিন্তু এতিয়া যুগত পৰিৱৰ্তন এনেকৈ হ'ব ধৰিছে যে মানুহে মৃত্যুতকৈ বুঢ়াকালকহে বেছি ভয় কৰা হৈছে।[৭১]

আৰ্থিক দীনতাৰ বাবে বৃদ্ধ কালিৰাম পণ্ডিতে তেওঁৰ পুত্ৰহঁতক চহৰীয়া শিক্ষাৰে শিক্ষিত কৰিব নোৱাৰি কৃষিজীৱী সমাজখনত খেতিবাতি কৰিবলৈ পৰামৰ্শ দিছে। বাৰ্ধক্যত পুত্ৰহঁতক কাষতে পাই বৃদ্ধ

৭০। উল্লিখিত, পৃ. ৫০

৭১। উল্লিখিত, পৃ. ৫৩

পণ্ডিতে আত্মসন্তুষ্টি লভিছে। আনৰ দৰে বাৰ্ধক্যত পুত্ৰহঁতৰ চিন্তাত কালিৰাম পণ্ডিত ব্যতিব্যস্ত হৈ পৰা নাই। ব্যস্ততাৰে জীৱন অতিবাহিত কৰা কালিৰাম পণ্ডিতৰ জীৱনৰ অভিজ্ঞতাত এজন সুখী ব্যক্তিৰ চিত্ৰ ফুটি উঠিছে— "...মই এতিয়া সত্তৰৰ ডেওনাত ভৰি দিছোঁ। বুঢ়া হৈছোঁ। কিন্তু বুঢ়া হ'বলৈ মোৰ ভয় লগা নাই। পো-বোৱাৰীৰ শ্ৰদ্ধা-ভক্তি আৰু সেৱা-শুশ্ৰূষাই মোৰ জীৱনটো ভৰাই ৰাখিছে।"[৭২] দিলীপৰ প্ৰতিৱেশী বৃদ্ধ দম্পতীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত বৃদ্ধ শাহু-শহুৰ থকা ঘৰলৈ অভিভাৱকে ছোৱালী বিয়া দিব নোখোজা আৰু ছোৱালীয়ে নিজে বিয়াত বহিব নোখোজাৰ বাস্তৱৰ সঁচা প্ৰতিচ্ছবি এখন উপন্যাসখনত পোৱা যায়। সমাজত বৃদ্ধ লোকক অৱমাননা কৰা সাম্প্ৰতিক সময়ৰ তৰুণ প্ৰজন্মৰ বিকৃত মানসিকতাৰ চিত্ৰও উপন্যাসখনত ধৰা দিছে।

ফুকনে বাৰ্ধক্যত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসতকৈ সেই অভিজ্ঞতাসমূহ অতীতৰ স্মৃতি ৰোমন্থনেৰে সজীৱ কৰি তুলিছে। নাতিয়েক কুণালৰ আগত বৃদ্ধ ফুকনে কথা প্ৰসংগত জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ কিছু প্ৰয়াস কৰিছে। সাম্প্ৰতিক সময়ত তৰুণ প্ৰজন্মৰ নিজৰ সভ্যতা-সংস্কৃতিতকৈ আনৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি আগ্ৰহী মনোভাব আৰু বাৰ্ধক্যক অপৰাধ বুলি গণ্য কৰা ফুকনৰ জীৱনৰ অভিজ্ঞতাৰ উপলব্ধি উপন্যাসখনত পোৱা যায়।

**(৬) ব্যক্তিকেন্দ্ৰিক অহমিকা ঃ**

বৃদ্ধ লোকৰ এটি জটিল মানসিক সমস্যা ব্যক্তিকেন্দ্ৰিক অহমিকা। জীৱনত লাভ কৰা প্ৰতিপত্তি, দায়িত্ব আৰু কৰ্তব্য বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয়ৰ বাবে পৰিয়ালৰ আন সদস্যৰ হাতলৈ যায়। বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতাত শয্যাশায়ী পিতৃক পুত্ৰ দিলীপে সুচিকিৎসা আৰু পৰিচৰ্যাৰ বাবে চহৰলৈ আনিব বিচৰাৰ প্ৰস্তাৱত পিতৃ ফুকনে ভীষণ প্ৰতিবাদ কৰে। পিতৃভিঠা, গাঁৱৰ প্ৰাকৃতিক পৰিৱেশ আৰু গাঁৱলীয়া সমাজখন আৰু সম্পৰ্কীয় পৰিয়ালৰ লোকসকলক এৰি বৃদ্ধ ফুকনে পুত্ৰৰ আশ্ৰয়ত থাকিব নোখোজাৰ প্ৰধান কাৰণ ব্যক্তিকেন্দ্ৰিক অহমিকা। ডাক্তৰৰ সুচিকিৎসাৰ অন্তত পুনৰ গাঁৱৰ ঘৰলৈ ফুকনক লৈ অনাৰ প্ৰতিশ্ৰুতি পুত্ৰই দিয়াতহে তেওঁ পুত্ৰৰ নগৰীয়া ঘৰখনলৈ আহে। চহৰীয়া চিকিৎসাই ফুকনক সুস্থ কৰি

৭২। উল্লিখিত, পৃ. ৪৯

তোলে যদিও মনৰ অহমিকাত নিজৰ ভ্ৰান্ত ধাৰণাৰে পো-বোৱাৰী-নাতিৰ মাজত তেওঁ এখন প্ৰাচীৰ সৃষ্টি কৰি লয়। ফুকনৰ অভিযোগ, নাতিহঁতৰ ভাব-ভাষাৰ লগত তেওঁ কোনো পৰিচয়গত সাদৃশ্য বিচাৰি পোৱা নাই। পুত্ৰৰ চহৰীয়া ঘৰখনত নিজকে খাপ খুৱাই ল'ব নোৱাৰি আমন-জিমনকৈ সন্ধিয়া আন্ধাৰ বাৰাণ্ডাৰ এচুকত বৃদ্ধ পিতৃয়ে অভিমান কৰি বহি থাকে— "কোনেও তেওঁক এবাৰো ভিতৰলৈ মাতিবৰ প্ৰয়োজন অনুভৱ কৰা নাই।"[৭৩] ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বাবে পুত্ৰৰ ঘৰখনত বৃদ্ধ ফুকন নিঃসংগ হৈ পৰিছে। মনত অনবৰতে পীড়া দিয়া বাৰ্ধক্যৰ পৰনিৰ্ভৰশীল অনুভৱেই ফুকনৰ ব্যক্তিকেন্দ্ৰিক অহমিকাৰ অন্যতম কাৰণ।

> তেওঁ যদি মাত্ৰ কেইদিনমানৰ কাৰণে পুতেক-বোৱাৰীয়েকৰ ঘৰত আলহী খাবলৈ আহিলেহেঁতেন তেন্তে বোৱাৰীয়েকে নিশ্চয় তেওঁক আপদ দেখাৰ দৰে নেদেখিলেহেঁতেন। বৰং তেওঁক আন্তৰিকভাৱেই আদৰ-সাদৰ কৰিলেহেঁতেন।[৭৪]

পো-বোৱাৰীৰ আমৰণ বোজা হ'বলৈ ফুকনৰ ব্যক্তিকেন্দ্ৰিক অহমিকাই অস্বীকাৰ কৰিছে। সেইবাবে বোৱাৰী আৰু নাতিহঁতৰ ব্যৱহাৰত ফুকন ক্ষুণ্ণ হৈ পৰিছে। কৃত্ৰিম মমত্ববোধক আশ্ৰয় কৰি ফুকনক সন্তুষ্ট কৰিবলৈ বিচৰা নাতিহঁতৰ প্ৰতি বৃদ্ধই এটি বদ্ধমূল ধাৰণা মনত পুহি ৰাখিছে— "মুখস্থ কৰা নাটকৰ বচনৰ দৰে কথা ক'বলৈ আৰম্ভ কৰে।"[৭৫] পো-বোৱাৰীৰ ঘৰত গুৰুত্বহীন হৈ পৰাৰ আশংকাত ফুকনৰ ব্যক্তিকেন্দ্ৰিক অহমিকাত পুৰণি যৌথ ঘৰখনত কটোৱা সেই প্ৰতিপত্তিশালী দিনবোৰলৈ ঘনাই মনত পৰিবলৈ ধৰে। গাঁৰৰ ঘৰত পুনৰ থৈ অহাৰ প্ৰতিশ্ৰুতি দিয়া পুত্ৰৰ কৰ্তব্যবোধত বিতুষ্ট ফুকনৰ ব্যক্তিকেন্দ্ৰিক অহমিকাই পুত্ৰৰ প্ৰতিও সময়ত সন্দিহান হৈ পৰিছে— "বুঢ়া দেহত প্ৰাণটো বচাই ৰখাৰ বাহিৰে কি পুত্ৰৰ আন কোনো কৰ্তব্য নাই?"[৭৬] ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বাবে বাৰ্ধক্যত ফুকন মানসিক উদ্বিগ্নতাৰ সন্মুখীন হৈ মস্তিষ্ক বিকৃতি ৰোগত আক্ৰান্ত হৈ পৰিছে।

---

৭৩। উল্লিখিত, পৃ. ৭২
৭৪। উল্লিখিত, পৃ. ৮১
৭৫। উল্লিখিত, পৃ. ৭৮
৭৬। উল্লিখিত, পৃ. ৭৩

## (৭) জীৱনপ্ৰীতি ঃ

চিৰসুন্দৰ জীৱনক হেৰুৱাব নোখোজা বৃদ্ধ ফুকনৰ জীৱনপ্ৰীতিৰ বৰ্ণনা উপন্যাসখনত প্ৰকাশ পাইছে— "মৃত্যু আছে বুলিয়েই জীৱন ইমান সুন্দৰ আৰু প্ৰাৰ্থনীয়; কিন্তু মই মৰিব নোখোজোঁ, কাৰণ মোৰ মাজত মূৰ্ত হৈ উঠা চৈতন্যৰ চিৰবিলুপ্তি মই কেতিয়াও নিবিচাৰোঁ।"[৭৭] জীৱনৰ অস্তিত্ব ম্লান পৰাৰ আশংকাত পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ মনত অনবৰতে মৃত্যুভয় লাগি থাকে। কৰ্মস্পৃহাৰে জীৱনত জীয়াবলৈ শিকা বৃদ্ধ কালিৰাম পণ্ডিতে জীৱনৰ প্ৰতিটো মুহূৰ্ততে সুখ অনুভৱ কৰিব পাৰিছে। তিৰাশী বছৰীয়া বৃদ্ধ ফুকনেও জৰাগ্ৰস্ত আৰু শয্যাশায়ী অৱস্থাত পুত্ৰস্নেহৰ বাবেই আশাৰে পুত্ৰলৈ বাট চাই ৰৈছে। পুত্ৰ দিলীপৰ কথামতে ফুকন চহৰলৈ আহিবলৈ প্ৰতিবাদ কৰা সত্ত্বেও পুত্ৰৰ লগত অহাৰ প্ৰধান কাৰণ প্ৰত্যক্ষভাৱে জীৱনপ্ৰীতি— "...এই আলৰ বুঢ়া আৰু ৰুগীয়া অৱস্থাত কেৱল লগুৱা-লিগিৰীৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ পক্ষে গাঁৱৰ ঘৰত অকলে থকা সম্ভৱ নহয়।"[৭৮]

জীৱনপ্ৰীতিৰ বাবেই জীৱনৰ সৌন্দৰ্য বিচৰাসকলে বৃদ্ধ হ'ব নোখোজে। জীৱনপ্ৰীতিৰ আন এটা কাৰণ হ'ল যৌৱনৰ মাদকতা। যৌৱনৰ মাদকতা ম্লান হৈ পৰি অহাৰ বাবেই বাৰ্ধক্যৰ যন্ত্ৰণা চাবলৈ কোনো লোকে বাঞ্ছা নকৰে। সাম্প্ৰতিক সময়ত বাৰ্ধক্য মৃত্যুতকৈও ভয়াৱহ সমস্যা হৈ ধৰা দিছে। উপন্যাসখনত বৃদ্ধ ফুকনৰ সাংসাৰিক সুখভোগৰ প্ৰতি আসক্তি বা জীৱনপ্ৰীতি দেখা নাযায় যদিও প্ৰকৃতিপ্ৰীতিৰ এক দুৰ্বাৰ আকৰ্ষণ চৰিত্ৰটোত ফুটি উঠিছে।

বৃদ্ধ ফুকনৰ জীৱনপ্ৰীতিৰ অন্তৰালত পাশ্চাত্যৰ প্ৰকৃতিবাদী দৃষ্টিভংগী (Naturalism)ৰ স্বৰূপ প্ৰকাশ পোৱা দেখা যায়— "প্ৰকৃতিবাদে জীৱনৰ অভিজ্ঞতাক আদৰ্শবাদী ৰূপত দাঙি ধৰাৰ পৰিৱৰ্তে জীৱন যে স্বাভাৱিক নিয়মৰ দ্বাৰাহে নিয়ন্ত্ৰিত সেই কথা জীৱনৰ প্ৰকৃত প্ৰতিৰূপৰ মাজত ফুটাই তোলাৰ ওপৰতে গুৰুত্ব দিয়ে।"[৭৯] প্ৰকৃতি জগতৰ লগত থকা আত্মিক সম্পৰ্কই বৃদ্ধ ফুকনৰ জীৱনপ্ৰীতিৰ অন্যতম কাৰণ। বৃদ্ধ ফুকনে বাৰ্ধক্যত গাঁৱৰ প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ জীৱনৰ গধূলি পৰত, পৃথিৱীৰ পৰা চিৰবিদায়ৰ প্ৰাক্‌মুহূৰ্তত

---

৭৭। উল্লিখিত, পৃ. ৬৭

৭৮। উল্লিখিত, পৃ. ৫৮

৭৯। নগেন শইকীয়া, *সাহিত্য-বাদবৈচিত্ৰ্য*, পৃ. ৮৩

মনৰ ভিতৰত আৰ্তনাদ কৰি উঠিছে— “তেওঁৰ পৰম কামনাৰ বস্তুবোৰ হ’ল গাঁৱলীয়া প্ৰকৃতিৰ সেই তুচ্ছ, নগণ্য দৃশ্যবোৰ আৰু গাঁৱৰ সেই সহজ-সৰল মানুহবোৰ— যিবোৰৰ লগত জীৱনৰ সুদীৰ্ঘ তিৰাশীটা বছৰ ধৰি তেওঁৰ প্ৰাণৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল।”[৮০] জীৱনপ্ৰীতি স্তিমিত হৈ নপৰা ফুকনে বাৰ্ধক্যক দ্বিতীয় শৈশৱ হিচাপে লৈ জীয়াবলৈ চেষ্টা কৰিছে। জীৱনৰ আশাই ফুকনক লৈ যায় শৈশৱৰ সেই সোণোৱালী দিনবোৰলৈ, য’ত তেওঁ প্ৰাণ খুলি খেলা কৰিছিল প্ৰকৃতিৰ বুকুত।

> ...মুষল-ধাৰাৰে বৰষুণ দিয়াৰ পিছত বাটৰ কাষৰ খাৱৈটো পানীৰে চপচপীয়া হৈ উঠিছে আৰু মাকৰ হাক-বচন নামানি কিনকিনীয়া বৰষুণত তিতি তিতি এটি সাত-আঠ বছৰীয়া ল’ৰাই তাত কাগজৰ নাও চলাইছে, নামভৰ্তি মাটিৰ টেকেলি আৰু কলহৰ বোজাই লৈ মাজুলীৰ শালমৰাৰ কুমাৰৰ নাওবোৰ ম’হঘুলি নৈয়েদি উজাই আহিছে আৰু পাৰত থিয় হৈ এটি ন-দহ বছৰীয়া ল’ৰাই স্বপ্নাতুৰ দৃষ্টিৰে নাওবোৰলৈ চাই চাই মনে মনে আওৰাইছে— “হালধীয়া চৰায়ে বাওধান খায়, সাউদৰ পুতেকে নাও মেলি যায়...।”[৮১]

গাঁৱৰ ঘৰখনলৈ ঘূৰি অহাৰ আশা বা জীৱনপ্ৰীতিক বুকুত বান্ধি চহৰীয়া প্ৰবাসৰ যন্ত্ৰণাৰ পৰা মুক্ত হৈ বৃদ্ধ ফুকনে অৱশেষত জীৱনৰ পৰা চিৰবিদায় লোৱাৰ হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত পোৱা যায়। উপন্যাসখনত মৃত্যু যে জীৱনৰ চিৰসমাপ্তি নহয়, এই কথা প্ৰকাশ পাইছে— “জীৱন আকৌ জাগি উঠিব মাটিৰ বুকুৰ পৰা, নৱ নৱ ৰূপান্তৰৰ মাজেদি চিৰপ্ৰবাহিত হৈ থাকিব জীৱনৰ অনন্ত ধাৰা।”[৮২] জীৱনপ্ৰীতিৰ এক নৱৰূপ পুনৰ্জন্মৰ দৰ্শন বাৰ্ধক্য-চিত্ৰৰ মাজেৰে উপন্যাসখনত প্ৰতিফলিত হোৱা দেখা যায়।

### (৮) শাৰীৰিক অসুস্থতাৰ সমস্যা ঃ

বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয়ৰ বাস্তৱ, কৰুণ আৰু মৰ্মান্তিক ৰূপৰ বৰ্ণনা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। তিৰাশী বছৰীয়া ফুকনক বাৰ্ধক্যজনিত ৰোগে শাৰীৰিকভাৱে দুৰ্বল কৰাই নহয়, শয্যাশায়ী কৰাৰ বৰ্ণনা উপন্যাসখনত উল্লেখ পোৱা যায়— “...আজি তিনি মাহ হ’ল, দেউতাই আনকি শৌচ-

৮০। হোমেন বৰগোহাঞি, পূৰ্বোল্লিখিত, পৃ. ৮৩

৮১। উল্লিখিত

৮২। উল্লিখিত

পেছাব কৰিবৰ কাৰণেও বিছনা এৰা নাই।"[৮৩] ফুকন থকা গাঁৰৰ ঘৰৰ কোঠালিৰ মৃদু দুৰ্গন্ধই বাৰ্ধক্যত শৌচ-প্ৰস্ৰাৱৰ নিয়ন্ত্ৰণ হেৰুওৱা এজন বৃদ্ধৰ শাৰীৰিক দুৰৱস্থাৰ বৰ্ণনা দিছে। বাৰ্ধক্যত ঘ্ৰাণশক্তি হ্ৰাস পোৱাত সেই দুৰ্গন্ধতে দিন অতিবাহিত কৰা ফুকনৰ শোচনীয় বাৰ্ধক্যৰ বৰ্ণনা উপন্যাসখনত অংকন কৰা হৈছে। এবছৰ ধৰি বাৰ্ধক্যজনিত ৰোগ আৰু ৰোগৰ নানা উপসৰ্গই ফুকনক জুমুৰি দিয়াৰ চিত্ৰ মৰ্মস্পৰ্শী ৰূপত উপন্যাসখনত পোৱা যায়। অবিৰাম জ্বৰ, অৰুচি, দুৰ্বলতা, আনকি অৰ্ধচেতন অৱস্থাত মাজে মাজে পেছাব কৰি থকা বৃদ্ধ ফুকনে এবছৰ ধৰি শয্যাশায়ী হৈ থকাৰ বাবে গোটেই পিঠিতে চকলা-চকল ডগ্‌ডগীয়া ঘায়ে (বে'ড-ছ'ৰ) দেখা দিয়া এক বীভৎস বৰ্ণনা উপন্যাসখনত তুলি ধৰিছে। এসময়ৰ শক্তিমান, জীৱনৰ নিশ্চিত নিৰাপত্তা দিব পৰা অভিভাৱক ফুকনৰ জৰাগ্ৰস্ত জীৱনত শৌচ-প্ৰস্ৰাৱৰ নিয়ন্ত্ৰণৰ বেগ হেৰাই যোৱা, নিজৰ গাটোকে দাঙিবলৈ অপাৰগ বাৰ্ধক্যৰ শোচনীয় ৰূপ বাস্তৱ ৰূপত চৰিত্ৰটোৰ মাজেৰে তুলি ধৰা হৈছে।

চহৰীয়া চিকিৎসাৰ বাবে পাছলৈ বাৰ্ধক্যৰ শাৰীৰিক সমস্যাৰ ফুকনৰ কিছু উপশম ঘটে। গাঁৰৰ ঘৰখনলৈ বাৰে বাৰে আহিবলৈ পুত্ৰক আব্‌দাৰ ধৰা ফুকনৰ শাৰীৰিক সমস্যাতকৈ লাহে লাহে মানসিক সমস্যাই গা কৰি উঠে। দহ দিনমান আগলৈকে সুস্থভাৱে কথা পতা ফুকনে নাম পাহৰা, একেটা বাক্যকে দোহৰা, মুখৰ ভিতৰত বিৰ্‌বিৰ্‌কৈ কিবা মাতি থকা, লাগ-বান্ধ নোহোৱা কথা বকি থকা আদি অস্বাভাৱিক লক্ষণ তেওঁৰ চৰিত্ৰত ফুটি উঠা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে। স্মৃতিশক্তি, চিন্তাশক্তিৰে পৰিপাটিকৈ কথা ক'ব পৰা একালৰ ফুকনৰ চিন্তাৰ শৃংখলা বাৰ্ধক্যত হেৰাই যাবলৈ ধৰে। সৰুতে পুত্ৰ দিলীপক শব্দৰে চিন্তা কৰিবলৈ শিকোৱা ফুকনৰ বাৰ্ধক্যৰ মানসিক বিপৰ্যয় দেখি মনোৰোগ বিশেষজ্ঞই চৌৰাশী বছৰীয়া ফুকনৰ 'ছেনাইল ডিমেনছিয়া' হোৱা বুলি স্পষ্ট কৰে। যাঠি-সত্তৰ বছৰ বয়সৰ পৰাই আৰম্ভ হোৱা এই ৰোগে কেনেকৈ বৃদ্ধ লোকৰ জীৱনলৈ ভয়ংকৰ জটিলতা আনে সেই বিষয়ে উপন্যাসখনত বিস্তৃত বৰ্ণনা দাঙি ধৰিছে। আশীবছৰীয়া দাৰ্শনিক এমাৰছন, ষ্ট্ৰোক ৰোগত আক্ৰান্ত বিশ্ববিখ্যাত নাট্যকাৰ সত্তৰ বছৰীয়া ইবছেনৰ মানসিক ৰোগৰ পুংখানুপুংখ বৰ্ণনাও উপন্যাসখনত পোৱা যায়।

---

৮৩। উল্লিখিত, পৃ. ৯

> তোমাৰ দেউতাৰাৰ যিটো অসুখ হৈছে— যিটো অসুখে আৰু দুই-তিনি মাহৰ ভিতৰতে নানা জটিল ৰূপ ল'ব পাৰে— তাক ডাক্তৰী ভাষাত ছেনাইল ডিমেনছিয়া বুলি কোৱা হয়। দেহৰ অংগ-প্ৰত্যংগ শুকাই যোৱাটোৱেই হ'ল বাৰ্ধক্যৰ এটা লক্ষণ।... বয়স বঢ়াৰ লগে লগে মানুহৰ মগজটোও শুকাবলৈ ধৰে। শুকাই শুকাই সি সৰু হয়, ওজনো তাৰ ভালেখিনি কমি যায়।[৮৪]

স্মৃতিভ্ৰংশ, চিন্তাশক্তিৰ অৱক্ষয়, মানসিক বিকৃতি তথা উন্মাদনা— এইকেইটা 'ছেনাইল ডিমেনছিয়া' ৰোগৰ সাধাৰণ বৈশিষ্ট্য। অসংখ্য কোষেৰে গঠিত মানুহৰ মগজুৰ উপৰিভাগ অসমান, খলাবমা আৰু বাৰ্ধক্যত সেই অসমান অংশবোৰ ক্ষয় গৈ সমান হৈ পৰে। মগজুৰ ভিতৰত থকা ঘিউ অথবা গ্ৰে মেটাৰখিনিও বাৰ্ধক্যত গলি গলি আইনাৰ দৰে স্বচ্ছ হৈ পৰে। মগজু কোষৰ ক্ষয়প্ৰাপ্তি আৰু মগজুৰ লগত সংযোগ ৰক্ষাকাৰী 'নিউৰোফা ব্ৰিল' নামৰ অতি সূক্ষ্ম সূতাৰ নিচিনা অংশবোৰ জঁট বান্ধিবলৈ ধৰে আৰু ফলস্বৰূপে 'ছেনাইল ডিমেনছিয়া' নামৰ মানসিক ৰোগবিধে জটিল ৰূপ ধাৰণ কৰে। সাধাৰণতে এইবিধ ৰোগ সত্তৰ-পঁয়সত্তৰ বছৰৰ পৰা ধীৰে ধীৰে আৰম্ভ হৈ বয়সৰ লগে লগে অধিক জটিল হৈ পৰে। বিশেষকৈ বাৰ্ধক্যত আকস্মিক শ্বক পোৱা, এডাপ্‌টেবিলিটী, অৰ্থাৎ পৰিৱেশৰ লগত খাপ খুৱাই ল'ব পৰা ক্ষমতা নাশ হোৱাৰ বাবে মানসিকভাৱে সুস্থ বৃদ্ধ লোকৰ 'ছেনাইল ডিমেনছিয়া' ৰোগ হোৱাৰ সম্ভাৱনা থাকে। উপন্যাসখনৰ নায়ক বৃদ্ধ ফুকন 'ছেনাইল ডিমেনছিয়া' ৰোগত আক্ৰান্ত হোৱাৰ প্ৰধান কাৰণ হ'ল বাৰ্ধক্যজনিত পৰিৱেশত নিজকে খাপ খুৱাব নোৱৰাৰ মানসিক চাপ।

> তোমাৰ দেউতাৰাই জীৱনৰ সুদীৰ্ঘ তিৰাশীটা বছৰ যি পৰিৱেশত জীৱনটো অতিবাহিত কৰিলে, তাৰ পৰা হঠাৎ তেওঁক আঁজুৰি আনি সম্পূৰ্ণ এটা আচহুৱা আৰু অনাত্মীয় পৰিৱেশত বাস কৰিবলৈ তেওঁক বাধ্য কৰিলে মানুহজনৰ জৰাগ্ৰস্ত মস্তিষ্কৰ ওপৰত তাৰ একো প্ৰতিক্ৰিয়া নহ'ব বুলি তুকি আশা কৰানে? প্ৰতিক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছেই। তেওঁ যে ঘৰলৈ ঘূৰাই পঠাবলৈ তোমাক ইমান কাবৌ-কাকুতি কৰি আছিল, হঠাৎ এদিন তেওঁ হয়তো অনুভৱ কৰিলে যে হাজাৰ কাবৌ-কাকুতি কৰিলেও তুমি আৰু তেওঁক গাঁৰৰ ঘৰলৈ ঘূৰাই নপঠোৱা। তেওঁ আৰু কেতিয়াও তেওঁৰ সমস্ত জীৱনাৰ স্মৃতিবিজড়িত গাঁওখন দেখিবলৈ নাপাব, গাঁৰৰ মানুহবোৰৰ মৰমসনা মুখবোৰ দেখিবলৈ নাপাব, ...ঠিক সেই মুহূৰ্তৰ পৰাই তেওঁৰ এই ডিমেনছিয়া বা চিত্তভ্ৰংশ আৰম্ভ হৈছে।[৮৫]

---

৮৪। উল্লিখিত, পৃ. ৯৫

৮৫। উল্লিখিত, পৃ. ৯৭

'ছেনাইল ডিমেনছিয়া' ৰোগত আক্ৰান্ত বৃদ্ধ ফুকনে শাৰীৰিকভাৱে দুৰ্বল হোৱাৰ লগতে চিন্তাৰ শৃংখলা হেৰুৱাই পেলাইছে। অৱশেষত বাৰ্ধক্যৰ যন্ত্ৰণাত ভাগৰি পৰা ফুকনে মৃত্যুৰে জীৱনৰ সমাপ্তি ঘটায়।

উপন্যাসখনৰ আন এটা বৃদ্ধ চৰিত্ৰ মথুৰা পণ্ডিতৰ বাৰ্ধক্যৰ শাৰীৰিক আৰু মানসিক ৰোগৰ বৰ্ণনা পোৱা যায়। এসময়ৰ এজন বিদ্বান, অঞ্চলটোৰ প্ৰতিখন সভাৰ সভাপতিৰ আসন দখল কৰা ব্যক্তিত্বশীল মথুৰা পণ্ডিতৰ অৱস্থা বাৰ্ধক্যত পণ্ডিত গুচি পৰিণত হৈছে গছৰ মূঢ়াত। দুৰ্বল বা বলহীন লোকে আত্মাক লাভ কৰিব নোৱাৰাৰ পৰামৰ্শ দিয়া পণ্ডিতৰ বাৰ্ধক্যৰ দুৰৱস্থাৰ চিত্ৰ উপন্যাসখনত মৰ্মস্পৰ্শী ৰূপত তুলি ধৰিছে।

> মানুহজনৰ দুই চকুৰ কোণত ফেচকুৰি জমা হৈছে, গালত জমা হোৱা থপ্‌থপীয়া মেদবোৰ মৌ-বিচনীৰ দৰে ওলমি পৰিছে; তলৰ ওঁঠখন সামান্য মেল খাই পৰিছে আৰু মেলা মুখৰ ফাঁকেদি লেলাউটি ওলাই আহি দুই কোৱাৰিয়েদি বাগৰি পৰিছে; দিলীপৰ নাকত আহি লগা গোন্ধটোৱে নিশ্চিতভাৱে ঘোষণা কৰিছে যে মানুহজনে সামান্য শৌচ আৰু প্ৰস্ৰাৱ কৰিছে আৰু বহুত সময় নিজৰ শৌচ-প্ৰস্ৰাৱতে লেটি লৈ বহি আছে।[৮৬]

বৃদ্ধ লোকৰ শাৰীৰিক সমস্যাক প্ৰাধান্য দিয়া উপন্যাসখনত শাৰীৰিক সমস্যাই মানসিক স্তৰত ক্ৰিয়া কৰা দেখা গৈছে। গতিকে শাৰীৰিক আৰু মানসিক দুয়োবিধ সমস্যা ওতপ্ৰোতভাৱে জড়িত। কেতিয়াবা শাৰীৰিক সমস্যাই মানসিক ৰূপ ল'ব পাৰে আৰু কেতিয়াবা মানসিক সমস্যাই শৰীৰত ক্ৰিয়া কৰিব পাৰে।

**(৯) শৈক্ষিক মূল্যৱোধৰ অভাৱ ঃ**

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য নিজক সুসংস্কৃতিৱান কৰি গঢ়ি তোলা। উপন্যাসখনত শৈক্ষিক মূল্যবোধৰ প্ৰতি আগ্ৰহী বৃদ্ধ ফুকনে প্ৰকৃত অৰ্থত পুত্ৰ দিলীপক সুশিক্ষিত কৰি তুলিব বিচাৰিছিল। সাম্প্ৰতিক প্ৰজন্মৰ শৈক্ষিক মূল্যৱোধৰ অভাৱে প্ৰকৃত শিক্ষাত হেঙাৰ হৈ থিয় দিয়া বুলি বৃদ্ধ ফুকনৰ অনুভৱ।

---

৮৬। উল্লিখিত, পৃ. ৯২, ৯৩

> কিন্তু কেৱল কিতাপ পঢ়িব পৰা মানুহকে বা বি. এ, এম. এ. ডিগ্ৰী থকা মানুহকে মই শিক্ষিত বুলি নকওঁ। এনেকুৱা ঢেৰ ডিগ্ৰীধাৰী মানুহ মই লগ পাইছোঁ— যাৰ কোনো এটা বিষয়েই নিজস্ব কোনো মতামত নাই; যিবোৰ মানুহে কোনো এটা আলোচনাতেই এটা মাত্ৰ বাক্যও দিহা লগাই ক'ব নোৱাৰে, যিবোৰ মানুহে বিদ্যা বেচি জীৱিকা উপাৰ্জন কৰিব পাৰে সঁচা, কিন্তু সেই বিদ্যাৰ পৰা নিজৰ জীৱনটোক সাৰ্থক কৰি তুলিব পৰা কোনো আনন্দ বা মংগল আহৰণ কৰিব নোৱাৰে।[৮৭]

বৃদ্ধ ফুকনৰ মতে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য জীৱন সাৰ্থক কৰা। সেইবাবে পুত্ৰ দিলীপক প্ৰকৃত শিক্ষা দিবলৈ ফুকনে শিক্ষাৰ প্ৰকৃত মূল্য বুজি পোৱা লোকৰ উপদেশ, পৰামৰ্শ আৰু কৌশলগত দিশ আয়ত্ত কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে।

> শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য মানুহক স্বাধীনভাৱে চিন্তা কৰিবলৈ শিকোৱা। ...ল'ৰা-ছোৱালীক কথা ক'বলৈ দিব লাগে; নানাবিধৰ প্ৰশ্ন কৰি উত্তৰত সিহঁতে যিহকে কয় তাকে শ্ৰদ্ধা আৰু মনোযোগেৰে শুনিব লাগে। ল'ৰা-ছোৱালীক গল্প ক'বলৈ, সিহঁতৰ নিজৰ জগতখনৰ অভিজ্ঞতা বৰ্ণনা কৰিবলৈ আৰু সিহঁতে পঢ়া কিতাপৰ সাৰাংশ ক'বলৈ সিহঁতক উৎসাহিত কৰিব লাগে। সিহঁতে যিমানেই উৎসাহী শ্ৰোতা পাব সিমানেই সিহঁতে কথাবোৰ দিহা লগাই শুনি সুখ পোৱাকৈ ক'বলৈ চেষ্টা কৰিব। সিহঁতে যিমানেই কথাবোৰ দিহা লগাই ক'বলৈ চেষ্টা কৰিব সিমানেই সিহঁতৰ শব্দৰ ওপৰত দখল বাঢ়িব আৰু প্ৰকাশ সাৱলীল হ'ব; শব্দৰ ওপৰত দখল বঢ়াৰ লগে লগে সিহঁতৰ চিন্তাশক্তিও ক্ৰমে ক্ৰমে বৃদ্ধি পাব, কাৰণ মানুহে শব্দৰ সহায়েৰেই চিন্তা কৰে। শব্দহীনভাবে চিন্তা কৰিব নোৱাৰে।[৮৮]

শৈক্ষিক দিশত দিলীপৰ উন্নতি সাধিবলৈ বৃদ্ধ ফুকনে অতীতৰ এটা সময়ত পুত্ৰ দিলীপৰ প্ৰতিটো কথাৰে শ্ৰোতা হৈ ধৈৰ্যসহকাৰে পুত্ৰৰ বিষয়জ্ঞানৰ পৰীক্ষা ল'বলৈ চেষ্টা কৰিছে।

চহৰীয়া স্কুল বা সেই সময়ত উচ্চ শিক্ষা পাবলৈ সক্ষম নোহোৱা বৃদ্ধ কালিৰাম পণ্ডিতে পুত্ৰহঁতক আদৰ্শৱান কৰিবলৈ নিজেই আদৰ্শ হৈ পৰিছে। উপন্যাসখনত বৃদ্ধ ফুকনৰ পৰ্যবেক্ষণত দৃষ্টিগোচৰ হৈছে তৰুণ প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ অভাৱ। নাতি আৰু বোৱাৰীয়েকৰ আপোন সংস্কৃতিৰ প্ৰতি অনীহাৰ প্ৰমাণ বিদেশী চিনেমাৰ প্ৰতি আকৰ্ষিত হোৱা আৰু পাশ্চাত্য আদৰ্শ-সংস্কৃতিৰ দ্বাৰা অনুপ্ৰাণিত হ'ব

৮৭। উল্লিখিত, পৃ. ৪২

৮৮। উল্লিখিত, পৃ. ৪৩

বিচৰা। শৈক্ষিক মূল্যবোধৰ অভাৱত তৰুণ প্ৰজন্মৰ দুৰৱস্থা দেখি বৃদ্ধ ফুকনৰ মনত ক্ষোভৰ সৃষ্টি হৈছে। সেইবাবে নাতি কুণালৰ আগত মনৰ আক্ষেপ বিষণ্ণতাৰে প্ৰকাশ কৰিছে।

> ...তোমালোকে ইংলেণ্ডৰ বিষয়ে ইংৰাজ ল'ৰা-ছোৱালীতকৈ বা ৰাছিয়াৰ বিষয়ে ৰাছিয়ান ল'ৰা-ছোৱালীতকৈ বেছি কথা জানা; কিন্তু নিজৰ দেশৰ বিষয়ে একো কথাই নাজানা। সেই কাৰণেহে মই মাজে মাজে তোমালোকক কওঁ যে তোমালোকে যি ভাষাত কথা কোৱা সেই ভাষা মই বুজিবলৈ টান পাওঁ।[৮৯]

আনকি জকাইচুকৰ বনকৰা ছোৱালীজনীৰ মুখত হিন্দুস্থানী গানৰ কলি শুনি ফুকন আচৰিত হৈ পৰিছে। ৰামায়ণ-মহাভাৰতৰ কোনো চৰিত্ৰৰ নাম শুনা নোপোৱা কেৱল ৰেডিঅ' আৰু চিনেমাত মজি নিজৰ সংস্কৃতিক বিসৰ্জন দিয়া গাঁৱলীয়া সমাজখনৰ কথা ভাবি ভৱিষ্যৎ প্ৰজন্মৰ বাবে ফুকনৰ মনৰ জটিলতা বাঢ়িবলৈ ধৰে। শৈক্ষিক মূল্যৱোধৰ অভাৱত সাম্প্ৰতিক তৰুণ প্ৰজন্মৰ এচাম লোকৰ ভণ্ডামি আৰু নিজৰ সংস্কৃতিৰ প্ৰতি অৱজ্ঞাৰ ভাব উপন্যাসখনত ধৰা দিছে। ফুকনৰ বৃদ্ধ-মনস্তত্ত্বত জটিলতা প্ৰতিফলিত এনে তৰুণ প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ অভাৱত আপোন সংস্কৃতি নিঃশেষ হোৱাৰ সম্ভাব্য স্বৰূপ প্ৰত্যক্ষ কৰা হৈছে।

**(১০) নগৰীয়া জীৱনৰ যন্ত্ৰণা ঃ**

আধুনিক সমাজৰ দ্ৰুত নগৰীকৰণত শিক্ষা, ব্যৱসায় আৰু বৃত্তিমুখী জীৱনৰ অন্বেষণত নগৰমুখী হোৱা লোকৰ যন্ত্ৰণাৰ প্ৰতিচ্ছবি বৃদ্ধ ফুকনৰ মানসিকতাৰে উপন্যাসখনত তুলি ধৰা হৈছে। নগৰীয়া প্ৰতিযোগিতামূলক জীৱনক আঁকোৱালিবলৈ উচ্চশিক্ষিতজন চহৰলৈ ওলাই অহা দেখি প্ৰতিযোগিতাত নিজক থিয় কৰাব নোৱৰাসকলেও চহৰীয়া জীৱনৰ সুখ ভোগ কৰিবলৈ ঢাপলি মেলাৰ বৰ্ণনা বৃদ্ধ কালিৰাম পণ্ডিতৰ কথাত প্ৰকাশ পাইছে। যিসকল চহৰমুখী হ'ব পৰা নাই সেইসকল প্ৰতিযোগিতাত হাৰি যোৱাৰ অনুভৱত হতাশাৰ সন্মুখীন হৈছে। চহৰীয়া সুখৰ সন্ধান বিচৰাসকলৰ বিপৰীতে ফুকনে চহৰীয়া জীৱন যন্ত্ৰৱৎ আৰু কৃত্ৰিম বুলি ধাৰণা কৰিছে। বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতাত চিকিৎসাৰ বাবে চহৰলৈ অহা ফুকনে চহৰীয়া পৰিৱেশত নিজকে খাপ খুৱাব নোৱাৰি মানসিক যন্ত্ৰণাৰ সন্মুখীন হৈছে। দিলীপৰ নগৰীয়া একক সৰু

---

৮৯। উল্লিখিত, পৃ. ৭১

পৰিয়ালটোৰ সকলোৰে ব্যস্ততা দেখি বৃদ্ধ ফুকনে নগৰীয়া জীৱনৰ কৃত্ৰিমতা বাৰুকৈয়ে অনুভৱ কৰিবলৈ ধৰে। নগৰীয়া লোকৰ যান্ত্ৰিক কৰ্মব্যস্ততা, ৰুচিবোধ আৰু জীৱনশৈলীৰ বাস্তৱ স্বৰূপ দেখি বৃদ্ধ ফুকনৰ মনে হাহাকাৰ কৰি উঠা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

> ঘড়ীৰ কাঁটা ধৰি ইয়াত গা ধোৱাৰ সময়ত গৰম পানী পায়, খোৱাৰ সময়ত খাবলৈ পায়, বেমাৰত শয্যাশায়ী হৈ থাকিলে নিপুণ শুশ্ৰূষাও পায়; অৰ্থাৎ হাস্পতালৰ পেয়িং ৱাৰ্ডত কিংবা এখন ব্যয়বহুল নাৰ্ছিং হোমত পাব পৰা সকলো সুবিধা আৰু পৰিচৰ্যাই ইয়াত পোৱা যায়।[৯০]

নগৰীয়া নাতি আৰু বোৱাৰীৰ ভদ্ৰ আৰু বিনয়ী স্বভাৱত ফুকনে কোনো প্ৰাণৰ স্পৰ্শ বিচাৰি নোপোৱাৰ কথা উপন্যাসখনত উল্লেখ পোৱা যায়। শ্ৰদ্ধা আৰু আন্তৰিকতাৰ পৰিৱৰ্তে তেওঁলোকৰ ব্যৱহাৰত ফুকনে দেখা পাইছে নগৰীয়া মানুহৰ নিখুঁত অভিনয়। কোনো কাৰোৰে প্ৰতি সংবেদনশীল নোহোৱা নগৰীয়া জীৱনত বাৰ্ধক্য এক অপৰাধ বুলি ফুকনৰ মনৰ এক ধাৰণা। নগৰীয়া জীৱনত বাৰ্ধক্যই পো-বোৱাৰীৰ আমৰণ বোজা হ'বলৈ বাধ্য কৰোৱাৰ অপৰাধবোধৰ পীড়নত ফুকন ভীষণ অস্বস্তিৰ সন্মুখীন হৈছে। তদুপৰি প্ৰকৃতিৰ লগত হোৱা চিৰবিচ্ছেদেই নগৰীয়া জীৱনৰ এক অভিশাপ বুলি বৃদ্ধ ফুকনৰ মনৰ আন এক বদ্ধমূল ধাৰণা। সেইবাবে নগৰীয়া জীৱনৰ যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু গাঁৱৰ প্ৰকৃতিৰ লগত একাত্ম হ'বলৈ ফুকনৰ আকুল মনে বাৰে বাৰে গাঁৱৰ পৰিৱেশলৈ উৰা মাৰিছে।

> যিবোৰ বস্তুৰ কাৰণে তেওঁৰ প্ৰাণে আজি হাহাকাৰ কৰি মৰিছে সি সুখাদ্য নহয়, আৰাম-স্বাচ্ছন্দ্য নহয়; আনকি পো-বোৱাৰী, নাতি-নাতিনীৰ সান্নিধ্যও নহয়; তেওঁৰ পৰম কামনাৰ বস্তুবোৰ হ'ল গাঁৱলীয়া প্ৰকৃতিৰ সেই তুচ্ছ নগণ্য দৃশ্যবোৰ আৰু গাঁৱৰ সেই সহজ-সৰল মানুহবোৰ— যিবোৰৰ লগত জীৱনৰ সুদীৰ্ঘ তিৰাশীটা বছৰ ধৰি তেওঁৰ প্ৰাণৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল।[৯১]

বৃদ্ধ ফুকনৰ মনৰ ধাৰণা, নগৰীয়া জীৱন কেৱল এক যন্ত্ৰণা— "...আমি গাঁৱলীয়া মানুহ আন্ধাৰৰ লগত ইমান বেছি অভ্যস্ত যে তোমালোকৰ চহৰৰ বিজুলী-চাকিৰ উগ্ৰ পোহৰে আমাৰ চকুক বৰ কষ্ট

---

৯০। উল্লিখিত, পৃ. ৭২

৯১। উল্লিখিত, পৃ. ৮২

দিয়ে।"[৯২] নগৰীয়া জীৱনৰ একক পৰিয়ালৰ একাকিত্ব, জীৱনশৈলীৰ শৃংখলাৰদ্ধ ৰূপ, মানৱীয় মূল্যবোধৰ অৱক্ষয়, নগৰীয়া শিক্ষাৰে শিক্ষিত ভদ্ৰলোকৰ অতি মাৰ্জিত আচৰণ আৰু প্ৰকৃতিৰ লগত হোৱা চিৰবিচ্ছেদেই নগৰীয়া জীৱনক যন্ত্ৰণা বুলি ভবা ফুকনৰ মনৰ এক প্ৰতিচ্ছবি উপন্যাসখনত প্ৰকাশ পাইছে।

**(১১) অন্যান্য কাৰণ ঃ**

উপন্যাসখনত ফুকনৰ বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ আন কেইটামান কাৰকে ক্ৰিয়া কৰিছে। 'জেনেৰেশ্যন গেপ' অৰ্থাৎ প্ৰজন্মৰ ব্যৱধান উপন্যাসখনৰ আন এটি বৃদ্ধ-মনস্তত্ত্বত থকা জটিলতাৰ কাৰণ। নাতিহঁতৰ লগত থকা প্ৰজন্মৰ ব্যৱধানে ফুকনৰ জীৱনৰ নিঃসংগতাৰ বেদনা আৰু বেছি গভীৰ কৰি তুলিছে। নগৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হোৱা ফুকনৰ নাতিহঁত বিদেশী ভাষা-সাহিত্য-সংগীত আৰু বৈজ্ঞানিক সভ্যতাৰ নানা উপকৰণ আৰু তাৰ লগত জড়িত কিছুমান খেল-ধেমালিৰ লগত অভ্যস্ত। ফুকনে গাঁৱলীয়া কৃষিভিত্তিক সমাজখনৰ লগত নাতিহঁতৰ শৈক্ষিক আৰু অন্যান্য পৰিৱেশ-পৰিস্থিতিৰ অমিল দেখা পাইছে। কৃষিজীৱী সমাজত ডাঙৰ-দীঘল হোৱা ফুকনৰ পৰিচয় খেতি পথাৰ, গৰু-ম'হ, আইনাম-বিয়ানাম, সবাহ-ভাওনা আৰু অসমীয়া মহাপুৰুষীয়া সংস্কৃতিৰ নিদৰ্শন কীৰ্ত্তন-দশমৰ মাজত। সেইবাবে ফুকনে নাতিহঁতৰ জগতখনত প্ৰাণে বিচৰা কোনো বস্তুৱে আকৰ্ষণ অনুভৱ কৰিব পৰা নাই। ভাবুক স্বভাৱেৰে আঁকোৰগোজ হৈ পৰা ফুকনে কেৱল গাঁৱৰ ঘৰখনলৈ ঘূৰি অহাৰ শিশুসুলভ আব্‌দাৰ পুত্ৰৰ আগত ব্যক্ত কৰিছে। পুত্ৰৰ পলৰীয়া স্বভাৱ প্ৰত্যক্ষ কৰি ফুকন আত্মাভিমানী হৈ উঠা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। তদুপৰি বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱত ফুকনৰ মনস্তাত্ত্বিক জটিলতাই উপন্যাসখনত ধৰা দিছে। বাৰ্ধক্যক অপৰাধ বুলি ভবা সাম্প্ৰতিক প্ৰজন্মৰ ধাৰণা আৰু পো-বোৱাৰীৰ আমৰণ বোজা হৈ পৰনিৰ্ভশীল হোৱাৰ আশংকাত বৃদ্ধ ফুকনে নগৰীয়া জীৱনৰ কৃত্ৰিমতাত অশান্তিৰে দিন অতিবাহিত কৰিছে।

---

৯২। উল্লিখিত, পৃ. ৭৫

**অন্যান্য উপন্যাস ঃ**

হোমেন বৰগোহাঞিৰ অন্যান্য বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ভিতৰত *পিতা-পুত্ৰ* অন্যতম। উপন্যাসখনৰ নায়ক শিৱনাথ ফুকন আঠচল্লিছ বছৰীয়া এজন প্ৰৌঢ় ব্যক্তি। বয়সৰ হিচাপেৰে আঠচল্লিশ বছৰীয়া শিৱনাথক বৃদ্ধ বুলি ক'ব পৰা নাযায় যদিও জীৱনৰ অভিজ্ঞতাৰে বৃদ্ধ বুলি অভিহিত কৰা হৈছে। কৰবী ডেকা হাজৰিকাই *পিতা-পুত্ৰ* উপন্যাসৰ এক আলোচনাত শিৱনাথৰ বয়স প্ৰসংগত যুক্তিসহকাৰে আলোচনা কৰিছে— "যিজনৰ বয়স ছয়চল্লিশ বা সাতচল্লিশ বুলি উল্লেখ কৰিলেও চিন্তা আৰু কাৰ্যত ষাঠি বছৰতকৈ কম যেন নালাগে।"[৯৩] তদুপৰি উপন্যাসখনত শাস্ত্ৰমতে পুৰণি কালত পঞ্চাশ বছৰ বয়সত বানপ্ৰস্থ ল'ব লগা দিশেৰে পৰ্যালোচনা কৰি নায়কে নিজকে বৃদ্ধ বুলি অভিহিত কৰিছে। এইক্ষেত্ৰত সাংসাৰিক জীৱনৰ অভিজ্ঞতাৰে বৃদ্ধ শিৱনাথক শাৰীৰিকভাৱে বৃদ্ধ বুলিব নোৱাৰিলেও মানসিকভাৱে কিন্তু বৃদ্ধ বুলি ক'ব পৰা যায়। উপন্যাসখনৰ শিৱনাথৰ চৰিত্ৰটোত বৃদ্ধ-মনস্তত্ত্বত প্ৰতিফলিত জটিলতা সৃষ্টিৰ কেইবাটাও কাৰকে ক্ৰিয়া কৰা দেখা যায়। কৃষিপ্ৰধান গাঁৱলীয়া সমাজত বসবাস কৰা জমিদাৰ শিৱনাথৰ পৰম্পৰাবিশ্বাসী মনোভাব, আভিজাত্য, বংশগৌৰৱ আৰু পদমৰ্যাদা নিঃশেষ হোৱাৰ মানসিক অশান্তি, নিঃসংগতাৰ বেদনাই বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ কাৰণ হিচাপে উপন্যাসখনত ধৰা দিছে— "শিৱনাথে জীৱনত প্ৰথমবাৰৰ কাৰণে অনুভৱ কৰিলে যে মানুহৰ জীৱনত নিঃসংগতাতকৈ ডাঙৰ অভিশাপ যেন আন একোৱেই নাই।"[৯৪] পৰিয়ালত নিজৰ সম্ভ্ৰম বজাই ৰাখিব নোৱৰাৰ বাবে শিৱনাথৰ মানসিক সংঘাত জটিল হৈ পৰিছে। পৰম্পৰাবিশ্বাসী আৰু আঁকোৰগোজ স্বভাৱৰ বৃদ্ধ শিৱনাথে পুত্ৰহঁতৰ লগত তেওঁৰ আদৰ্শৰ পাৰ্থক্য দেখা পাইছে। বৃদ্ধ পিতৃক বুজিবলৈ চেষ্টা নকৰাৰ অভিযোগ আৰু পুত্ৰৰ অভব্য আচৰণত অপদস্থ হোৱা বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। বিবাহ উপযুক্ত কন্যাক বিয়া দিব নোৱাৰাৰ মানসিক অন্তৰ্দ্বন্দ্ব, পত্নীবিয়োগত অসহায় আৰু নিঠৰুৱা হৈ পৰা এজন সম্ভ্ৰমশীল লোকৰ অধঃপতন আৰু মানসিক যন্ত্ৰণাই বৃদ্ধ শিৱনাথক নিঃসহায় কৰি তুলিছে।

প্ৰজন্মৰ ব্যৱধান আৰু পৰিৱৰ্তশীল সমাজব্যৱস্থাই পুত্ৰহঁতৰ লগত শিৱনাথৰ বৌদ্ধিক আৰু

---

৯৩। কৰবী ডেকা হাজৰিকা, 'পিতা-পুত্ৰ', চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা.), *গৰীয়সী*, ডিচেম্বৰ, ১৯৯৮, পৃ. ৪৬

৯৪। হোমেন বৰগোহাঞি, *পিতা-পুত্ৰ*, পৃ. ১০২

মানসিক চিন্তা-চেতনালৈও পৰিৱৰ্তন আনিছে। কৰ্মোদ্যোম নথকা, চিন্তা-চৰ্চা কৰি অলস জীৱন অতিবাহিত কৰা এজন এলেহুৱা, নিষ্কৰ্মা, স্বপ্নপ্ৰিয় ব্যক্তিৰ প্ৰতিপত্তি খামুচি ধৰি ৰখাৰ ব্যক্তিকেন্দ্ৰিক অহমিকা, স্বাধীন চিন্তাৰে গাঁৱৰ ৰাইজ আৰু উচ্চশিক্ষিত পুত্ৰহঁতৰ চিন্তাধাৰাত প্ৰতিবন্ধক সৃষ্টি কৰা বৃদ্ধ শিৱনাথৰ মানসিকতাত অধিক জটিলতা অহা উপন্যাসখনত দেখা যায়। নিঃসংগতাৰ বেদনাত অতীতৰ স্মৃতি ৰোমন্থন কৰা শিৱনাথৰ মানসিকতাত প্ৰয়াত পত্নীৰ মৃত্যুচেতনাও প্ৰকাশ পাইছে।

> ...ঘৈণীয়েকৰ মৃত্যুৰ লগে লগেই তেওঁৰ নিজৰো মৃত্যু হ'ল। তেওঁৰ তেজ-মাংসৰ শৰীৰটো হয়তো কিছুদিন জীয়াই থাকিব, কিন্তু সি হ'ব কেৱল এটা জীৱন্ত মৰাশ। নিজৰ মৰাশটোক তেওঁ আৰু কিছুদিন অতিশয় কষ্টৰে চোঁচৰাই ফুৰিব লাগিব।[৯৫]

*পিতা-পুত্ৰ* উপন্যাসত শিৱনাথৰ বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতা উপন্যাসখনত দেখা নাযায় যদিও মানসিক অৱক্ষয়ৰ চিত্ৰ কিন্তু প্ৰত্যক্ষ কৰা হৈছে। উপন্যাসখনত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ বহুকেইটা লক্ষণ দেখা পোৱা যায়।

গতিকে দেখা যায় হোমেন বৰগোহাঞিৰ *অস্তৰাগ* আৰু *পিতা-পুত্ৰ* দুয়োখন উপন্যাসতে বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰতিফলন হৈছে।

## ৩.৪ শীলভদ্ৰৰ উপন্যাস *অনুসন্ধান* ঃ

*অনুসন্ধান* শীলভদ্ৰৰ বিংশ শতিকাৰ নব্বৈৰ দশকৰ এখন উল্লেখযোগ্য উপন্যাস। সমালোচক গোৱিন্দ প্ৰসাদ শৰ্মাই *অনুসন্ধান* আৰু *গধূলি* শীলভদ্ৰৰ দুয়োখন উপন্যাসক সমগোত্ৰীয় বুলি উল্লেখ কৰিছে। *অনুসন্ধান* আৰু *গধূলি* দুয়োখন উপন্যাস সমগোত্ৰীয় হ'লেও *অনুসন্ধান* উপন্যাসৰ বিস্তৃতি আৰু

---

৯৫। উল্লিখিত

ব্যাপকতা *গধূলি* উপন্যাসতকৈ যে বিস্তৃত সেই কথা তেওঁ অকপটে স্বীকাৰ কৰিছে।[৯৬]

পৰম্পৰাবাদী উপন্যাসৰ বিপৰীতে ব্যতিক্ৰমী *অনুসন্ধান* উপন্যাসত সুনিৰ্দিষ্ট কাহিনী অথবা ঘটনাৰ শৃংখলা দেখা পোৱা নাযায়। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ সত্তৰ বছৰীয়া এজন অৱসৰী বৃদ্ধ ভৃগু চৌধুৰী। তেওঁৰ মন আৰু চেতনাত বিক্ষিপ্ত বা বিচ্ছিন্ন ৰূপত নিজৰ সম্বন্ধে, জীৱনটোত তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্নজনৰ বিষয়ে, অপ্ৰণালীবদ্ধভাৱে জীৱন আৰু জগত সম্পৰ্কে বহু ধাৰণা উপন্যাসখনত উপস্থাপন কৰা হৈছে। শীলভদ্ৰৰ *অনুসন্ধান* উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা সৃষ্টিৰ প্ৰধান কাৰকসমূহে কেনেদৰে ক্ৰিয়া কৰিছে তলত এটি চমু আলোচনা কৰা হ'ল।

**(১) নিঃসংগতাৰ বেদনা ঃ**

ভৃগু চৌধুৰী নামৰ বৃদ্ধ নায়কগৰাকীৰ নিঃসংগতাৰ বেদনাত ব্যক্তিগত চেতনাতকৈ সামাজিক চেতনাই বৈছিকৈ প্ৰাধান্য লভিছে। আধুনিক সমাজ-জীৱনত মানুহৰ অনিশ্চয়তা, অস্থিৰতা, উদ্দেশ্যহীনতাৰ অনুসন্ধান আৰু নিজৰ লগতে প্ৰাত্যহিক জীৱনত লগ পোৱা, তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্নজনৰ মনৰ অনুসন্ধানত ব্যাকুল এজন বৃদ্ধৰ বাৰ্ধক্য-চেতনা পৰ্যবেক্ষণ কৰিব পাৰি। জীৱনৰ অনুসন্ধানৰ সঠিক ধাৰণা নথকা খামখেয়ালী চৰিত্ৰৰ বৃদ্ধজনে এনে অনুসন্ধান কৰিবলৈ গৈ পৰিয়ালতে নহয়, সমাজ-জীৱনতো মানসিকভাৱে নিঃসংগ হৈ পৰিছে। এজন বৃদ্ধ সাহিত্যিকৰ জীৱনৰ অনুসন্ধানৰ প্ৰয়াস উপন্যাসখনত দেখা যায়। নিজৰ মানসিক জগতখনত একাত্ম হৈ পৰা বৃদ্ধ চৌধুৰী আনকি পাৰিপাৰ্শ্বিক জগতৰ পৰাও বিচ্ছিন্ন হৈ পৰিছে। বাহ্যিক দৃষ্টিৰে দেখা দৃশ্যপট যেন তেওঁৰ চেতনাৰ বাহিৰত। মনৰ মাজত ক্ৰিয়া কৰা অতীতৰ ঘটনাৰ নিৰ্বন্ধৰ বাবে চৌধুৰীয়ে বাহ্যিক ঘটনাক কোনো কোনো সময়ত অনুভৱ কৰিব পৰা নাই। বাৰাণ্ডাত বহি বাটৰ মানুহ চাই থাকিলেও চৌধুৰী এই সকলোৰে পৰা বিচ্ছিন্ন— "তেওঁৰ চকুত

---

৯৬। "গধূলি আৰু অনুসন্ধান আংগিক, বৃদ্ধ নায়কৰ স্মৃতি আৰু চেতনাৰ প্ৰকাশেৰে কাহিনীহীন বৃত্তান্ত দাঙি ধৰাত একে হ'লেও গধূলিতকৈ অনুসন্ধান মূল্যগত দিশত ওপৰ খাপৰ। গধূলিৰ বিষয়বস্তু এজন ব্যক্তিৰ অভিজ্ঞতাত ধৰা পৰা জীৱনৰ মূল্য বা তাৎপৰ্য। কিন্তু অনুসন্ধানৰ কেন্দ্ৰীয় চৰিত্ৰৰ জীৱনৰ গণ্ডী, অভিজ্ঞতাৰ বলয়, চেতনাৰ সীমা তাতকৈ বহুল। গধূলিকে ধৰি বেছিভাগ অসমীয়া উপন্যাসৰ আবেদন হৃদয়ৰ প্ৰতি হোৱাৰ বিপৰীতে অনুসন্ধানৰ আবেদন মগজুৰ প্ৰতি।"

হোমেন বৰগোহাঞি (সম্পা.), *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), পৃ. ১৫৩

কিন্তু একোৰেই নপৰে। তেওঁ একো দেখা নাপায়।"[৯৭] নিজৰ ভাবজগতৰ লগত খেলা কৰা, মানুহৰ লগত যোগাযোগৰ অভাৱেই বৃদ্ধ চৌধুৰীৰ মানসিক নিঃসংগ বেদনাৰ অন্যতম কাৰণ। অন্তৰ্মুখী স্বভাৱৰ বৃদ্ধ চৌধুৰী কাৰোৰে লগত একাত্ম হ'ব পৰা নাই। ভৃগু চৌধুৰীৰ নিঃসংগতাই আধুনিক মানুহৰ চৰিত্ৰত দেখা দিয়া একাকিত্ব, অন্তৰ্মুখী স্বৰূপ উপন্যাসখনত স্পষ্ট ৰূপত ধৰা দিছে।

> প্ৰতিজন মানুহে নিজ নিজ পৃথিৱীত বাস কৰে। কোনো এজনৰ পৃথিৱীত অইন কাৰোবাৰ প্ৰৱেশাধিকাৰ নাই। প্ৰতিখন পৃথিৱী দুৰ্ভেদ্য আৱৰণেৰে আবৃত। খুব বেছি হ'লে পৰিচালিত ভ্ৰমণসূচীহে হ'ব পাৰে। যিখিনি দেখুওৱা হয় সেইখিনিহে দেখা সম্ভৱ। ভগ্নাংশ এটাহে দৃষ্টিগোচৰ হয়। সকলোৰে পৰা বিচ্ছিন্ন হৈ ভৃগু চৌধুৰী অকলশৰে থিয় হৈ আছে।[৯৮]

নিঃসংগতা আৰু মনৰ অস্থিৰতাৰ বাবে তেওঁ এটা বিষয়ৰ পৰা আন এটা বিষয়লৈ উদ্দেশ্যহীন আৰু ব্যাখ্যাহীন অতৃপ্তিত জাঁপ মাৰি অস্বস্তি অনুভৱ কৰিছে। জীৱনৰ কোনো যুগান্তকাৰী বা গুৰুত্বপূৰ্ণ ঘটনাত জড়িত হৈ নপৰা বৃদ্ধ চৌধুৰীৰ অনিশ্চয়তা আৰু ভাব-চিন্তা-দৃষ্টিভংগীত অস্পষ্টতা ফুটি উঠা উপন্যাসখনত দেখা যায়। হৃদয়ৰ আন্তৰিকতাৰ বিপৰীতে আধুনিক মানুহৰ কৃত্ৰিমতাৰ পৰিচয় বৃদ্ধ চৌধুৰীৰ মানসিক নিঃসংগতাৰ বেদনাৰ অন্যতম কাৰণ। উপন্যাসখনত ভৃগু চৌধুৰীৰ প্ৰতিবেশী মহেন্দ্ৰ দাসৰ নিঃসংগতাৰ বেদনাৰ উল্লেখ পোৱা যায়। পত্নীৰ মৃত্যুৰ পাছত উচ্চশিক্ষিত প্ৰবাসী পুত্ৰহঁত (আমেৰিকাৰ বাসিন্দা)ৰ ভৌগোলিক দূৰত্বই দাসৰ নিঃসংগতা বৃদ্ধিৰ কাৰক হৈ পৰিছে— "ঠাট্টা কৰিছে, আপুনি মোক ঠাট্টা কৰিছে? ল'ৰাবোৰে চিঠিৰ উত্তৰপৰ্যন্ত নিদিয়ে। আজি কিমান যুগ ধৰি খবৰ এটা লোৱা নাই, মৰিলোঁ নে জীয়াই আছোঁ।"[৯৯] সন্তানৰ লগত বছৰ বছৰ ধৰি এজন বৃদ্ধ পিতৃৰ বিচ্ছেদৰ বেদনা হৃদয়স্পৰ্শী ৰূপত উপন্যাসখনত বৰ্ণনা কৰা হৈছে। তদুপৰি চৌধুৰীৰ আন এজন প্ৰতিবেশী প্ৰতাপ চৌধুৰীৰ আচৰণৰ অস্বাভাৱিকতাৰ মূল কাৰণ মানসিক নিঃসংগতা— "মানুহৰ লগত সম্বন্ধ নাথাকিলে এনেকুৱাই হয়। মানুহৰ অস্তিত্বৰ কথাই বোধহয় মানুহে পাহৰি যায়।"[১০০] মানসিক উদাসীনতাৰ বাবে প্ৰতাপ চৌধুৰীক বাৰ্ধক্যত

৯৭। উল্লিখিত, পৃ. ১৪

৯৮। উল্লিখিত, পৃ. ১৫৮

৯৯। উল্লিখিত, পৃ. ১০

১০০। শীলভদ্ৰ, *অনুসন্ধান*, পৃ.১৯

সকলোৱে উপেক্ষা কৰা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে।

**(২) আদৰ্শৰ সংঘাত ঃ**

চকুৰ পচাৰতে ভোগবাদী সমাজখনলৈ অহা দ্ৰুত পৰিৱৰ্তনত এজন সজ বৃদ্ধ অধ্যাপকৰ জীৱনলৈ নামি অহা আদৰ্শৰ সংঘাত উপন্যাসখনত প্ৰত্যক্ষ হৈছে। যুৱক-যুৱতীৰ মাজত সুসম্পৰ্ক কেৱল প্ৰেমৰ কাৰণেহে হয় বুলি ভ্ৰান্ত ধাৰণা লোৱা পৰম্পৰাবিশ্বাসী বৃদ্ধ চৌধুৰীৰ দৃষ্টিভংগী সময়ত সলনি হৈছে। সমাজৰ তথাকথিত এচাম ভদ্ৰ, উদণ্ড পথভ্ৰষ্ট যুৱকৰ জীৱনৰ ব্যৰ্থতা, মানসিক অস্থিৰতা, হতাশাই বৃদ্ধ ভূধৰ চৌধুৰীৰ মনলৈ আদৰ্শৰ সংঘাত অনা উপন্যাসখনত দেখা গৈছে। দায়িত্ববোধ, ত্যাগ আৰু সাহসেৰে জীৱনত আত্মবলিদান দিব খোজা এক শ্ৰেণী যুৱক-যুৱতীৰ বিপৰীতে বস্তুবাদী সমাজৰ অন্তঃসাৰশূন্য আন এচাম যুৱকৰ উত্তাল নৃত্য-গীত, পাৰ্টি, মাৰপিট, হুলস্থূলে সমাজৰ পৰিৱেশ বিনষ্ট কৰাত চৌধুৰীৰ মনলৈ মানসিক অন্তৰ্দ্বন্দ্ব আহিছে।

> মাজে মাজে নৃত্য-গীতৰ সাময়িক বিৰতি ঘটে।...কোনোবা এজনে নিজৰ জীৱনৰ ব্যৰ্থতা আৰু অসাৰ্থকতা সম্বন্ধে হঠাতে অতিশয় সচেতন হৈ উঠে। হুকহুকাই কান্দিবলৈ ধৰে। তাৰ এই মানসিক অৱস্থা বাকীবোৰৰ মাজতো সঞ্চাৰিত হৈ পৰে। বাকীবোৰে তাক সান্ত্বনা দিবলৈ গৈ নিজেও কান্দি দিয়ে। অতি কৰুণ পৰিস্থিতি।[১০১]

চৌধুৰীৰ মতে যুক্তিৰ ভেটিত মানুহৰ বিশ্বাস সলনি কৰা অসম্ভৱ। প্ৰয়াগৰ কুম্ভমেলাত পুণ্য আৰ্জিবলৈ যোৱা শক্তিহীন বৃদ্ধাৰ অমানুষিক কষ্ট দেখি চৌধুৰীৰ চেতনাত আদৰ্শৰ সংঘাত সৃষ্টি হৈছে। ঠেলা-হেঁচাত মানৱ সম্পদ আৰু প্ৰকৃতি বিনষ্ট হোৱা দেখি বৃদ্ধ চৌধুৰীৰ মনলৈ সংশয় নামি অহাৰ উল্লেখ উপন্যাসখনত পোৱা যায়। কৰ্ণাটকৰ মালানাড়ৰ চন্দ্ৰগুৰি অঞ্চলৰ ধৰ্মীয় অন্ধবিশ্বাস আৰু এচাম লোকৰ ভণ্ডামিৰ স্বৰূপ দেখি চৌধুৰীৰ মনলৈ জটিলতা আহিছে। বৰদা নদীত গা ধুই উলংগ অৱস্থাত চাৰি কিলোমিটাৰ খোজকাঢ়ি মহিলাসকলে পূজা দিয়াৰ পুৰণি অন্ধ সংস্কাৰৰ এক লজ্জাজনক চিত্ৰ উপন্যাসখনত বৰ্ণনা কৰা হৈছে। ধৰ্মীয় ৰক্ষণশীলতাৰ গোড়ামিয়ে চৌধুৰীৰ মনলৈ আদৰ্শৰ সংঘাত অনা দৃষ্টিগোচৰ

---

১০১। উল্লিখিত, পৃ. ৪৩

হৈছে। আধুনিক তথ্য-প্ৰযুক্তিবিদ্যাৰ যুগত পুৰণিকলীয়া ধ্যান-ধাৰণা, অন্ধবিশ্বাস খামুচি ধৰি থকা এচাম লোকৰ আদৰ্শৰ সংঘাত বৃদ্ধ চৌধুৰীৰ অনুসন্ধানৰ পৰা উপন্যাসখনত প্ৰত্যক্ষ কৰিব পাৰি।

> ফেইথ হিলাৰ। কোনো ডাক্তৰে ভাল কৰিব নোৱৰা বেমাৰীক অপাৰেশ্যন কৰি তৎক্ষণাত ভাল কৰি দিব পাৰে। এওঁক ছুৰী-কটাৰী নালাগে নহয়। এনেয়ে ফালি লৈ ভিতৰৰ যন্ত্ৰপাতিবোৰ ঠিক কৰি দিয়ে। তেজ-ফেজ মচি দি লগে লগে লৈ যাবলৈ দিয়ে। অস্ত্ৰোপচাৰৰ একো চিনচাব নাথাকে।[১০২]

সাম্প্ৰতিক সময়ত তৰুণ প্ৰজন্মৰ এনে ভাব-আদৰ্শই বৃদ্ধ চৌধুৰীৰ মনত জটিলতা অনাই নহয়, ভৱিষ্যৎ প্ৰজন্মক লৈ চিন্তাক্লিষ্টও কৰিছে। আধুনিক মানুহৰ জীৱনযাত্ৰাত সাজপাৰ, চাল-চলন, জীৱন ধাৰণৰ প্ৰণালী আৰু মানসিক গঠনত পূৰ্বৰ পৰম্পৰাৰ বিপৰীতে বিকৃত মানসিকতা, কৃত্ৰিমতা আৰু আদৰ্শৰ স্খলন দেখি চৌধুৰী মানসিকভাৱে ভাগি পৰিছে।

> চালকজনৰ ডিঙিত এখন গামোচা মেৰোৱা। অ' আজি বিহু। বছৰত এদিন ডিঙিত এখন গামোচা মেৰিয়াই অসমীয়া সংস্কৃতিৰ পৃষ্ঠপোষক বুলি উপলব্ধি কৰাৰ হাস্যকৰ প্ৰয়াস। পিছে এই মানুহজনৰ জীৱনধাৰাৰ লগত ইয়াৰ কোনো মিল নাই। বৰং এইটো এটা আচহুৱা আচৰণ। তেওঁৰ সাজ-পোছাক, চাল-চলন, জীৱন ধাৰণ প্ৰণালী, মানসিক গঠন কেইবাশতিকাৰ আগেয়ে যি আছিল তাৰ পৰা সম্পূৰ্ণ বেলেগ। মাহ-প্ৰসাদ খোৱাটো তেওঁৰ জীৱনধাৰাৰ দৈনন্দিন তালিকাত নপৰে। মাহ-প্ৰসাদ এদিনহে খোৱা হয়। এইটো এটা ব্যতিক্ৰম, এটা কৃত্ৰিম ভংগী।[১০৩]

. আদৰ্শৰ সংঘাত অহা চৌধুৰীৰ আন এটি দিশ হ'ল ইউৰোপৰ দাৰ্শনিকসকলে নিজৰ স্বাধীন চিন্তাৰে দৰ্শনৰ মতবাদবোৰ যেনেদৰে ব্যক্ত কৰিব পাৰে ভাৰতীয়সকলে কিন্তু নোৱাৰে।পুৰণি মতবাদক দৰ্শনত নতুন যুক্তিৰে সমৰ্থন কৰা ভাৰতীয় মানসিকতাক লৈ চৌধুৰীৰ মনলৈ আদৰ্শৰ সংঘাত অহা উপন্যাসখনত দেখা যায়। গতিকে বৃদ্ধ ভৃগু চৌধুৰীৰ অনুসন্ধানত বহুকেইটা দিশত আদৰ্শৰ সংঘাত আহিছে।

---

১০২। উল্লিখিত, পৃ. ৬১

১০৩। উল্লিখিত, পৃ. ৬০

**(৩) অতীতৰ স্মৃতি ৰোমন্থন ঃ**

বৃদ্ধ ভৃগু চৌধুৰীৰ আত্মবিশ্লেষণ আৰু পৰ্যবেক্ষণত নিজৰ জীৱনৰ অস্তিত্ব আৰু আন বহু বৃদ্ধ চৰিত্ৰৰ জীৱনৰ ন ন দিশ অতীতৰ স্মৃতি ৰোমন্থনৰ জৰিয়তে উপন্যাসখনত ধৰা দিছে। ১৯৫০ চনৰ বৰ ভূমিকম্পৰ ভয়াৱহতা, পিতৃৰ আকস্মিক মৃত্যু, বিধৱা দৰিদ্ৰ মাতৃয়ে অক্লান্ত পৰিশ্ৰম কৰি চৌধুৰীক এম. এ. পঢ়ুওৱা, মাতৃৰ মৃত্যু আদি বহু অতীতৰ স্মৃতি চৌধুৰীৰ মানসপটত ভাহি উঠিছে। মাউৰা চৌধুৰীক মাতৃৰ মৃত্যুৱে নিঠৰুৱা কৰি থৈ যোৱা হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত পোৱা যায়— "আৰু কেইদিনমান জীয়াই থকা হ'লেনো কি ক্ষতি আছিল?"[১০৪] পিতৃ-মাতৃৰ প্ৰতি থকা আন্তৰিক মৰম, শ্ৰদ্ধা-ভক্তি আৰু মাতৃয়ে জীৱনত একো নোপোৱাৰ মৰ্মান্তিক বেদনা চৌধুৰীৰ অতীতৰ স্মৃতি ৰোমন্থনত প্ৰকাশ পাইছে। বিশ্বনাথত তীৰ্থ দৰ্শন কৰিবলৈ মনত পুহি ৰখা মাতৃৰ হাবিয়াস পূৰণ কৰিবলৈও সুযোগ নোপোৱা এজন দুৰ্ভগীয়া পুত্ৰৰ মাতৃবিচ্ছেদৰ বেদনা ভৃগু চৌধুৰীৰ মানসিকতাত গাঢ় হৈ পৰিছে। শৈশৱত স্কুললৈ অহা-যোৱা কৰা বাট-পথৰ দুৰৱস্থা, প্ৰয়াগৰ কুম্ভমেলালৈ যোৱা অতীতৰ বহু স্মৃতি তেওঁৰ মানসপটত স্পষ্ট হৈ পৰিছে। পৰিবাৰ, ল'ৰা-ছোৱালী, আনকি নাতিৰে ভৰপূৰ ঘৰখনত বৃদ্ধ চৌধুৰীৰ অৱচেতন মনলৈ অহা নীলা নামৰ ছোৱালীজনীৰ চেতনা অতীতৰ স্মৃতি ৰোমন্থনত লক্ষ্য কৰিব পাৰি। অতীতৰ স্মৃতি ৰোমন্থনে ভৃগু চৌধুৰীক বাৰ্ধক্যত মানসিক তৃপ্তি দিছে।

> তেওঁ নিজকে নীলাৰ লগত উচ্ছল নিজৰা এটাৰ পাৰত দেখা পালে। দৃশ্যটো ইমান স্পষ্ট যে প্ৰত্যেকটো পাথৰৰ আকৃতি তেওঁৰ চকুত জলজল-পটপটকৈ ধৰা পৰিছে। সৰল গছৰ মাজেৰে বৈ যোৱা বতাহে নিজৰাৰ শব্দৰ লগত মিহলি হৈ এক অবিচ্ছিন্ন সংগীতৰ সৃষ্টি কৰিছে।[১০৫]

প্ৰত্যেক মানুহৰ কাৰ্যকলাপৰ বিশ্লেষণৰ ভেটি অতীতৰ জীৱন আৰু ইয়াৰ দ্বাৰা এজন মানুহৰ প্ৰকৃত পৰিচয় নিৰ্ণয় কৰিব পৰা যায়। জীৱনৰ সুমধুৰ স্মৃতি কঢ়িয়াই অনা, অতীতৰ উজ্জীৱিত ফটোখন দেখি চৌধুৰীৰ অতীতৰ অনুভৱবোৰ গভীৰ হৈ পৰিছে— "মই এইজন ভৃগু নহওঁ। মই এইজন ভৃগুৰ

---

১০৪। উল্লিখিত,পৃ. ১৬

১০৫। শীলভদ্ৰ, পূৰ্বোল্লিখিত, পৃ. ১৪

স্মৃতি কঢ়িয়াই আনিছোঁ মাত্ৰ। অতীতৰ অনুভূতিক পুনৰুজ্জীৱিত কৰা সম্ভৱ নহয়। সি বিকৃত আৰু হাস্যকৰ হৈহে ধৰা দিয়ে।"[১০৬] স্কুলীয়া সহপাঠীৰ অতীতৰ স্মৃতি ৰোমন্থন কৰি চৌধুৰীয়ে অনুভৱ কৰিছে তেওঁৰ প্ৰত্যেকজন সহপাঠী যেন জীৱনযুদ্ধত পৰাজিত হোৱা একো একোজন ভাগৰুৱা সেনা। অৱশ্যে বহু সহপাঠীৰ অতীতৰ স্মৃতি তেওঁৰ মণিকোঠাৰ পৰা হেৰাই যোৱা বুলি উপন্যাসখনত স্বীকাৰ কৰিছে। অতীতৰ মধুপুৰ অঞ্চলৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতিচ্ছবিও চৌধুৰীয়ে বাৰ্ধক্যত স্মৃতিচাৰণ কৰিছে। ধৰ্মই সেই সময়ৰ সমাজত প্ৰতিবন্ধক সৃষ্টি নকৰাৰ কথা চৌধুৰীয়ে উপন্যাসখনত বৰ্ণনা কৰিছে। চৌধুৰীৰ অতীতৰ স্মৃতি ৰোমন্থনত মনৰ সজীৱতা বৃদ্ধি পোৱাৰ লগতে সমাজৰ জীৱনশৈলীৰ পৰিৱৰ্তনৰ দিশসমূহো তেওঁৰ পৰ্যবেক্ষণত ধৰা দিছে।

**(৪) মূল্যবোধৰ পৰিৱৰ্তন ঃ**

উপন্যাসখনত চৌধুৰীৰ অনুসন্ধানত আধুনিক পৰিৱৰ্তিত সমাজত জীৱনৰ মূল্যবোধে ব্যক্তিক কেনে অস্বস্তিত পেলায় তাৰেই বৰ্ণনা দাঙি ধৰিছে। আধুনিকতাৰ মুখা পিন্ধা আজিৰ তথাকথিত ভদ্ৰ সমাজত মানৱীয়, সামাজিক আৰু নৈতিক মূল্যবোধৰ অৱক্ষয় আৰু অন্তঃসাৰশূন্য জীৱনৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা হৈছে। আধুনিক বস্তুবাদী সমাজত ভোগবিলাস আৰু আৰ্থিক প্ৰতিষ্ঠাৰ প্ৰতিযোগিতাত ব্যস্ত এচাম লোকৰ মূল্যবোধৰ পৰিৱৰ্তন দেখা যায়। এনে প্ৰতিযোগিতাত ভৌগোলিক দূৰত্বই জীৱনক অৰ্থশূন্য কৰাৰ চিত্ৰ বৃদ্ধ মহেন্দ্ৰ দাসৰ চৰিত্ৰটোৰে স্পষ্ট কৰিছে। আন্তৰিকাহীন নৈতিকতাক উপেক্ষা কৰা মহেন্দ্ৰ দাসৰ প্ৰবাসী (আমেৰিকাত থকা) পুত্ৰহঁতৰ বৃদ্ধ পিতৃৰ খবৰ ল'বলৈ আহৰি নথকা আৰু ভতিজা ল'ৰাহঁতৰ টকা-পইচাৰ প্ৰলোভন দেখি দাসে আত্মীয়ৰ আস্থা হেৰুৱাই বাৰ্ধক্যত নিঃসহায় হৈ পৰিছে।

> গুখ্‌খোৱা কাম কৰিছোঁহে, চৌধুৰী। নিজৰ গালত নিজে চৰিয়াব মন যায়। ভতিজা ল'ৰাবোৰৰ একমাত্ৰ তাল হ'ল কেনেকৈ টকাখিনি হাত কৰিব পাৰে। লাগ বুলি কোৱাৰ লগে লগে টকা-পইচা দি নাথাকিলে ডিঙি চেপি মাৰে নেকি সেইটোৰেই আতংক। কি যে কৰো একো ভাবি পোৱা নাই।[১০৭]

---

১০৬। উল্লিখিত, পৃ. ৭২

১০৭। শীলভদ্ৰ, পূৰ্বোল্লিখিত, পৃ. ১০

ভোগবাদী সাম্প্ৰতিক সমাজত টকা-পইচাৰ মূল্যই মানুহৰ জীৱনক মূল্যহীন কৰি তুলিছে। সমাজৰ মানুহক বিশ্বাসযোগ্য বুলি ভাবিব নোৱৰা আধুনিক মানুহৰ মনৰ জটিল ৰূপৰ সূক্ষ্ম পৰ্যবেক্ষণ চৌধুৰীৰ অনুসন্ধানত ধৰা দিছে। বৃদ্ধ ৰজত কলিতাই গ্ৰেচুইটীৰ টকাৰে বাৰ্ধক্যত উচ্চমানৰ আলোচনী উলিয়াব বিচাৰিছে যদিও বিক্ৰী প্ৰতিষ্ঠানৰ লগত সুসম্পৰ্ক নথকাত কলিতাৰ কষ্টোপাৰ্জিত টকাবোৰ মূল্যহীন হৈ পৰাৰ সম্ভাৱনা বৃদ্ধ চৌধুৰীয়ে দেখা পাইছে। কিন্তু বৃদ্ধ আৰু আঁকোৰগোজ ৰজত কলিতাক বুজাব নোৱাৰি মূল্যবোধৰ সংঘাতৰ আংশকাত চৌধুৰীৰ মনত জটিলতাৰ সৃষ্টি হৈছে।

সাম্প্ৰতিক প্ৰজন্মৰ বৃদ্ধ লোকৰ প্ৰতি কমি অহা সহানুভূতি, শ্ৰদ্ধা, সন্মান আৰু মানৱীয় প্ৰমূল্যৰ অৱক্ষয়ৰ স্বৰূপ বৃদ্ধ চৌধুৰীৰ অনুসন্ধানত প্ৰত্যক্ষ কৰা হৈছে। আৰ্থিক দীনতা, পৰস্পৰৰ মাজত বুজাবুজিৰ অভাৱ, মানৱীয় সম্পৰ্কত ঘুণে ধৰা আৰু বৃদ্ধ লোকৰ নিৰাপত্তাহীনতাৰ চিত্ৰ উপন্যাসখনত অংকন কৰা হৈছে। পঁচিছ পইচাক কেন্দ্ৰ কৰি খণ্ডযুদ্ধ লগা যাত্ৰী আৰু কণ্ডাক্টৰৰ মানৱীয় মূল্যবোধৰ অৱক্ষয় বৃদ্ধ চৌধুৰীৰ পৰ্যবেক্ষণত ধৰা দিছে। সত্তৰ-ঊৰ্দ্ধৰ এজন নিষ্ঠাৱান বৃদ্ধ শিক্ষক অনন্ত দাসে মানৱ সম্পদ গঢ়াৰ উদ্দেশ্যে সামাজিক দায়িত্ব পালিবলৈ বিনাবেতনে নিঃস্বাৰ্থভাৱে ছাত্ৰ-ছাত্ৰীক পঢ়ুওৱাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। কিন্তু প্ৰচলিত ভোগবাদী সমাজৰ আৰ্থিক মূল্যবোধ জানিও ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে বৃদ্ধ শিক্ষকগৰাকীক পাৰিশ্ৰমিক দিবলৈ আওকাণ কৰিছে। সমাজৰ এনে দায়িত্বজ্ঞানহীন লোকৰ বাবে মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপ উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

উপন্যাসখনত এচাম 'ডাঙৰ মানুহ'ৰ ল'ৰালৈ পুলিচে ভয় কৰাৰ কথা প্ৰকাশ কৰা হৈছে। 'ডাঙৰ মানুহ' শব্দটোৰে টকা-পইচা থকা আৰ্থিক দিশত সবল লোকৰ প্ৰতিপত্তিৰ কথা বুজাব বিচাৰিছে। সাম্প্ৰতিক সময়ত মুদ্ৰাস্ফীতিয়ে গুণ্ডাগিৰি, প্ৰেম আৰু যৌনতাক সহজলভ্য কৰি তোলাৰ প্ৰতিচ্ছবি উপন্যাসখনত অংকন কৰা হৈছে। আধুনিক প্ৰজন্মৰ কৰ্মসংস্কৃতিৰ প্ৰতি থকা অনীহা, দায়িত্ব সাৰিব বিচৰা বিষয়া-কৰ্মচাৰীৰ ক্ষমতাৰ দুৰ্ব্যৱহাৰে সমাজৰ প্ৰতিটো কাম-কাজতেই মানুহৰ জটিলতা বৃদ্ধি, মূল্যবোধৰ সংঘাতৰ চিত্ৰ উপন্যাসখনত প্ৰকট হৈ উঠিছে। বৃদ্ধ চৌধুৰীৰ সম্বন্ধীয় ভায়েকৰ প্ৰতি সৃষ্টি হোৱা ক্ষোভৰ বহিঃপ্ৰকাশত কৰ্মসংস্কৃতিৰ অনীহা আৰু মূল্যবোধৰ অৱক্ষয়িত চিত্ৰ ফুটি উঠিছে।

গোটেই ব্যৱস্থাটো একেবাৰে পচি গৈছে। কাম একো নাই, খালি ফুটনি। সকলো আছে নিজৰ ক্ষমতা দেখুওৱাৰ তালত। ডাঙৰজনে ডাঙৰ ধৰণে, সৰুজনে সৰু ধৰণে। মানুহক ঘূৰাই থাকিব পৰা বা জুলুম কৰিব পৰাটোও ক্ষমতাৰ প্ৰকাশ। আত্মসন্মান ত্যাগ কৰা, মোৰ ভৰিত লুটি খাই পৰা— এই হ'ল ভাব।[১০৮]

পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণত পিতৃ-মাতৃক 'মামি' আৰু 'ডেডি' বুলি সন্তানক মাতিবলৈ শিকোৱা অন্তঃসাৰশূন্য সমাজৰ প্ৰতিচ্ছবি বৃদ্ধ চৌধুৰীৰ চকুত ধৰা দিছে। পুৰণি মূল্যবোধত আস্থা আৰু বিশ্বাস থকা চৌধুৰীৰ বাবে সম্ভাষণ জনোৱা 'হাই' শব্দটো আচহুৱা হ'লেও ইয়ে সাম্প্ৰতিক সমাজৰ আধুনিকতাক প্ৰতিনিধিত্ব কৰিছে। পুৰণি আৰু নতুনৰ দোমোজাই চৌধুৰীক মানসিক অস্বস্তি দিছে।

পুৰণি আৰু নতুনৰ এই যান্ত্ৰিক মিশ্ৰণে হয়তো আমাক কপটাচাৰী কৰি তুলিছে। আমাৰ ভংগীবোৰক কৰি তুলিছে কৃত্ৰিম। বছৰত এদিন আমি ধুতী পিন্ধি খালী ভৰিৰে নামঘৰলৈ যাওঁ। আমাৰ এই ভংগীটোৱে বছৰৰ বাকী তিনিশ চৌষষ্ঠি দিনৰ ওপৰত কিবা প্ৰভাৱ পেলায়নে? এটা আচাৰনিষ্ঠ অনুষ্ঠান। প্ৰতিটো কামকে আমি আচাৰনিষ্ঠ প্ৰক্ৰিয়াত পৰিণত কৰিছোঁ।[১০৯]

উপন্যাসখনত মূল্যবোধৰ পৰিৱৰ্তনত সাম্প্ৰতিক সমাজ-জীৱনলৈ অহা পৰিৱৰ্তন আৰু বৃদ্ধ ভৃগু চৌধুৰীৰ মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিচ্ছবি পৰিলক্ষিত হৈছে।

**(৫) জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস ঃ**

ভৃগু চৌধুৰীৰ চেতনা আৰু বিবেকত উদ্ভূত জীৱন সম্পৰ্কীয় অভিজ্ঞতা বাৰ্ধক্য-জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰেই প্ৰয়াস। এনে অভিজ্ঞতাসমূহ চৌধুৰীয়ে নিজ মুখেৰে ব্যাখ্যা কৰা নাই যদিও তেওঁৰ চেতনা আৰু পাৰিপাৰ্শ্বিক জীৱনত লগ পোৱা বৃদ্ধসকলৰ প্ৰণালীহীন জীৱনচিত্ৰৰ বৰ্ণনা উপন্যাসখনত অংকন কৰা হৈছে। এটা যুগৰ এজন শক্তিশালী লেখকৰ স্বমহিমাক আন যুগৰ লেখকৰ লগত মূল্যায়ন কৰিব বিচৰাটো যুক্তিসংগত নহয় বুলি জীৱনৰ অভিজ্ঞতাত বৃদ্ধ ভৃগু চৌধুৰীয়ে প্ৰকাশ কৰিছে। বৃদ্ধ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতাত পিতৃ-মাতৃবিহীন জীৱনৰ নিৰাশা আৰু বেদনা ফুটি উঠিছে। সত্তৰ বছৰীয়া বৃদ্ধ

১০৮। উল্লিখিত, পৃ. ৮৯

১০৯। উল্লিখিত, পৃ. ১০৪-১০৫

শিক্ষক অনন্ত দাসৰ সামাজিক দায়িত্ববোধ, কৰ্মস্পৃহা, বাৰ্ধক্যত কৰ্মব্যস্ততাৰে জীৱন অতিবাহিত কৰাৰ মানসিক সবলতা দেখা যায়। বৃদ্ধ অনন্ত দাসৰ শিক্ষাৰ প্ৰতি থকা স্পৃহাই বৃদ্ধ চৌধুৰীৰ জীৱন-অভিজ্ঞতাৰ এক অনুপ্ৰেৰণা। "সত্তৰ বছৰৰ ওপৰ মানুহজনৰ বয়স। এই বয়সতো মানসিকভাৱে সক্ষম হৈ আছে, অপ্ৰয়োজনীয় জড় পিণ্ডত পৰিণত হোৱা নাই। চৌধুৰীয়ে নিজকে কেইবছৰমান আগলৈ প্ৰসাৰিত কৰি দিলে।"[১১০] বিনা-উদ্দেশ্যে কেৱল খবৰ ল'বলৈ বাৰ্ধক্যত মানুহৰ ওচৰলৈ কোনো নাহে— বৃদ্ধ অনন্ত দাসৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত এনে বাস্তৱ সত্য ধৰা দিছে। এজন বৃদ্ধ ডাক্তৰ মুনহেংকৰৰ ৰোগীৰ প্ৰতি প্ৰাণ উৎসৰ্গা কৰিব পৰা কৰ্মস্পৃহা, কৰ্মদক্ষতা বৃদ্ধ চৌধুৰীৰ অনুসন্ধানত ধৰা দিছে— "এইবোৰ মানুহৰ জীয়াই থকাৰ প্ৰয়োজন আছে, সাৰ্থকতাও আছে।"[১১১] আধুনিক পৃথিৱীখনত পৰিচিত ব্যক্তিতকৈ আংশিক পৰিচিত ব্যক্তিৰ সংখ্যাই সৰহ বুলি চৌধুৰীয়ে জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত ব্যক্ত কৰিছে। সেইবাবে জীৱনবোধৰ ধাৰণা প্ৰতিজন ব্যক্তিৰ বাবে ভিন ভিন— এই কথা উপন্যাসখনৰ পৰা প্ৰতীয়মান হৈছে।

> প্ৰতিজন মানুহ আংশিকভাৱেহে পৰিচিত। সম্বন্ধৰ বিস্তাৰ আছে, কিন্তু গভীৰতা নাই। প্ৰতিজন মানুহক লগ পোৱাৰ লগে লগে মনত কিবা নহয় কিবা প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিভিন্ন প্ৰতিক্ৰিয়াৰ ভিৰত মনত খেলিমেলি লাগি যায়।[১১২]

বস্তুবাদী আধুনিক সমাজত শেষ জীৱনলৈ সকলো বস্তুৰে গুৰুত্ব কমি অহাৰ দৰে এজন বৃদ্ধ লোকৰ গুৰুত্বও পূৰ্বতকৈ কমি অহাৰ কথা চৌধুৰীয়ে প্ৰকাশ কৰিছে। জীৱনত অতিকে প্ৰয়োজনীয় নথিপত্ৰৰ গুৰুত্ব শেষ জীৱনলৈ গুৰুত্বহীন হৈ পৰাৰ দৰে পোছাক-পৰিচ্ছদ, প্ৰেম-ঘৃণা আদি জীৱনৰ সকলো বস্তুৰেই শেষলৈ গুৰুত্বহীন হৈ পৰে। পুৰণিৰ বুকুতে পুনৰ গঢ় লৈ উঠে নতুনৰ ক্ষয়িষ্ণু স্মৃতিচিহ্ন আৰু সিয়ে মনৰ সন্তুষ্টিৰ সাঁচতীয়া জীৱনৰ অভিজ্ঞতাৰ সঁচা ৰূপ হৈ উপন্যাসখনত ধৰা দিছে। প্ৰাক্তন সংস্কাৰী ছাত্ৰৰ শিক্ষকৰ প্ৰতি থকা আন্তৰিক শ্ৰদ্ধা গৃহপ্ৰৱেশ অনুষ্ঠানত পদধূলা পাবলৈ ইচ্ছা কৰা এচাম প্ৰাক্তন ছাত্ৰৰ সংস্কাৰ বৃদ্ধ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত দেখা দিছে। প্ৰাক্তন ছাত্ৰৰ এনে

১১০। শীলভদ্ৰ, পূৰ্বোল্লিখিত, পৃ. ৫০

১১১। উল্লিখিত, পৃ. ৬৮

১১২। উল্লিখিত

ব্যৱহাৰে চৌধুৰীৰ অধ্যাপক জীৱন সাৰ্থক কৰাৰ কথা উপন্যাসখনত প্ৰকাশ পাইছে।

> প্ৰাক্তন ছাত্ৰবোৰ সাধাৰণতে তিনিবিধৰ হয়। কোনোবাই গাড়ীৰে কাষেদি পাৰ হৈ যাওঁতে নেদেখাৰ ভাও জুৰি তৎক্ষণাত সমুখৰ ফালে দৃষ্টি নিবদ্ধ কৰি যায়। বাটে-পথে দেখিলে কোনোবাই নিজে আগবাঢ়ি আহি আন্তৰিকতাৰ সৈতে মাত দিয়ে আৰু এই প্ৰশান্ত গোস্বামীৰ দৰে দুই-এজনে গৃহপ্ৰৱেশৰ দিনা পুৰণি শিক্ষকৰ উপস্থিতি বাঞ্ছা কৰে।[১১৩]

তদুপৰি নিজৰ আঞ্চলিক ভাষাৰ প্ৰতি থকা প্ৰেম, বৃদ্ধ লেখকৰ লিখনীৰ অভিযোগ বৃদ্ধ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰে প্ৰয়াস। একেলগে থাকিলে ইজনে সিজনৰ পৰিৱৰ্তনৰ লগত অজ্ঞাতে খাপ খাই পৰে। কিন্তু দীৰ্ঘদিনীয়া ব্যৱধানে প্ৰেম-প্ৰীতি আদি সকলো সম্পৰ্কলৈ আড়ষ্টতা আনিব পাৰে— সেয়া বৃদ্ধ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতাত ধৰা দিছে— "কিন্তু বহুদিনৰ অদৰ্শনৰ পিছত পৰিৱৰ্তনখিনি চকুত লগা ধৰণৰ হৈ পৰে। নিজৰ ল'ৰাকো অচিনাকি যেন লাগে, নিজৰ ছোৱালীকো অচিনাকি যেন লাগে।"[১১৪] চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত আন এটি দিশ প্ৰকট হৈ পৰিছে— পত্নীৰ দৰে এগৰাকী পুৰণি দিনৰ মহিলাৰ লগত শিক্ষিতা, মাৰ্জিতা আৰু ৰুচিসম্পন্না অধ্যাপিকা বোৱাৰীৰ সুসম্পৰ্কৰ কাৰণ শিক্ষাৰ প্ৰকৃত মূল্যবোধ। বৃদ্ধ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত ধৰা দিয়া আন এটা সত্য হ'ল কঙালৰ দৰে প্ৰতিটো সময়তে হাত মেলি থকা অনুচিত। আনকি ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক এৰি বৃদ্ধ লোকৰ লগত থাকিব নালাগে— "ওহোঁ। ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক এৰি থকা উচিত নহয়। অকল বুঢ়া মানুহৰ লগত থকাটো ভালো নহয়।"[১১৫] জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত মনৰ গুপুত কোণত অৱদমন হৈ থকা যৌন আকাংক্ষাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। বৃদ্ধ ভৃগু চৌধুৰীৰ জীৱনৰ অভিজ্ঞতাত সমাজৰ এক শ্ৰেণী তথাকথিত ভদ্ৰলোকৰ যৌন ব্যভিচাৰ, চাৰিত্ৰিক স্খলন, যৌন আকাংক্ষাৰ হাবিয়াস আৰু বিকৃত মানসিকতাৰ পৰিচয় দাঙি ধৰা হৈছে। সামাজিক প্ৰাণী হিচাপে মানুহে সংযম বজাই ৰখাৰ প্ৰয়োজনীয়তা বৃদ্ধ ভৃগু চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াসত ব্যক্ত কৰিছে।

---

১১৩। উল্লিখিত, পৃ. ১৪৮

১১৪। উল্লিখিত, পৃ. ৭৮

১১৫। উল্লিখিত, পৃ. ৮৪

**(৬) ব্যক্তিকেন্দ্রিক অহমিকা ঃ**

অৱসৰপ্ৰাপ্ত অধ্যাপক ভৃগু চৌধুৰীৰ মানসপটত ক্ৰিয়া কৰা কেইগৰাকীমান বৃদ্ধৰ ব্যক্তিকেন্দ্রিক অহমিকা উপন্যাসত তুলি ধৰা হৈছে। ব্যক্তিকেন্দ্রিক অহমিকাৰ বাবে মহেন্দ্ৰ দাসে বাৰ্ধক্যত নিজৰ শক্তি সামৰ্থ্যৰে ঘৰ-দুৱাৰ সাজিবলৈ লৈছে। মিছা কথাত মানুহৰ লগত কাজিয়া কৰি ফুৰা, চুবুৰীয়া প্ৰতিৱেশীৰ লগত সদ্ভাৱ বজাই ৰাখিব নজনা, আনৰ মাটিত শিশু উদ্যান পাতিবলৈ যোৱা, থানাত অভিযোগ দিয়া, ল'ৰাহঁতক লৈ ন ন অভিযোগ অনা, বজাৰৰ দোকানীৰ লগত কাজিয়া, ভতিজাহঁতৰ লগত মিলিব নোৱাৰা বৃদ্ধ দাসৰ ব্যক্তিকেন্দ্রিক অহমিকা বাৰ্ধক্যত বেছিকৈ প্ৰকট হৈ পৰিছে। ব্যক্তিকেন্দ্রিক অহমিকাৰ বাবে সাহিত্য-সাধনাত ৰত ৰজত কলিতাই জীৱনৰ সৰ্বস্ব সঞ্চয় ব্যয় কৰি উচ্চমানৰ আলোচনী এখন উলিয়াব বিচাৰিছে। আলোচনীখনে সাহিত্যক্ষেত্ৰত এক নতুন পদক্ষেপ আনিব বুলি তেওঁৰ দৃঢ় বিশ্বাস। ব্যক্তিকেন্দ্রিক অহমিকা থকা উপন্যাসখনৰ দুটি নাৰী চৰিত্ৰ ৰুণু দেৱী আৰু স্বৰ্ণলতা মহন্তৰ উল্লেখ উপন্যাসখনত পোৱা যায়। সাধাৰণ নাৰীৰ বিপৰীতে ৰুণু দেৱীৰ চৰিত্ৰত মোহিনীৰূপী এগৰাকী ব্যক্তিকেন্দ্রিক অহমিকাবোধ থকা নাৰীৰ পৰিচয় বৃদ্ধ চৌধুৰীৰ পৰ্যবেক্ষণত ধৰা দিছে। আন এগৰাকী নাৰী স্বৰ্ণলতা মহন্তৰ চৰিত্ৰত ব্যক্তিকেন্দ্রিক অহমিকা থকা এগৰাকী মাতৃৰ চিত্ৰ ফুটি উঠিছে। অকলশৰে সাংসাৰিক দায়িত্ব পালিবলৈ মানসিক সবলতাৰে প্ৰত্যাহ্বান গ্ৰহণ কৰা স্বৰ্ণলতা মহন্তই ব্যক্তিকেন্দ্রিক অহমিকা ম্লান পৰাৰ ভয়ত অৱশেষত আত্মহত্যাৰ পথ বাছি লৈছে।

প্ৰত্যেক মানুহৰ মনৰ প্ৰবল বিশ্বাসৰ ভেটিতেই ব্যক্তিকেন্দ্রিক অহমিকাই গঢ় লয়। কিন্তু উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ বৃদ্ধ ভৃগু চৌধুৰীৰ ব্যক্তিত্বত কিন্তু ব্যক্তিকেন্দ্রিক অহমিকা দেখা পোৱা নাযায়।

> বয়সৰ লগে লগে ভৃগু চৌধুৰীৰ বিশ্বাসৰ ভেটি দৃঢ়তৰ হ'ব লাগিছিল। পিছে বয়সৰ লগে লগে তেওঁৰ মনত বেছিকৈহে খেলিমেলিৰ সৃষ্টি হৈছে। প্ৰত্যয়বোৰ কিবা হেলেক-পেলেক হৈ আহিছে। বিশ্বাস এটাক খামোচ মাৰি ধৰি থাকিবলৈ হ'লে এক ধৰণৰ পৱিত্ৰতাৰ প্ৰয়োজন।[১১৬]

মনৰ বিশ্বাসৰ দৃঢ়তা গভীৰ নোহোৱাৰ বাবে উপন্যাসখনত ভৃগু চৌধুৰীৰ চৰিত্ৰত ব্যক্তিকেন্দ্রিক

---

১১৬। উল্লিখিত, পৃ. ১৬

অহমিকা দেখা যোৱা নাই।

**(৭) জীৱনপ্ৰীতি ঃ**

উপন্যাসখনত জীৱনপ্ৰীতিয়েই বৃদ্ধ লোকৰ জীয়াই থকাৰ মূলমন্ত্ৰ— এই কথা বৃদ্ধ চৌধুৰীৰ অনুসন্ধান বা পৰ্যবেক্ষণত প্ৰত্যক্ষ কৰিব পাৰি। জীৱন-প্ৰত্যাশাৰে জীয়াই থকা বৃদ্ধ বনমালী শৰ্মাই শুভাকাংক্ষী ৰূপত বৃদ্ধ ভৃগু চৌধুৰীক পৰামৰ্শ দিছে— "ইফালে দুটামান কোঠা বঢ়াই দি ভাৰা নিদিয়া কিয়? ঘৰৰ কাৰণে যি হাহাকাৰ, কমেও হাজাৰ টকা পাবা।"[১১৭] জীৱনপ্ৰীতি আৰু জীৱনত কিবা এটা কৰাৰ হেঁপাহত বাৰ্ধক্যৰ ৰুগ্ন, অক্ষম শৰীৰক প্ৰত্যাহ্বান হিচাপে লৈ ৰজত কলিতাই উচ্চ পৰ্যায়ৰ সাহিত্য আলোচনী এখন সম্পাদনা কৰিবলৈ বিচাৰিছে। 'প্ৰোষ্ট্ৰেট গ্লেণ্ড' বৃদ্ধি পোৱা কলিতাক ডাক্তৰে অস্ত্ৰোপচাৰ কৰাবলৈ পৰামৰ্শ দিছে যদিও বাৰ্ধক্যত মৃত্যুভয় আৰু জীৱনপ্ৰীতিৰ বাবে বৃদ্ধ দাসে অস্ত্ৰোপচাৰ নকৰি হোমিঅ'পেথিক চিকিৎসা কৰাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

বৃদ্ধ মহেন্দ্ৰ দাসে পত্নী-পুত্ৰ অবিহনে বাৰ্ধক্যত নিঃসংগ জীৱন কটালেও জীৱনপ্ৰীতিৰ বাবে নতুনকৈ ঘৰ সজোৱাৰ কামত ব্যস্ত হৈ পৰিছে। জীৱনৰ আশাই দাসৰ জীৱনপ্ৰীতিৰ একমাত্ৰ প্ৰেৰণা— "ঘৰ বন্ধা হোৱালৈকে তেওঁ জীয়াই থাকিবনে? কোনে ক'ব পাৰে? হয়তো এইটোৱেই তেওঁৰ জীয়াই থকাৰ পন্থা ঘৰ বান্ধিবৰ কাৰণে এই কৰ্মব্যস্ততা।"[১১৮] আনৰ ল'ৰা-ছোৱালীক মানুহ কৰাৰ সপোন ৰচা সমাজৰ এজন দায়িত্বশীল ব্যক্তি, বৃদ্ধ অধ্যাপক অনন্ত দাসে শাৰীৰিক বিশ্ৰাম অবিহনে বাৰ্ধক্যত ভৱিষ্যৎ প্ৰজন্মৰ বাবে চিন্তা কৰিছে। কৰ্মস্পৃহাক জীৱনপ্ৰীতিৰে আঁকোৱালি লোৱা দাস কিন্তু আন বৃদ্ধ লোকৰ দৰে বাৰ্ধক্যত অপ্ৰয়োজনীয় জড় পিণ্ডত পৰিণত হোৱা নাই। উপন্যাসখনৰ নায়ক বৃদ্ধ চৌধুৰীৰ জীৱনত কোনো অপ্ৰত্যাশিত আশা দৃষ্টিগোচৰ হোৱা নাই। জীৱনৰ প্ৰতি অনুসন্ধিৎসু সত্যানুসন্ধানেই চৌধুৰীৰ জীৱনপ্ৰীতিৰ কাৰণ। জীৱনৰ অনিশ্চয়তা, বিচ্ছিন্নতা, নিঃসংগতাৰে মানসিক জগতত বাস কৰা চৌধুৰীৰ কিন্তু নিচেই কাষতে থকা পত্নীৰ প্ৰতিও ধাৰণা স্পষ্ট নহয়। এনে খেয়ালী মনৰ মানুহৰ জীৱনপ্ৰীতি নথকাটো অস্বাভাৱিক নহয়। কিন্তু মৃত্যুমুখী পত্নীৰ এটি লঘু স্পৰ্শই বৃদ্ধ চৌধুৰীক জীৱনপ্ৰীতিৰ প্ৰতি অৱশেষত

---

১১৭। উল্লিখিত, পৃ. ৫১

১১৮। উল্লিখিত, পৃ. ৮৪

উদ্বেলিত কৰিছে। গতিকে চৌধুৰীৰ জীৱনপ্ৰীতিৰ লগতে পত্নীপ্ৰীতিও উপন্যাসখনত দৃষ্টিগোচৰ হৈছে।

**(৮) শাৰীৰিক অসুস্থতাৰ সমস্যা ঃ**

উপন্যাসখনত বৃদ্ধ ভৃগু চৌধুৰীৰ সূক্ষ্ম পৰ্যবেক্ষণত বাৰ্ধক্যৰ শাৰীৰিক অসুস্থতাৰ বৰ্ণনা পোৱা গৈছে। দীৰ্ঘদিনৰ পৰিশ্ৰমৰ অন্তত মূৰৰ চুলি পকা, মুখখন শোটোৰা-শোটোৰ হোৱা, চকুৰ তল আৰু মুখৰ আন অংশত ক'লা দাগ পৰা চৌধুৰীৰ পৰিবাৰৰ বাৰ্ধক্যজনিত অসুস্থতাৰ বৰ্ণনাই বৃদ্ধ লোকৰ শাৰীৰিক অৱক্ষয়ৰ বৰ্ণনা তুলি ধৰিছে। এটা সময়ত বাটৰ মানুহে ঘূৰি ঘূৰি চোৱা চৌধুৰীৰ পৰিবাৰৰ সৌন্দৰ্য বাৰ্ধক্যত ম্লান পৰাৰ চিত্ৰ উপন্যাসখনত পোৱা যায়।

> অসুখত ভুগি ভুগি ভৃগু চৌধুৰীৰ পৰিবাৰৰ চেহেৰা কিবা হৈ গৈছে। গাৰ ৰং বিৱৰ্ণ হৈ পৰিছে, কেনোবাই যেন ছাই সানি দিছে। মূৰৰ চুলিখিনিও গৈ গৈ নোহোৱা হ'বলৈ ধৰিছে; কিছুদিনৰ পৰা তেওঁৰ গাটো বেছিকৈ বেয়া হৈছে।[১১৯]

স্বামীৰ ওপৰত বোজা হৈ পৰাৰ আশংকাত চৌধুৰীৰ পৰিবাৰ বাৰ্ধক্যত হতাশ হৈ পৰিছে। শাৰীৰিক সমস্যাই মানসিক জটিলতা সৃষ্টি কৰা চৌধুৰীৰ বৃদ্ধ পৰিবাৰ মানসিকভাৱে ভাগি পৰাৰ বৰ্ণনা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। “বয়সৰ লগে লগে তেওঁৰ পৰিবাৰৰ শৰীৰ ভাগি পৰিছে। সেই কাৰণে তেওঁৰ খং; অইনৰ ওপৰত নহয়, নিজৰ ওপৰতে। অসুস্থ হৈ চৌধুৰীৰ অসুবিধাৰ সৃষ্টি কৰিছে বুলি নিজৰ ওপৰতে খং।”[১২০]

উচ্চ ৰক্তচাপ, পেটৰ গণ্ডগোল আদি অসংখ্য বেমাৰত আক্ৰান্ত বৃদ্ধ ভৃগু চৌধুৰীৰ বায়েক বিমলা দেৱীয়ে বাৰ্ধক্যৰ শাৰীৰিক দুৰ্বলতাৰ কাৰণে দেশৰ বাবে যুঁজিবলৈ শাৰীৰিকভাৱে প্ৰস্তুত নহ'লেও মানসিকভাৱে কিন্তু সবল ৰূপত আত্মপ্ৰকাশ কৰা উপন্যাসখনত দেখা যায়। বাৰ্ধক্যত ‘প্ৰোষ্ট্ৰেট গ্লেণ্ড’ বাঢ়ি যোৱা আৰু ডাক্তৰৰ পৰামৰ্শমতে কেথিটাৰ লগোৱা বৃদ্ধ ৰজত কলিতাৰ অনুভৱ— “নিজৰ শৰীৰৰ

১১৯। উল্লিখিত, পৃ. ১৫৯
১২০। উল্লিখিত, পৃ. ২৭

অস্বস্তি নিজৰ শৰীৰেহে বুজিব পাৰি।"[১২১] বাৰ্ধক্যত ডাক্তৰৰ ওচৰ চপা কলিতাৰ অনুভৱ ডেকা লোকতকৈ বৃদ্ধ লোকৰ ৰোগৰ প্ৰতি ডাক্তৰৰ গুৰুত্ব অলপ হ'লেও কম। বাৰ্ধক্যজনিত ৰোগৰ বাবে কলিতা এটা সময়ত বাটত লুটি খাই পৰি পক্ষাঘাত ৰোগত শয্যাশায়ী হৈছে। বৃদ্ধ অধ্যাপক অনন্ত দাসে শাৰীৰিক অসুস্থতাক পৰাজয় কৰিবলৈ কৰ্মব্যস্ততাক অধিক গুৰুত্ব দিছে। শাৰীৰিক বিশ্ৰামৰ অভাৱত দাসে সোঁভৰিখন টানি লৈ ফুৰা বৃদ্ধ চৌধুৰীৰ অনুসন্ধানত দৃষ্টিগোচৰ হৈছে। বৃদ্ধ মহেন্দ্ৰ দাস এজন ডায়বেটিছ ৰোগী। মিঠাই খাব নলগা এই ৰোগ সম্পৰ্কে তেওঁ সচেতন যদিও বাৰ্ধক্যত এই ৰোগৰ প্ৰতি তেওঁৰ ক্ষোভৰ উদ্‌গীৰণ হৈছে। শাৰীৰিক অসুস্থতাৰে এক বিকল্প ৰূপ মানসিক অসুস্থতা। উপন্যাসখনত যোগেন মহন্ত আৰু তেওঁৰ পত্নী স্বৰ্ণলতা মহন্তৰ মানসিক ৰোগৰ পৰিচয় তুলি ধৰা হৈছে। অৱসৰী মহন্তই পৰিবাৰৰ মৃত্যুৰ পাছৰে পৰা নিজক বেছিকৈ সংকুচিত কৰি আনে। ঘণ্টা ঘণ্টা ধৰি বিছনাত চিত হৈ পৰি থকা ভাবুক মহন্তৰ মানসিক ৰোগৰ কাৰক ভনীয়েক মামণিৰ মৃত্যুৰ বেদনা। ভনীয়েকৰ প্ৰতি সতৰ্ক দৃষ্টি নৰখাৰ বাবে শৈশৱতে নৈৰ গৰাত পৰি ভনীয়েক মামণিৰ মৃত্যু হয়। সেইদিনাৰে পৰা জীৱনত কোনো লোককেই মহন্তই মূৰ দাঙি চাব পৰা নাই। নিজক সদায় কিবা এটাৰ পৰা লুকুৱাবলৈ অহৰহ চেষ্টা কৰা মহন্তৰ মানসিক ৰোগে বাৰ্ধক্যত অধিক জটিল ৰূপ ধাৰণ কৰিছে। পত্নীৰ মৃত্যুৰ পাছত নিঃসংগ বৃদ্ধ যোগেন মহন্তৰ চৰিত্ৰত অস্বাভাৱিক পৰিৱৰ্তনে দেখা দিছে। বৰ জীয়াৰী মিনতিৰ বিয়াৰ দায়িত্ব পালিবলৈ গৈ জীয়াৰীৰ বিয়া ঠিক কৰিছে যদিও কাৰ লগত বিয়া, কেতিয়া বিয়া— এইবোৰ একোৱেই তেওঁ মনত ৰাখিব পৰা নাই। বহুদিন হতাশা বা নিৰাশাত ভোগা মহন্তই মানসিক ৰোগৰ বাবে মানুহৰ নাম পাহৰিবলৈও আৰম্ভ কৰে। অতিৰিক্ত মানসিক চাপে মহন্তক বাৰ্ধক্যত মানসিক ৰোগী কৰি তুলিছে। যোগেন মহন্তৰ পত্নী স্বৰ্ণলতা মহন্তৰ অস্বাভাৱিক মৃত্যুৰ কাৰণ জীৱনৰ হতাশা আৰু নোপোৱাৰ বেদনা। উপন্যাসখনত আন এগৰাকী বৃদ্ধাৰ মানসিক ৰোগৰ পৰিচয় পোৱা যায়। জুলুম নকৰিলে উপেক্ষা কৰা বুলি ভবা সত্যজিতৰ বৃদ্ধা মাতৃ হেমপ্ৰভাৰ এনে মানসিকতাৰ কাৰণ মানসিক ৰোগ। পুত্ৰ সত্যজিতৰ পংগু ভৰিখনক লৈ সংবেদনশীল মাতৃ এটা সময়ত মানসিক ৰোগৰ সন্মুখীন হৈছে। মাতৃৰ মনৰ আতংকৰ কাৰণ কোনোবা

১২১। উল্লিখিত, পৃ. ৬৯

কন্যাৰ অভিভাৱকে যদি তেওঁক প্ৰশ্ন কৰে— ‘তোমাৰ লেঙেৰা ল’ৰালৈ আমাৰ ছোৱালী কিয় দিমহে?’[১২২]— এনে প্ৰশ্নৰ বাবে অপ্ৰস্তুত আৰু অপমানবোধৰ আশংকাত বৃদ্ধা মাতৃয়ে মানসিক ৰোগৰ সন্মুখীন হৈছে।

গতিকে বাৰ্ধক্যত যোগেন মহন্তৰ আতংক (phobia) আৰু স্মৃতিলোপ (amnesia), স্বৰ্ণলতাৰ মনোগ্ৰস্ততা (obession), মনোবিকলন (schizophrenia) আৰু হেমপ্ৰভাৰ চৰিত্ৰত মাতৃকামী গূঢ়ৈষা (odeipus complex) আদি অস্বাভাৱিক মনস্তত্ত্বৰ লক্ষণ উপন্যাসখনত প্ৰতিফলিত হৈছে।

বাৰ্ধক্য-সচেতন ভৃগু চৌধুৰীৰ শাৰীৰিক সমস্যাৰ কথাও উপন্যাসখনত তুলি ধৰা হৈছে। বাৰ্ধক্য সম্পৰ্কে চৌধুৰীৰ অনুভৱ— “বেছি দিন জীয়াই থকাৰ এই এক সমস্যা। সময়ৰ লগে লগে ধুনীয়া ফুল এজোপা মৰহি যায়, দেৱতা থাপনাৰ পৰা বাগৰি পৰে, বহুতো সপোন ভাগি ভাগি যায়।”[১২৩] অতীতৰ ঘটনাবোৰৰ ধাৰাবাহিকতা নথকাৰ দৰে বাৰ্ধক্যই তেওঁকো অপ্ৰয়োজনীয়, গুৰুত্বহীন বুলি ভাবিবলৈ বাধ্য কৰিছে। অতীত ৰোমন্থনত সহপাঠীৰ নাম মনত পেলাব নোৱাৰা চৌধুৰীয়ে বাৰ্ধক্যত ‘যিকোনো পৰিস্থিতিত আৰু যিকোনো অৱস্থাত পাৰিপাৰ্শ্বিকতাৰ কথা পাহৰি চিন্তাত মগ্ন হৈ পৰিছে’।[১২৪] উচ্চ ৰক্তচাপৰ বাবে বিজয়া দশমীৰ ভিৰৰ মাজত মূৰ ঘূৰাই ৰাজআলিত অজ্ঞান হৈ পৰা বৃদ্ধ চৌধুৰীক সত্যজিত নামৰ প্ৰতিৱেশী ল’ৰাজনে ঘৰলৈ লৈ আহে। বাৰ্ধক্যজনিত ৰোগত এজন লোকৰ ওলাই-সোমাই ফুৰাত সৃষ্টি হোৱা প্ৰতিবন্ধকৰ কথা উপন্যাসখনত পৰিদৃষ্ট হৈছে।

**(৯) শৈক্ষিক মূল্যবোধৰ অভাৱ ঃ**

উপন্যাসখনত প্ৰবাসী উচ্চ চাকৰিয়াল পুত্ৰক লৈ যশ-কীৰ্তন কৰা আজিৰ তথাকথিত সাম্প্ৰতিক সমাজৰ প্ৰতিচ্ছবি পোৱা যায়। বৃদ্ধ দাসে কষ্টোপাৰ্জিত ধনেৰে উচ্চশিক্ষিত কৰা পুত্ৰহঁতক লৈ মিছা গৰ্বত ওফন্দি থকাৰ কাৰণ পুত্ৰহঁতক লৈ সৃষ্টি হোৱা মনৰ হতাশা। পত্নীৰ মৃত্যুৰ পাছৰে পৰা বৃদ্ধ পিতৃৰ নিঃসংগতা

---

১২২। উল্লিখিত, পৃ. ১৩৮
১২৩। উল্লিখিত, পৃ. ৫৮
১২৪। উল্লিখিত, পৃ. ১০৫

জানিও প্ৰবাসী পুত্ৰহঁতৰ খবৰ কৰিবলৈ আহৰি নাই। মহেন্দ্ৰ দাসৰ দুশ্চিন্তা কেৱল পুত্ৰহঁতক লৈয়ে নহয়, ভতিজাহঁতক লৈও তেওঁৰ মনত আতংকৰ সৃষ্টি হৈছে। সাম্প্ৰতিক সময়ত শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু শিক্ষাৰ প্ৰকৃত মূল্য বুজি নোপোৱা এচাম দায়িত্বজ্ঞানহীন সন্তানৰ বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি অৱজ্ঞা, উপেক্ষা দেখা যায়। তৰুণ প্ৰজন্মৰ উচ্চাকাংক্ষা, ভোগবাদী মানসিকতাত বৃদ্ধ পিতৃ-মাতৃ এলাগী হৈ পৰাৰ চিত্ৰ উপন্যাসখনত অংকন কৰা হৈছে। ইয়াৰ প্ৰভাৱ পৰোক্ষভাৱে শৈক্ষিক মূল্যবোধৰ অভাৱ। টকা-পইচা নিদিলে ভতিজাহঁতে ডিঙি চেপি মাৰিব পাৰে বোলা দাসৰ কথাত সাম্প্ৰতিক আৰ্থিক প্ৰলোভনে অনা মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপ প্ৰকাশ পাইছে।

এইক্ষেত্ৰত কেৱল সাম্প্ৰতিক তৰুণ প্ৰজন্মই জগৰীয়া নহয়— বৃদ্ধ মহেন্দ্ৰ দাসৰ সন্তানৰ লগত সুসম্পৰ্ক নথকা, পৰিয়ালৰ লগত যোগসূত্ৰহীন আৰু সমাজ তথা প্ৰতিৱেশীৰ লগত আন্তৰিকতাৰ অভাৱ পৰিলক্ষিত হৈছে। কালানুক্ৰমিক বয়সেৰে বৃদ্ধ হ'লেও দাসৰ ক্ষেত্ৰত শিক্ষাৰ প্ৰকৃত মূল্যবোধৰ অভাৱ দেখা গৈছে। শৈক্ষিক মূল্যবোধৰ প্ৰতি আস্থা থকাসকলে আনক সংশোধন কৰাৰ আগতে নিজক সংশোধন কৰে। উপন্যাসখনত দাসৰ সংস্কাৰ, আচাৰ-ব্যৱহাৰ সংযত নোহোৱাৰ অভিযোগ সন্তানৰ ওপৰত পৰোক্ষভাৱে পৰিছে। তাৰ বিপৰীতে বৃদ্ধ চৌধুৰীৰ দিল্লীত থকা পো-বোৱাৰীৰ আন্তৰিকতাই পিতৃ-মাতৃৰ প্ৰতি থকা সন্তানৰ দায়িত্ব-কৰ্তব্যবোধৰ পৰিচয় দিছে।

শৈক্ষিক মূল্যবোধৰ অভাৱত মেধাৱী শৈলেন বৰুৱাৰ চাৰিত্ৰিক স্খলন আৰু ৰুণু দেৱীৰ দৰে তথাকথিত আধুনিক ভদ্ৰ সমাজৰ সম্ভ্ৰান্ত মহিলাৰ সংযমহীনতা, পৰপুৰুষৰ লগত অবৈধ সম্পৰ্ক দেখা যায়। কিন্তু তাৰ বিপৰীতে আনুষ্ঠানিক শিক্ষা নথকা কোনোজনে নিজৰ সংস্কাৰ, নৈতিকতাক জীৱনৰ সম্বল হিচাপে গ্ৰহণ কৰিছে। আধুনিক সমাজৰ এচাম উদণ্ড যুৱকৰ উত্তাল পাৰ্টিয়ে শৈক্ষিক মূল্যবোধৰ অভাৱ প্ৰদৰ্শন কৰাৰ বৰ্ণনা বৃদ্ধ ভৃগু চৌধুৰীৰ অনুসন্ধানৰ পৰা প্ৰত্যক্ষ কৰিব পাৰি। কেৱল শিক্ষাই নহয়, সংগীত আৰু কলাৰ প্ৰতিও ব্যক্তিৰ ৰুচিৰ পৰিৱৰ্তন হৈছে। পুৰণি বিহুগীত আৰু গোৱালপাৰীয়া গীতৰ মন পৰশি যোৱা সুৰীয়া গীতৰ বিপৰীতে প্ৰতিৱেশীৰ মাতাল যুৱকৰ পাৰ্টিৰ নামত হোৱা হৈ-চৈ শুনি বৃদ্ধ ভৃগু চৌধুৰী হাৰাশাস্তিৰ সন্মুখীন হৈছে। প্ৰতিৱেশীৰ 'পাৰ্টি'ত এচাম পথভ্ৰষ্ট যুৱকৰ বিকৃত আৰু অস্থিৰ মানসিকতাৰ পৰিচয় ফুটি উঠিছে। অশান্ত, স্খলিত, বিকৃত মানসিকতাৰ এচাম যুৱকৰ শৈক্ষিক

মূল্যবোধৰ অভাৱে জীৱনৰ ব্যৰ্থতা, হতাশাৰ বাস্তৱ চিত্ৰ প্ৰকট কৰিছে।

> ৰাতি যিমানেই বেছি হয়, গায়কবোৰৰ সংকোচ সিমানেই নাইকিয়া হৈ আহে। কণ্ঠস্বৰ উচ্চ গ্ৰামত উঠি যায়, নৃত্যৰ তাল উদ্দাম হৈ উঠে। আগতে কাচিৎহে এনেকুৱা 'পাৰ্টি' হৈছিল। ক্ৰমাৎ বাৰংবাৰতা বাঢ়ি গৈ আছে।[১২৫]

শৈক্ষিক মূল্যবোধৰ অভাৱত অন্তঃসাৰশূন্য যুৱচামে ভোগ আৰু মনোৰঞ্জনক জীৱনৰ সাৰথি কৰি নিজা একোখন কল্পনাৰ পৃথিৱীত বিচৰণ কৰি ফুৰিছে। সাম্প্ৰতিক সময়ত তৰুণ-প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ অভাৱত জীৱনযাত্ৰাত কুপ্ৰভাৱ পৰিছে। বিজয়া দশমীৰ দেৱী বিসৰ্জন দিবলৈ যোৱা সমদলৰ অন্তহীন ভংগীৰ 'ডিস্কো ডান্স', হিন্দী গানৰ অদ্ভুত সমাহাৰ, শব্দ প্ৰদূষিত কৰা মানুহৰ শৃংখলাহীন স্বৰূপ দেখি বৃদ্ধ চৌধুৰীৰ পৰ্যবেক্ষণত আউল লাগিছে। আধুনিকীকৰণৰ নামত মানুহৰ শৈক্ষিক মূল্যবোধৰ অভাৱে অনা বাহ্যিক অস্থিৰতা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

> এয়েই বোধহয় প্ৰাচীন ধৰ্মীয় উৎসৱৰ আধুনিকীকৰণ। পূজাত ব্ৰাহ্মণ পুৰোহিতো আছে, ডিস্কো ডান্সো আছে। নিৰ্ভুল সংস্কৃত মন্ত্ৰপাঠো আছে, কৰ্ণভেদী পৰ্ন মিউজিকৰ প্ৰচাৰো আছে। একেখন ৰভাৰ তলতে প্ৰাচীন আৰু আধুনিকৰ কি বিচিত্ৰ সমন্বয়। গৰ্ববোধ কৰিবলগীয়া কথা।[১২৬]

পিতৃ-মাতৃক 'মামী' আৰু 'ডেডী' ক'বলৈ শিকোৱা, বাটত লগ পাই 'হাই' শব্দৰে সম্ভাষণ জনোৱা এচাম অভিভাৱকৰ আধুনিকতাৰ মনোভাব উপন্যাসখনত প্ৰকাশ পাইছে। শৈক্ষিক মূল্যবোধৰ অভাৱত পথভ্ৰষ্ট আৰু লম্পট চৰিত্ৰ ৰাণাৰ দৰে এচাম উদণ্ড যুৱকে ছোৱালী জোকোৱাই নহয়, নিজৰ কামনা সিদ্ধিৰ বাবে প্ৰত্যেক দিনাই নতুন নতুন যুৱতীক আকৰ্ষণ কৰি অভিসাৰত লিপ্ত হৈছে। কেৱল যুৱতীয়েই নহয়, বিবাহিত মহিলাও ৰাণাৰ দৰে চতুৰ, কামাসক্ত, ঠগ-প্ৰৱঞ্চকৰ প্ৰতাৰণাৰ হাত সাৰিব পৰা নাই। এইক্ষেত্ৰত ক্ষমতালিপ্সু এচাম ভণ্ড পুলিচেও সহযোগ কৰিছে। ফলস্বৰূপে ধনীৰ দুলাল এইচাম যুৱকৰ শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু উচ্ছৃংখল স্বভাৱৰ বাবে অকালতে মৃত্যুক সাবটিব লগা হৈছে। আধুনিক সমাজৰ উচ্ছৃংখল তৰুণ প্ৰজন্মৰ শৈক্ষিক মূল্যবোধৰ অভাৱ দেখি বৃদ্ধ চৌধুৰীৰ মানসিকতাত ভৱিষ্যৎ

১২৫। উল্লিখিত, পৃ. ৪৩

১২৬। উল্লিখিত, পৃ. ১০৪

প্ৰজন্মক লৈ চিন্তাৰ উদ্ৰেক ঘটিছে। শৈক্ষিক মূল্যবোধৰ অভাৱে দেখা দিয়া তৰুণ প্ৰজন্মৰ অভব্য আচৰণত অপদস্থ হোৱাৰ ভয়ত বৃদ্ধ চৌধুৰীয়ে চিটীবাছত উঠিবলৈ ভয় খাইছে। বুঢ়া মানুহ বুলি খাতিৰ নকৰি স্কুল-কলেজৰ ল'ৰা-ছোৱালীয়ে কিলাকুটিৰে ঠেলি চিটীবাছৰ আসন দখল কৰাৰ আতংকত চৌধুৰীয়ে ওলাই-সোমাই ফুৰিবলৈ ভয় কৰিছে। কিন্তু কোনোৱে আকৌ চিটীবাছৰ আসন এৰি দি চৌধুৰীক বহিবলৈ অনুৰোধ কৰাও উপন্যাসখনত উল্লেখ পোৱা যায়। আধুনিক সমাজৰ সকলো লোকৰে ভাব-চিন্তা-আদৰ্শ যে একে নহয়, সেই কথাকে উপন্যাসখনত প্ৰতিপন্ন কৰিব বিচাৰিছে। সমাজত চৌধুৰীয়ে এনে একোজন ছাত্ৰক লগ পাইছে, যিজন উচ্চপদস্থ বিষয়া হৈও গৃহপ্ৰৱেশ অনুষ্ঠানত চৌধুৰীৰ দৰে বৃদ্ধ অধ্যাপকৰ পদধূলা কামনা কৰিছে। আনকি বাটত খোজকাঢ়ি আহি থকা দেখি কোনো কোনো ছাত্ৰই তেওঁক গাড়ীৰে ঘৰত থৈ অহাৰ দৃষ্টান্তও উপন্যাসখনত তুলি ধৰিছে।

ভৃগু চৌধুৰীৰ অনুসন্ধানত আধুনিক সমাজৰ শৈক্ষিক মূল্যবোধৰ অভাৱত মানুহৰ সংস্কাৰ আৰু আচাৰ-ব্যৱহাৰত বিৰূপ প্ৰতিক্ৰিয়া আনিলেও শিক্ষাৰ প্ৰকৃত মূল্যবোধ যে একেবাৰে হেৰাই যোৱা নাই, সেই কথা দৃঢ়তাৰে ক'ব পাৰি।

**(১০) নগৰীয়া জীৱনৰ যন্ত্ৰণা ঃ**

শিল্পায়ন, বিজ্ঞান-প্ৰযুক্তি-তথ্যৰ বিকাশে নগৰমুখী সমাজ-জীৱনলৈ দ্ৰুত পৰিৱৰ্তন আনিছে। তদুপৰি উচ্চ শিক্ষা, বৃত্তি আৰু পৰিস্থিতিৰ তাড়নাত কোনো কোনোৱে নগৰমুখী প্ৰব্ৰজন আৰম্ভ কৰিছে। ভোগ আৰু বস্তুবাদী আকাংক্ষাই মানুহৰ প্ৰাপ্তিক সহজসাধ্য কৰাত মানুহৰ জীৱনযাত্ৰাৰ পথ লাহে লাহে সলনি হৈ আহিবলৈ ধৰিছে। নগৰীয়া জীৱনত চৌধুৰীয়ে নিজক লৈ ব্যস্ত এনে এচাম মানুহৰ বৰ্ণনা দিছে, যিয়ে আনৰ ঘৰত কি হৈছে নিজেও খবৰ নাৰাখে আৰু আনকো সেই সুযোগ নিদিয়ে। প্ৰতিৱেশীৰ নিশা 'পাৰ্টি'ৰ নামত উচ্চবাচ্য, উদ্দাম গীত-নৃত্য, শব্দৰ বিস্ফোৰণ আৰু নাৰকীয় উল্লাসে চৌধুৰীৰ ধৈৰ্যৰ বান্ধ ছিঙি পেলোৱাৰ বৰ্ণনা পোৱা যায়। অত্যাচাৰ সহিব নোৱাৰি উৎকণ্ঠিত চৌধুৰীয়ে বাধা দিবলৈ বিচাৰিছে। কাণ্ডজ্ঞানহীন, উচ্ছৃংখল আৰু উত্তেজিত যুৱকৰ হাতত অপমানিত হোৱাৰ আশংকাত চৌধৰীৰ পত্নীয়ে

তেওঁক বাধা দিয়ে।

> ঠিকেই, যিবোৰ মানুহে মাজৰাতি ভদ্ৰ চুবুৰীত এনেকুৱা হুলস্থূল কৰিব পাৰে সিহঁতৰ কোনোধৰণৰ বিচাৰ-বিবেচনা থকাৰ কথা নহয়। মানুহৰ জীৱনলৈ কেতিয়া কোন ফালৰ পৰা কি বিপদ আহিব পাৰে আগতীয়াকৈ ধৰিব নোৱাৰি। ভৃগু চৌধুৰীয়েও ভবা নাছিলি যে তেওঁৰ জীৱনলৈ এনে ধৰণৰ এক বিপদ আহিব। বিপদ নহয় কি ? গধূলিৰ পৰা উৎকণ্ঠা— আজিও 'পাৰ্টি' বহিব নে নবহে। ৰাতিৰ পিছত ৰাতি বিনিদ্ৰ ৰজনী যাপন। উঃ কি শাস্তি, কি অসহনীয় যন্ত্ৰণা![১২৭]

সাম্প্ৰতিক সময়ৰ গুৱাহাটীৰ মহানগৰীয়া জীৱনৰ যন্ত্ৰণা আৰু আত্মকেন্দ্ৰিক মানুহে কাৰো খবৰ কোনেও নৰখাৰ চিত্ৰ এখনো উপন্যাসখনত পোৱা গৈছে। *অনুসন্ধান* উপন্যাসত বৃদ্ধ ভৃগু চৌধুৰীৰ চেতনাত আন কেইগৰাকীমান বৃদ্ধৰ নগৰীয়া জীৱনৰ জটিলতাৰ স্বৰূপৰ প্ৰতিফলন হৈছে।

### (১১) অন্যান্য কাৰণ ঃ

*অনুসন্ধান* উপন্যাসত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ উল্লিখিত কাৰণসমূহৰ উপৰি আন কেইটামান কাৰণ কৰা প্ৰত্যক্ষ হৈছে। বৃদ্ধ লোকৰ বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ উপন্যাসখনত দেখা যায়। শাৰীৰিক শক্তিহীনতা আৰু অসুস্থতাই বাৰ্ধক্যত কৰ্মশক্তিহীন কৰি তোলা লোকৰ চিত্ৰ উপন্যাসখনত পোৱা গৈছে। বৃদ্ধ ৰজত কলিতাই অৱসৰ লোৱাৰ পাছত গ্ৰেচুইটীৰ ধন ভাঙি উচ্চমানৰ আলোচনীৰ সম্পাদনা কৰিবলৈ বিচৰাটোৱে বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতি নথকা এজন বৃদ্ধৰ পৰিচয় পোৱা যায়। আনকি কলিতাৰ শাৰীৰিক অসচেতনতাৰ বাবে দুৰ্ঘটনাবশতঃ বাৰ্ধক্যত পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হৈ পৰিছে।

গতিকে *অনুসন্ধান* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ বৃদ্ধ ভৃগু চৌধুৰীৰ সূক্ষ্ম পৰ্যবেক্ষণত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ বহুকেইটা কাৰক প্ৰতিফলিত হোৱা দেখা গৈছে।

### অন্যান্য উপন্যাস ঃ

বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ শীলভদ্ৰৰ অন্যান্য উপন্যাসৰ ভিতৰত *তৰঙ্গিনী, অবিচ্ছিন্ন* আৰু *গধূলি* অন্যতম। *তৰঙ্গিনী* উপন্যাসত জীৱন-অভিজ্ঞতাৰে কেন্দ্ৰীয় চৰিত্ৰ চৌধুৰীয়ে বাৰ্ধক্যৰ স্মৃতিচাৰণ

---

১২৭। উল্লিখিত, পৃ. ৪৪

কৰিছে। এসময়ৰ  চাহ বাগিচাখনৰ লগত গঢ়ি উঠা আত্মিক সম্পৰ্কৰ বাবে বৃদ্ধ চৌধুৰীয়ে সেই পৰিৱেশৰ স্মৃতি ৰোমন্থন কৰি একাত্ম হৈ পৰিছে। বাৰ্ধক্যৰ শাৰীৰিক অৱনতি আৰু অৱক্ষয়ৰ প্ৰতিচ্ছবি এসময়ৰ আজমবাগ 'আউট গাৰ্ডেন'ৰ মেনেজাৰ বৃদ্ধ ৰাজখোৱা, নয়নতৰা চাহ বাগিচাৰ মেনেজাৰ মহিম ৰায়ৰ চৰিত্ৰৰ যোগেদি বৃদ্ধ চৌধুৰীয়ে প্ৰত্যক্ষ কৰিছে। মেনেজাৰ মহিম ৰায়ে বাৰ্ধক্যত উচ্চ ৰক্তচাপজনিত কাৰণত ষ্ট্ৰোক হোৱাত বাগান এৰি গুচি যোৱাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। পঞ্চাশ-ঊৰ্ধ্বৰ মহিম ৰায়ৰ মানসিক নিঃসংগতা, প্ৰবাসী উচ্চশিক্ষিত সন্তানৰ সৈতে বিচ্ছেদ, পত্নীৰ বিয়োগ আৰু বেমাৰী পত্নীক লৈ অসন্তুষ্টি— বহুকেইটা  মানসিক জটিলতা উপন্যাসখনত প্ৰতিফলিত হৈছে। বৃদ্ধ চৌধুৰীৰ মানসপটত ধৰা দিয়া বৃদ্ধ চাহ শ্ৰমিকৰ দৈন্যতা আৰু অতিৰিক্ত শাৰীৰিক পৰিশ্ৰমে বৃদ্ধ কৰাৰ চিত্ৰ উপন্যাসখনত পৰিলক্ষিত হৈছে। বৃদ্ধ চাহ শ্ৰমিকসকলে আন কৰ্মচাৰীৰ দৰে অৱসৰ বা তেনে কোনো সুবিধা মালিকৰ পৰা নাপায়। আৰ্থিক দুৰৱস্থাৰ বাবে দৰিদ্ৰ বৃদ্ধা জিৰা বুঢ়ীয়ে জীয়াৰী চলন্তীক মহিম ৰায়ৰ ৰক্ষিতা হ'বলৈ আগবঢ়াই দিছে।

মধুপুৰ অঞ্চলৰ পটভূমিত ৰচিত বাৰ্ধক্য-চিত্ৰ প্ৰতিফলিত শীলভদ্ৰৰ আন এখন উপন্যাস *অবিচ্ছিন্ন*। পঞ্চাশ বছৰীয়া ভূপতি চৌধুৰীৰ অতীত জীৱনৰ ৰোমন্থন, বিশেষকৈ পিতৃ আৰু তেওঁৰ সমবয়সীয়া বৃদ্ধ লোকৰ সান্নিধ্য, বাৰ্ধক্যৰ নিঃসংগতাৰ বেদনা, বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতা, মানসিক অৱসাদৰ মৰ্মান্তিক দৃশ্য উপন্যাসখনত তুলি ধৰা হৈছে। বাৰ্ধক্যত আপোনজনক লগ পোৱাৰ আনন্দ-হাবিয়াসে খন্তেকৰ বাবে হ'লেও বৃদ্ধ লোকক উৎফুল্লিত কৰাৰ চিত্ৰ উপন্যাসখনত ফুটি উঠিছে। বৃদ্ধ চৌধুৰীৰ আত্মীয় আৰু তেওঁৰ পৰ্যবেক্ষণত ধৰা দিয়া বহুতো বৃদ্ধ চৰিত্ৰৰ সজীৱ বৰ্ণনা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

বাৰ্ধক্যত পুৰণি সংগ আৰু পুৰণি কথাৰ গুৰুত্বই জীৱন সমৃদ্ধিশালী কৰা জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস উপন্যাসখনত দেখা যায়। অভিভাৱকৰ স্বাৰ্থৰ মনোভাৱত শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু ভৱিষ্যৎ প্ৰজন্মক লৈ চিন্তিত হোৱাৰ দিশো দৃষ্টিগোচৰ হৈছে। অতীতৰ স্মৃতি ৰোমন্থন, ঠিকাদাৰী বৃদ্ধ পিতৃৰ আৰ্থিক দুৰৱস্থা, উদাসীনতা, উপেক্ষাৰ মৰ্মস্পৰ্শী চিত্ৰ উপন্যাসখনত পোৱা যায়। বাৰ্ধক্যজনিত শাৰীৰিক ৰোগৰ উপসৰ্গ হিকটি ৰোগত মৃত্যু হোৱা চৌধুৰীৰ দেউতাকৰ হৃদয়স্পৰ্শী বৰ্ণনাও উপন্যাসখনত তুলি

ধৰিছে। বাৰ্ধক্যৰ শাৰীৰিক যন্ত্ৰণাৰ প্ৰতিচ্ছবি প্ৰকাশিত উপন্যাসখনৰ আন দুটা বৃদ্ধ চৰিত্ৰ হ'ল চৌধুৰীৰ বৃদ্ধা আইতাক আৰু 'কাকাবাবু' সম্বোধন কৰা সুৰেন ডাক্তৰ। আইতাকৰ চৰিত্ৰত এগৰাকী বয়োবৃদ্ধাই পৰিয়ালত বিচৰা গুৰুত্ব আৰু বাৰ্ধক্যৰ শাৰীৰিক আৰু মানসিক অসুস্থতাৰ প্ৰমাণ পোৱা যায়। বাৰ্ধক্যত আঁকোৰগোজ স্বভাৱৰ বাবে আইতাই ৰাতিতেই ত্ৰিগুণ তেলৰ যোগান ধৰিবলৈ নাতিয়েকক আব্‌দাৰ ধৰিছে। উপন্যাসখনত সুৰেন ঘোষ নামৰ ডাক্তৰজনৰ বাৰ্ধক্যৰ দুৰৱস্থাৰ বৰ্ণনা পোৱা যায়। এসময়ত চিকিৎসাৰে সকলোকে সুস্থ কৰা সুৰেন ঘোষৰ বাৰ্ধক্যত মনৰ জটিলতা সৃষ্টিৰ অন্যতম কাৰণ--- আৰ্থিক দীনতা, পক্ষাঘাত ৰোগত নিঃসহায় হৈ পৰা শাৰীৰিক দুৰৱস্থা, পত্নীবিয়োগৰ নিঃসংগতা আৰু সন্তানৰ লগত হোৱা  অসহনীয় বিচ্ছেদ আদি উল্লেখযোগ্য।

*অনুসন্ধান* উপন্যাসৰ লেখীয়া শীলভদ্ৰৰ আন এখন বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস *গধূলিত* ভূধৰ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতা আৰু জীৱনৰ তাৎপৰ্য উদ্ধাৰত তৎপৰ এজন বৃদ্ধৰ প্ৰতিচ্ছবি দেখা যায়। অৱসৰপ্ৰাপ্ত  বৃদ্ধ ভূধৰ চৌধুৰীয়ে জীৱনক বিশৃংখলাৰ সমষ্টি বুলি ভাবিলেও জীৱনৰ গধূলি বেলিকা হিচাপ-নিকাচ কৰি সেই বিফল জীৱনৰ মাজতো সফলতাৰ উঁহ বিচাৰি পাইছে। মনৰ অন্তৰ্জগতত খেলা কৰা পুৰণি স্মৃতি আৰু মনৰ ভাবত অগাডেৱা কৰা বিচিত্ৰ অনুভূতিয়ে অতীত, বৰ্তমান আৰু ভৱিষ্যতক একেলগে সামৰাৰ চেষ্টা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। পত্নীবিহীন বৃদ্ধ ভূধৰ চৌধুৰীয়ে দুয়োজনী ছোৱালীক বিয়া দি নিঃসংগ জীৱন অতিবাহিত কৰিছে। বাৰ্ধক্যত ওলাই-সোমাই ফুৰাৰ  প্ৰতিবন্ধক, তথাকথিত ভোগবাদী আৰু বস্তুবাদী আধুনিক সমাজত বৃদ্ধ লোকৰ প্ৰমূল্য হ্ৰাস, বৃদ্ধ লোকৰ উপস্থিতিয়ে ডেকাচামক অস্বস্তি আৰু বিৰক্তি দিয়াৰ বহু চিত্ৰ উপন্যাসখনত অংকন কৰা হৈছে। আধুনিক কৰ্মব্যস্ততাহীন বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনা, একাকিত্ব, আত্মাভিমানী চাৰিত্ৰিক বৈশিষ্ট্যও উপন্যাসখনত দেখা যায়। তদুপৰি বাৰ্ধক্যত পৰনিৰ্ভশীল বা আনৰ বোজা হ'ব নোখোজা আৰু শাৰীৰিক দুৰৱস্থাই মানসিক জটিলতাৰ কাৰণ হৈ পৰা বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন উপন্যাসখনত দেখা গৈছে। অৱসৰী কৰ্মব্যস্ততাহীন জীৱনৰ অৱসাদ হ্ৰাস কৰিবলৈ আত্মজীৱনী লিখা, জীৱনত কোনো কামেই সময়ত কৰিব নোৱৰাৰ আত্ম-অনুশোচনা, কৰ্মদক্ষতা আৰু যোগ্যতাক লৈ সন্দিহান হৈ পৰা চৌধুৰীৰ বাৰ্ধক্যৰ চিত্ৰ প্ৰত্যক্ষ কৰা হৈছে। বাৰ্ধক্যৰ চিন্তাক্লিষ্ট অৱস্থা, অলস আৰু আৰামপ্ৰিয় জীৱনৰ গধূলি বেলিকাৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা হৈছে।

নিজৰ অসংলগ্ন ভাব-অনুভূতিৰ মাজত অতীত জীৱনৰ স্মৃতি ৰোমন্থন আৰু জীৱনৰ মূল্য নিৰূপণ চৌধুৰীৰ চেতনাত প্ৰতিফলিত হোৱাৰ লগতে আনকেইগৰাকী লোকৰ বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা উপন্যাসখনত উপস্থাপন কৰা হৈছে। আধুনিক সমাজত চাকৰিয়াল অৱসৰপ্ৰাপ্ত বৃদ্ধৰ পুতৌজনক অৱস্থাৰ বৰ্ণনা উপন্যাসখনত দেখা যায়। প্ৰবাসী পো-জীয়াৰীৰ ভৌগোলিক দূৰত্বই বৃদ্ধ পিতৃ-মাতৃৰ লগত মানসিক ব্যৱধান অনা, জীৱনৰ শূন্যতা স্বীকাৰ কৰি ল'ব নোৱৰা মানসিক অস্থিৰতা, নিঃসংগতাই পশুৰ প্ৰতি আকৰ্ষণ কৰা, সময়ে সলনি কৰা পৰিচয়হীন হতাশা, দুশ্চিন্তা, বাৰ্ধক্যজনিত অসুস্থতা, বিকৃত যৌন আকাংক্ষা, বৃদ্ধ লোকৰ প্ৰতি থকা অৱজ্ঞা, উপেক্ষা আদি বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা সৃষ্টিৰ বহুকেইটা কাৰণে উপন্যাসখনত ধৰা দিছে।

## উপসংহাৰ ঃ

'নিৰ্বাচিত উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ এক বিস্তৃত আলোচনা' শীৰ্ষক অধ্যায়টোৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে নিৰ্বাচিত ঔপন্যাসিকৰ উপন্যাসকেইখনত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে। *এজন বুঢ়া মানুহ, উভলা শিপা, অন্তৰাগ* আৰু *অনুসন্ধান*— চাৰিওখন উপন্যাসতে নিঃসংগতাৰ বেদনা, আদৰ্শৰ সংঘাত, অতীতৰ স্মৃতি ৰোমন্থন, মূল্যবোধৰ পৰিৱৰ্তন, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, ব্যক্তিকেন্দ্ৰিক অহমিকা, জীৱনপ্ৰীতি, শাৰীৰিক অসুস্থতাৰ সমস্যা, শৈক্ষিক মূল্যবোধৰ অভাৱ, নগৰীয়া জীৱনৰ যন্ত্ৰণা আদি বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ প্ৰধান কাৰকসমূহ প্ৰত্যক্ষ কৰা হৈছে। তদুপৰি উপন্যাসকেইখনত আন কেইবাটাও বৃদ্ধ-মনস্তত্ত্বত সৃষ্টি হোৱা জটিলতাৰ প্ৰকাশ দেখা যায়। নিৰুপমা বৰগোহাঞি, অৰুণ শৰ্মা, হোমেন বৰগোহাঞি আৰু শীলভদ্ৰৰ অন্যান্য কেইখনমান উপন্যাসতো বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা দৃষ্টিগোচৰ হৈছে।

■ সময় আৰু পৰিৱেশে সলনি কৰা মনৰ গুৰুত্বপূৰ্ণ দিশৰ পৰিৱৰ্তন নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসৰ সত্তৰ বছৰীয়া অৱসৰী বৃদ্ধ বিজয় ভৰালীৰ চৰিত্ৰত ফুটি উঠিছে। বৰগোহাঞিৰ *অন্তঃস্ৰোতা, ছায়া আৰু ছবি, অন্য জীৱন* আৰু *অভিযাত্ৰী* উপন্যাসত বিবাহযোগ্য কন্যাৰ বিবাহক লৈ সৃষ্টি হোৱা বৃদ্ধা মাতৃৰ দুশ্চিন্তা, ঈৰ্ষা, অপমানবোধ, আত্মাভিমান, মানসিক অন্তৰ্দ্বন্দ্ব, দূৰদৰ্শিতা, অতীতৰ স্মৃতি ৰোমন্থন, জীৱনৰ অভিজ্ঞতাৰ বাস্তৱ সত্য, পুত্ৰস্নেহ, মাতৃৰ শাৰীৰিক কঠোৰ পৰিশ্ৰম, পৰিয়ালৰ

অমনোযোগ, হতাশা, আত্মত্যাগ, শাৰীৰিক শক্তিৰ অৱনতি আৰু স্বাধীন হ'ব নোৱাৰা বৃদ্ধ নাৰীৰ মনোবেদনা, অৱদমিত মনত লৈ ফুৰা শিক্ষাৰ প্ৰতি হাবিয়াস, শাৰীৰিক আৰু মানসিক কষ্ট, মানসিক সবলতা, সামাজিক অনুশাসন মানি নচলা আদি বহুকেইটা মানসিক কাৰণ প্ৰকাশ পাইছে। *এজন বুঢ়া মানুহ* উপন্যাসত বাৰ্ধক্যৰ যন্ত্ৰণা তিৰোতাতকৈ পুৰুষৰ জীৱনত অধিক বুলি প্ৰমাণ পোৱা গৈছে। পুৰুষ-নাৰী সকলোৰে জীৱনলৈ বাৰ্ধক্য অবাঞ্ছিত ৰূপত আহে যদিও জৈৱিক ক্ষয়-বৃদ্ধিৰ কাৰণে নাৰীৰ জীৱনলৈ বাৰ্ধক্য সোনকালে অহাৰ উল্লেখ *অন্য জীৱন* আৰু *অভিযাত্ৰী* উপন্যাসত দেখা গৈছে। স্বাস্থ্য-অসচেতনতা আৰু ঘৰুৱা কঠিন পৰিশ্ৰমৰ দায়িত্ব ল'ব লগাৰ বাবে পুৰুষতকৈ নাৰী আগতীয়াকৈ বৃদ্ধ হোৱাৰ তথ্যও উপন্যাস দুখনত পোৱা গৈছে।

■ *উভলা শিপা* উপন্যাসত সত্তৰ বছৰীয়া বৃদ্ধ আঘোণাৰ জন্মঠাইৰ প্ৰতি আকৰ্ষণ, প্ৰজন্মৰ ব্যৱধান, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, কনিষ্ঠ প্ৰজন্মৰ অভব্য আচৰণ প্ৰতিফলিত হৈছে। *যযাতি আৰু ৰঞ্জনা* আৰু *আশীৰ্বাদৰ ৰং* উপন্যাসত বাৰ্ধক্যজনিত ৰোগ, প্ৰেমজনিত স্খলন, জীৱনপ্ৰীতি, আৱেগিক মনৰ প্ৰাধান্য, আত্মহত্যা, আঁকোৰগোজ স্বভাৱ, ধৰ্মীয় গোড়ামি, মানৱীয়তা, মমত্ব আদি বহু দিশৰ প্ৰতিফলন হৈছে।

■ *অস্তৰাগ* উপন্যাসত প্ৰজন্মৰ ব্যৱধান, আঁকোৰগোজ স্বভাৱ, আত্মাভিমান, বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, বাৰ্ধক্যক অপৰাধ বুলি ভবা মনৰ ভ্ৰান্ত ধাৰণা, পৰনিৰ্ভৰশীল হোৱাৰ আশংকা অংকন কৰিছে। বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসত কালানুক্ৰমিক বয়সেৰে বৃদ্ধ ন'হলেও জীৱনৰ অভিজ্ঞতাৰে বৃদ্ধ শিৱনাথৰ মানসিক অন্তৰ্দ্বন্দ্ব, নিঃসংগতাৰ বেদনা, আঁকোৰগোজ স্বভাৱ, আদৰ্শৰ স্খলন, বৃদ্ধ পিতৃক নুবুজাৰ অভিযোগ আৰু যুৱপ্ৰজন্মৰ অভব্য আচৰণ, অপদস্থ, বিবাহ উপযুক্ত কন্যাৰ বাবে বৃদ্ধ পিতৃৰ দুশ্চিন্তা, পত্নীবিয়োগ, ব্যক্তিকেন্দ্ৰিক অহমিকা ইত্যাদি বহুকেইটা বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা সৃষ্টিৰ কাৰক প্ৰত্যক্ষ কৰা হৈছে।

■ *অনুসন্ধান* উপন্যাসত বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, অসচেতনতা দেখা যায়। শীলভদ্ৰৰ অন্যান্য উপন্যাসত স্মৃতিচাৰণ, বাৰ্ধক্যজনিত শাৰীৰিক অৱনতি, নিঃসংগতাৰ বেদনা, প্ৰবাসী উচ্চশিক্ষিত সন্তানৰ লগত বিচ্ছেদ, পত্নীবিয়োগ, বেমাৰী পত্নীক লৈ অসন্তুষ্টি, বৃদ্ধ চাহ শ্ৰমিকৰ আৰ্থিক দীনতা, শাৰীৰিক

কঠোৰ পৰিশ্ৰমে অনা বাৰ্ধক্যৰ সম্ভাৱনা, অতীতৰ স্মৃতি ৰোমন্থন, বাৰ্ধক্যত পুৰণি সংগ আৰু পুৰণি কথাৰ গুৰুত্ব, শৈক্ষিক মূল্যবোধৰ অভাৱ আৰু ভৱিষ্যৎ প্ৰজন্মক লৈ হোৱা চিন্তা পৰিদৃষ্ট হৈছে।

গতিকে নিৰ্বাচিত উপন্যাসকেইখনত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰতিফলিত হোৱা বুলি দৃঢ়তাৰে ক'ব পৰা যায়।

■■■■